# ASSAM LEGISLATIVE ASSEMBLY DEBATES

सत्यमेव जयते

## OFFICIAL REPORT

SIXTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

VOL. I NO. 25

The 28th April 1988

Price : Rs. 43.50

# ASSAM
# LEGISLATIVE ASSEMBLY
# DEBATES

सत्यमेव जयते

## OFFICIAL REPORT

SIXTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

VOL. I NO. 25

The 28th April 1988

Price : Rs. 43.50

# CONTENTS

**BUDGET SESSION**

**Volume I No. 25**

**Dated, the 28th April 1988**


| | | Page No. |
|---|---|---|
| 1. | Questions & Answers | 1-44 |
| 2. | Voting on Demands for Grants | 45-101 |
| 3. | Adjournment | 102 |
| 4. | Annexure I(A), I(B), I(C), I(D), II, III, IV, V, VI(A), VI(B) | 103-137 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1988

**Thursday, April 28, 1988**

The House met at nine of the Clock in the Assembly Chember, Dispur with Sri Pulakesh Barua, Speaker in the Chair.

## STARRED QUESTIONS & ANSWERS

*(To which oral answers were given)*

বিষয় ঃ মহকুমা পৰিষদত চৰকাৰী সচিব।

*৪১১। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

ক) অসমৰ কিমান খন মহকুমা পৰিষদত চৰকাৰী সচিব আৰু স্থায়ী কমিটি সচিব নাই?

খ) কেতিয়া এই পদ সমূহৰ খালী ঠাই পূৰণ কৰিব?

শ্ৰী চন্দ্ৰ আৰান্ধৰা, (পঞ্চায়ত আৰু গ্ৰাম্য উন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে।

ক) অসমত ১৩ খন মহকুমা পৰিষদত চৰকাৰী সচিব আৰু ১২ খন মহকুমা পৰিষদত স্থায়ী কমিটি সচিব নাই।

খ) যথা সম্ভৱ সোনকালে পদ পূৰণৰ বাবে ব্যৱস্থা লোৱ হ'ব।

**(Starred Question No. 442 & 443 were not called for.)**

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে কৈছে যে, অসমত ১৩ খন মহকুমা

---

***/ Speech not corrected**

পৰিষদত চৰকাৰী সচিব আৰু ১২খন মহকুমা পৰিশদত স্থায়ী কমিটি সচিব নাই। মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব খুজিছো বৰ্ত্তমান অসমত কিমান খন মহকুমা পৰিষদত চৰকাৰী সচিব আৰু স্থায়ী কমিটি সচিব আছে সেইটো জনাবনে? তাৰোপৰি, 'যথাসম্ভৱ' এই শব্দটো ব্যৱহাৰ নকৰি এই বিধান সভাৰ চলিত অধিবেশনৰ পিছতে চৰকাৰী সচিব আৰু স্থায়ী কমিটি সচিব নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিবনে?

**শ্ৰী চন্দ্ৰ আৰস্কৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ মুঠ ৩১ খন মহকুমা পৰিষদৰ ভিতৰত ১৩ খন মহকুমা পৰিষদত চৰকাৰী সচিব নাই। খালী থকা মহকুমা পৰিষদবোৰ হল, যথাক্ৰমে দক্ষিণ শালমৰা, নলবাৰী, ৰঙিয়া, মঙ্গলদৈ, বিশ্বনাথ, ধেমাজী, জোনাই, মাজুলী, চৰাইদেউ, তিনিচুকীয়া, শদিয়া, কৰিমগঞ্জ, উত্তৰ লক্ষীমপুৰ (শ্ৰীগোপীনাথ গগৈ স্থায়ী কমিটিৰ সচিব, ডিব্ৰুগড়, এই জনক চৰকাৰৰ অধিসূচনা নম্বৰ পি, ডি, বি ৯।৮১। পি, টি।৬।১৪৬ তাৰিখ ৫/১২/৮৭ মতে উত্তৰ লক্ষীমপুৰত চৰকাৰী সচিব হিচাপে দিয়া হৈছিল, কিন্তু এতিয়াও যোগদান কৰা নাই আৰু ১২ খন মহকুমা পৰিষদত স্থায়ী কমিটিৰ সচিব নাই। খালি থকা মহকুমা পৰিষদ কেইখন ক্ৰমে গোৱালপাৰা, উত্তৰ শালমাৰা, ধুবুৰী, দক্ষিণ শালমাৰা, বৰপেটা, ওডালগুৰি, তেজপুৰ, বিশ্বনাথ, উত্তৰ লক্ষীমপুৰ, শিৱসাগৰ- যোৰহাট আৰু ধেমাজী। ধেমাজী, ৰঙিয়া, বিশ্বনাথ, তিনিচুকিয়া মহকুমাত ইতিমধ্যে সচিব নিযুক্তি দিয়াৰ ব্যৱস্থা হাতত লোৱা হৈছে। বাকী পদবোৰ পূৰণৰ বাবে ব্যৱস্থা লোৱা হব। ৰেগুলেশ্বন থ্ৰি এফত নিযুক্তি দিয়া বি, ডি, অৰ মোকৰ্দমা সংক্ৰান্তত বি, ডি, অৰ পদ পূৰণ কৰিব পৰা হোৱা নাই। ইয়াৰ ফলত বি, ডি, অৰ পৰা মহকুমা পৰিষদৰ সচিব, এছ, এছ, টি, এচ, ডি, পি, অ আদিলৈ পদোন্নতি দিয়াত অসুবিধা হৈছে। এই সম্পৰ্কে অসম লোক সেৱা আয়োগৰ পৰা বি, ডি, অৰ ৰেগুলাৰ লিষ্ট পালে বাকী পদোন্নতি দিয়া হব। পঞ্চায়ত আৰু গ্ৰামোন্নয়ণৰ চামিল কৰণ হোৱাৰ পাছত, ই, অ, অডিট সকলকো ই, অ(পি) আৰু ই, অ(ডব্লিউ), চি'ৰ লগতে বি, ডি, অলৈ প্ৰমোচন দিয়াৰ কথা চিন্তা কৰা হৈছে। এই গোটেইবোৰ কাম সম্পূৰ্ণ হলে পদ সমূহ পূৰণ হ'ব।

* **শ্ৰীআল্টাফহোছেইন মজুমদাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই পদ সমূহ পূৰণ কৰিবৰ কাৰণে কি কি ব্যৱস্থা হাতত লোৱা হৈছে সেইটো গাই দিয়ক চোন? দ্বিতীয়তে, মাননীয় মন্ত্ৰী মহোদয়ে যি মোকৰ্দমাৰ কথা কৈছে সেই মোকৰ্দমা, বি, ডি, অ সকলক বৰ্খাস্ত কৰি মোকৰ্দমাৰ সৃষ্টি কৰা হৈছেনে নাই, সেই বিলাক আন মোকৰ্দমা?

**শ্ৰীচন্দ্ৰ আৰন্ধৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহেদয়, মাননীয় সদস্য জনে সোধা প্ৰশ্নৰ লগত ইয়াৰ সম্পৰ্ক নাই যেন অনুমান হৈছে।

## Re : Bridge on Balbala Kuruabhas Road.

Shri Maziruddin Ahmed asked.

*444. Will the Minister, Rural Development be pleased to state:

(a) Is it a fact that road leading from Balbala to Kuruabhas (in Goalpara) has remained unsuable for the non-construction of a bridge on the road ?

(b) If so, will the Govt. take up the bridge work immediately?

**Shri Chandra Arandhara (Minister, Rural Development)replied:**

(a) Yes.

(b) Every endeavour is being made to complete the bridge within this year.

* **Shri Maziruddin Ahmed :** May I know from the Hon'ble Minister by what times the bridge will be completed because it is for 8 or 9 years the bridge is not there and people are suffering ?

**Shri Chandra Arandhara (Minister) :** Sir, the project has been undertaken under RLEDP during 1987-88 at an estimated cost of 5.64 lakhs. The earth work of the

---

*/ Speech not corrected

road is completed. Out of the two projects in the scheme one has been completed in 1987-88 by purchasing R.S. joints from P.W.D. The other could not be completed for want of R.S. joints. The bridge is of 30 meter length. Arrangement for getting R.S. joints from NEC has been made. Although payment for these joints has been made the lifting order has not yet been received from NEC. It is expected that the construction of the bridge will be started as soon as the RS joints are received.

**বিষয় ঃ চাহ বাগিছাৰ ফাল্টু শ্ৰমিক।**

**শ্ৰীপদ্ম নাথ কৈৰীয়ে সুধিছে -**

*৪৪৫। মাননীয় গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চাহ বাগিছা শ্ৰমিক লাইনত বসবাস কৰা ফাল্টু শ্ৰমিকক D.R.D.P আঁচনিৰ যোগেদি চৰকাৰী ঋণ দিয়াৰ ব্যৱস্থা আছে নেকি ?

(খ) যদি আছে কেনে ধৰনে দিয় হয় জনাবনে ?

**শ্ৰীচন্দ্ৰ আৰান্ধৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) উত্তৰ দিছে ঃ**

(ক) হয় আছে।

(খ) ৪৮০০/- টকাৰ বাৰ্ষিক আয়ৰ তলত থকা পৰিয়াল সমূহক বিভিন্ন উপাৰ্জনক্ষম আঁচনিৰ যোগেদি সাহাৰ্য্য আগবঢ়োৱা হয়। এই ক্ষেত্ৰত আঁচনিৰ এক তৃতীয়াংশ ৰাজ সাহাৰ্য্য হিচাবে দিয়া হয় আৰু বাকী খিনি বেংকৰ যোগেদি ঋণ হিচাবে দিয়া হয়। সাহাৰ্য্যৰ বাবে বাচনি কৰাৰ সময়ত আটাইটকৈ দুখীয়া সকলক অগ্ৰাধিকাৰ দিয়া হয়। জনজাতীয় লোকসকলৰ ক্ষেত্ৰত ৰাজ সাহাৰ্য্য অৰ্দ্ধাংশ আৰু বেংকৰ ঋণ বাকী অৰ্দ্ধাংশ। এই উপাৰ্জনক্ষম আঁচনি সমূহৰ যোগেদি একোটা পৰিয়ালৰ আয় ৬৪০০/- টকাৰ ওপৰলৈ নিবলৈ চেষ্টা কৰা হয়।

**শ্ৰীপদ্ম নাথ কৈৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, চাহবাগিছাৰ শ্ৰমিক লাইনত বসবাস কৰা ফাল্টু শ্ৰমিক সকলক ঋণ দিয়াৰ ক্ষেত্ৰত মাটি মৰ্টগেজ দিয়াৰ ব্যৱস্থা আছে নেকি ?

**শ্ৰীচন্দ্ৰ আৰান্ধৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ঋণ দিয়াৰ ক্ষেত্ৰত যিটো ব্যৱস্থা আছে সেই ব্যৱস্থা মতে বেংকসমূহে মাটি

বন্ধকত ৰখাটো বিচাৰে।

* **শ্ৰীপদ্মনাথ কৈৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, যদি মাটি মৰ্টগেজ দিবলগীয়াই হয় তেতিয়াহলে, অসমত বসবাস কৰা শতকৰা ৭০ ভাগ চাহমজদুৰৰে মাটি নাই। গতিকে মাটিমৰ্টগেচ দি ঋণ ক্ৰৰা পৰা লয়? হয়তো বাগান বিলাকতো বিদেশী থাকিব পাৰে। সেই কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক সুধিব খুজিছো যে, এই সকল লোকৰ শতকৰা ৭০ ভাগৰ মাটি নথকালৈ চাই অসমত স্থায়ী ভাৱে বসবাস কৰা বুলি প্ৰমাণিত হলেই তেওঁলোকৰ ক্ষেত্ৰত ঋণ লবলগীয়া হলে মৰ্টগেজ দিয়াৰ ব্যৱস্থা শিথিল কৰাৰ ব্যৱস্থা কৰিবনে?

**শ্ৰীচন্দ্ৰ আৰন্ধৰা (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো কেৱল বাগানত বস বাস কৰা চাহমজদুৰ সকলৰে সমস্যা নহয়, বনাঞ্চলত বসবাস কৰা জনজাতীয় লোক সকলৰ ক্ষেত্ৰটো সেই একেই সমস্যা হৈছে। নিজৰ নামত ব্যক্তিগত পত্তাৰ মাটি নথকা সকলৰ ক্ষেত্ৰত এই অসুবিধা হৈছে। গতিকে এই সমস্যা বিলাক সমাধান কৰিবৰ কাৰণে আমাৰ সকলো লগ লাগি এই সমস্যাটো সমাধান কৰিব লাগিব।

* **শ্ৰী পদ্মনাথ কৈৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত আমি আতাই ক্ৰেইজনেই একমত। গতিকে দিন বাৰ চাই আমাক এদিন মাতিলেই হব। আমি প্ৰস্তুত আছো।

**শ্ৰীচন্দ্ৰ আৰন্ধৰা (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, পাছ হেজাৰ বা পাছ হেজাৰৰ তলৰ ইন্‌কাম থকা সকলৰ ক্ষেত্ৰতহে মৰ্টগেজৰ কোনো ব্যৱস্থা নাই।

* **শ্ৰীহেমেন দাস** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ উত্তৰটো অলপ ওলোটা হৈছেনেকি? কিয়নো পাছ হেজাৰ টকালৈকে ঋণৰ 'গাৰাণ্টি' নেলাগে।

**শ্ৰীচন্দ্ৰ আৰন্ধৰা (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই থিকেই কৈছো। এইটো আই, আৰ, ডি, পি, ঋণৰ ক্ষেত্ৰতহে। এই বিষয়ে আমাৰ মাননীয় মূখ্য মন্ত্ৰীয়ে একাধিকবাৰ বেংকৰ ৰেজিয়নেল মেনেজাৰ সকলৰ লগত আলোচনা বিলোচনা কৰি সমস্যাটো সমাধান কৰাৰ কাৰণে ব্যৱস্থা লৈছে।

---

***/ Speech not corrected**

বিষয় ঃ চিকিৎসালয়ৰ নিৰ্মাণৰ কাৰ্য্য।

**শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছে ঃ**

*৪৪৬। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ঘিলামৰা ত্ৰিছখন বিছনাযুক্ত চিকিৎসালয়ৰ নিৰ্মাণ কাৰ্য্য আৰম্ভ হৈছে নে?

(খ) যদি আৰম্ভ হৈছে তেন্তে এতিয়া কি পৰ্যায়ত কাম চলি আছে?

(গ) নিৰ্মাণ কাৰ্য্য কেতিয়া শেষ হ'ব অনুগ্ৰহ কৰি জনাবনে?

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (স্বাস্থ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) হৈছে।

(খ) মূল গৃহৰ ভেটিৰ কাম সম্পূৰ্ণ হৈছে আৰু কাম চলি আছে।

(গ) পুঁজি সাপেক্ষে কাম সমাপ্ত হয়।

## Re : Moinbari and Baghbor Veterinary Sub-centre

Shri Sheikh Abdul Hamid asked :

*447. Will the Minister, A.H.& Veterinary be pleased to state :

(a) Is it a fact that Moinbari and Baghbor Veterinary Sub-centres are running without any staff ? (under Mandia Veterinary Hospital of Barpeta)

(c) If so, why ?

**Shri Nagen Sarmah (Minister of A.H. & Veterinary) replied :**

(a) Both Centres are being run through V.F.A.S.

(b) Required quantity of medicines are supplied from time to time.

(c) Does not arise.

* **শ্ৰী শ্বেখ আব্দুল হামিদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে দুজন ভি, এফ, এ উক্ত চাব চেণ্টাৰ দুটাত কাম কৰি আছে। উক্ত ভি, এফ, এ দুজনৰ নামদুটা জনাবনে আৰু কোন

*/ Speech not corrected

তাৰিখৰ পৰা তেওঁলোকে কাম কৰিছে জনাবনে? মই জনাত ১০ কিলোমিটাৰ দূৰৰ বৰভেটা চাব চেণ্টাৰৰ পৰা কেতিয়াবা সপ্তাহত দুদিন আৰু কেতিয়াবা এদিন নাইবা কোনো সপ্তাহত নাহেই। এনেকৈ একোজন ভি, এফ, এ আহি এই চাব চেণ্টাৰ চোৱা মেলা কৰিছে- তাত স্থায়ী ভাবে কোনো নাই।

* **শ্ৰীনগেন শৰ্মা, (পশুপালন বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এতিয়া নাম দুটা দিব পৰা নাযাব। যিহেতু মাননীয় সদস্য গৰাকী যে উক্ত চাব চেণ্টাৰত ভি, এফ, এ নাই বুলি কৈছে আৰু আমাৰ ৰেকৰ্ডত আছে বুলি জনাইছে, সৈয়ে গোটেই বিষয়টো অনুসন্ধান কৰি ব্যৱস্থা লোৱ হব।

* **শ্ৰীদূৰ্গা দাস বড়ো ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য জন ভাগ্যবান কিয়নো তেখেতৰ চাব চেণ্টাৰলৈ সপ্তাহত দুদিন হলেও ভি, এফ, এ যায়, কিন্তু মোৰ সমষ্টিত ঘগ্ৰাবাৰী নামৰ এটা চাব চেণ্টাৰ আছে তাত ভি, এফ, এ নায়েই। নতুনতে দুদিনামান এজন আছিল এতিয়া কোনো নাই। মন্ত্ৰী মহোদয়ে বিষয়টো চাবনেকি?

* **শ্ৰীনগেন শৰ্মা (পশুপালন মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদস্য গৰাকীৰ প্ৰশ্নৰ উত্তৰত জনাও যে যদি উক্ত চাব চেণ্টাৰত ভি, এফ, এ নাই তেন্তে দিয়াৰ ব্যৱস্থা কৰা হব।

## Re : Utilisation Certificate of F.D.R.

**Shri Abdul Muqtadir Choudhury asked :**

*448. Will the Minister, Panchayat & R.D. be pleased to state-

How many Mohkuma Parishads in Assam have submitted the utilisation certificates of F.D.R. grants and other grants sanctioned in 1986-87 and 1987-88 by the Govt. of Assam?

(Name of the Mohkuma Parishads who furnished the utilisation certificates and those who could not submit) utilisation certificates may be mentioned).

**Shri Chandra Arandhara** (Minister, Panchayat & RD)

---

*/ Speech not corrected

replied :

**1986-87 :**

18 Mohkuma Parishads were sanctioned F.D.R. Grants in 1986-87, of these 10 M.P.s have submitted Utilisation certifactes partially. The list of the 10 M.P.s is at Annexure-I (See the list at ANNEXURE I'A') and list of 8 M.P.s who have not submitted utilisation certifacte is at ANNEXURE-II placed on the table of Assembly. (See the list at ANNEXURE I'B')

2 Mohkuma Parishads viz. Majuli and Nagaon Mohkuma Parishads have furnished utilisation certificates in respect of other grants for 1986-87 in full. Other 29 Mohkuma Parishads have submitted utilisation certificates partially. The list is at Annexure-III & IV placed on the table of the House. (See the list at ANNEXURE I'C' & I'D'.)

**1987-88 :**

No utilisation certificates for F.D.R. Grants of 1987-88 are received from any Mohkuma Parishads. As regard, other grant only Dhemaji M.P. has furnished utilisation certificates partially.The list is at Annexure-V placed on the table of the House. (See the list at ANNEXUREII)

Over and above that for FIR Grants 1987-88 I am to state that this grant was released only in March last. So, certificates will be procured upto June.

* **শ্ৰীআব্দুল মুক্তাদিৰ চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা পৰিপূৰক আছে - মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে যে ইউটিলাইজেচন চাৰ্টিফিকেট দিয়াটো বাধ্যতামূলক হয় নে নহয়? আৰু যিবোৰ মহকুমা

---

***/ Speech not corrected**

পৰিষদে ৪-৫ বছৰলৈকে ইউটিলাইজেচন চাৰ্টিফিকেট নিদিয়াকৈ গ্ৰাণ্ট পাই আছে তেওঁলোকৰ ওপৰত কিবা ব্যৱস্থা লবনে?

* **শ্ৰীচন্দ্ৰ আৰান্ধৰা (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰাম্য উন্নয়ন)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সদস্য গৰাকীৰ প্ৰশ্নটো গুৰত্বপূৰ্ণ। মহকুমা পৰিষদ কিছুমানে ইউটিলইজেচন চাৰ্টিফিকেট নিদিয়াৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে আপত্তি কৰিছে আৰু এই সম্পৰ্কে দিবলগীয়া গ্ৰাণ্ট কেন্দ্ৰীয় চৰকাৰে দিয়া নাই। আমাৰ পঞ্চায়ত সঞ্চালকৰ তৰফৰ পৰা যিবিলাক মহকুমা পৰিষদে এনে চাৰ্টিফিকেট দিয়া নাই দিবৰ কাৰণে সকিয়াই দি থকা হৈছে।

* **শ্ৰীদুৰ্গা দাস বড়ো** ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাবনে যে যিবিলাক মহকুমা পৰিষদে সকিয়াই দিয়াৰ পিচতো ইউটিলাইজেন চাৰ্টিফিকেট দিয়া নাই, সেই বিষয়া সকলৰ ওপৰত কিবা ব্যৱস্থা লবনে তেওঁলোকৰ হেমাহীৰ কাৰণে?

***শ্ৰীচন্দ্ৰ আৰান্ধৰা (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰাম্য উন্নয়ন)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, চাৰ্টিফিকেট দাখিল কৰিবলৈ পঞ্চায়ত বিভাগৰ সঞ্চালকৰ তৰফৰ পৰা সকিয়াই দিয়া হৈছে।

* **শ্ৰীদুৰ্গা দাস বড়ো** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰাণটো হৈছে হেমাহী কৰা বিষয়াৰ ওপৰত কিবা ব্যৱস্থা লবনে? কিয়নো তেওঁলোকে ইউটিলাইজেচন চাৰ্টিফিকেট দাখিল নকৰাৰ কাৰণে গ্ৰাণ্ট পৰ্য্যন্ত বন্ধ হৈ গৈছে সেয়ে এই দোষী বিষয়া সকলৰ ২-১ জনক চৰকাৰে গিৰাই দিয়াৰ ব্যৱস্থা লবনে?

* **শ্ৰীচন্দ্ৰ আৰান্ধৰা (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰাম্য উন্নয়ন)** ঃ অধ্যক্ষ মহোদয়, এই বিষয়টো মই গুৰুত্ব সহকাৰে লৈছো।

**Shri Chandra Arandhara (Minister) :** Sir, I assure the House that I shall take due action.

**Shri Altaf Hussain Mazumdar :** Mr. Speaker sir, this is a very important thing, and we want your help. Government of India have stopped giving the

---

***/ Speech not corrected**

grant to Assam because of the failure on the part of the State Government, and it appears to us, the Minister is helpless. Will the Hon. Minister assure the House that he will take penal action against the officers because the State Government is deprived of the money from the Government of India. We demand that within 15 days the officer must be put under suspension.

**Re : Metro India**

Shri Gautom Roy asked :

*449. Will the Minister, A.H. & Veterinary be pleased to state:

(a) Whether there is any firm namely "Metro India" doing business in the Veterinary Department ?

(b) If so, who is the properietor of the Firm ?

(c) Whether it is a fact that the said Firm is doing Business in the Veterinary Department for supply of Poultry and Duck appliances ?

(d) If so, the total amount of business done by the firm for last 3 years?

(e) Whether the said firm is run by an employee of L.I.C. without any valid power of attorny from his wife ?

(f) If so, what step, Government do propose to take aginst such firm ?

**Shri Nagen Sarmah (Minister of A.H. & Veterinary), replied.**

(a) Yes.

(b) Smti Archana Gupta.

(c) Yes.

(d) Rs. 1,55,300/-

(e) Not known.

(f) Does not arise.

**Re : Administrative and financial sanction.**

**Sri Dileswar Tanti asked.**

*450. Will the Minister, Rural Development be pleased to state :

(a) The date of according Administrative and financial sanction of the road project taken under N.R.E.P. in 1987-88 and the date of releasing 20% fund to only few selective road project for N.R.E.P. 1987-88 under D.R.D.A Karimganj ?

(b) Why no fund has been released for the road project 1987-88 under D.R.D.A. Karimganj before 16th March, 1988 after the 1st instalment of fund released by the Director, Rural Development?

(c) Mandays achieved for the road project 1987-88 under DRDA, Karimganj in 1987-88?

**Shri Chandra Arandhara (Minister, Rural Development) replied :**

(a) Administrative approval and financial sanction of N.R.E.P. Road Project 1987-88 was accorded by Project Director, Karimganj on 16.3.88 and 20% fund was released to Blocks for the selected road projects on the same day.

(b) No. fund for N.R.E.P. Road project of 1987-88 could be released by Project Director, Karimganj out of the 1st instalment because there were still spill over works of several schemes from the previous year which could not be completed as a result of delay in setting the issue of re-allocation of fund between D.R.D.A., Cachar & D.R.D.A., Karimganj after bifurcation of Karimganj from erstwhile Cachar District. Since priority was given to complete the spill over, works of previous year new projects

for 1987-88 were considered only after receipt of 2nd instalment in January, 1988.

(c) Total mandays generated in the road project under D.R.D.A., Karimganj in 1987-88 was 6360 nos. & Blockwise break-up was as below :-

| Block | No. of Projects | Total mandays. |
|---|---|---|
| 1. Badarpur | 4 Projects | 515 Nos. |
| 2. Norht Karimganj | 4 Projects | 2415 Nos. |
| 3. Patharkandi. | 6 Projects | 3430 Nos. |
| | 14 Projects | 6360 Nos. |

**বিষয় ঃ- কামৰূপ জিলাত PHC স্থাপন**

**শ্ৰীগোপী নাথ দাসে সুধিছে ঃ**

* ৪৫১। মাননীয় স্বাস্থ্য বিতাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৮৭-৮৮ চনত কামৰূপ জিলাৰ কোন কোন ঠাইত Scheduled Caste Component Plan-ৰ আচুতীয়া টকাৰে PHC স্থাপন কৰাৰ বাবে চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে ?

(খ) এইটো কথা সচানে যে চৰকাৰে সাধাৰণ এলেকাতোও বামুনবাৰীত Scheduled Caste Component Plan-ৰ আচুতীয়া টকাৰে PHC এটা স্থাপন কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে ?

(গ) যদি সচা, তেন্তে ইয়াৰ কাৰনটো অনুগ্ৰহ কৰি জনাবনে ?

*** শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) খাৰগুলি আৰু বামুনবাৰী।

(খ) Scheduled Caste Component Planৰ আচুতীয়া টকাৰে বামুনবাৰীত এখন PHC স্থাপন কাৰণে সংশ্লিষ্ট WPT & BC

---

*/ Speech not corrected

বিভাগৰ অনুমোদন লৈহে সিদ্ধান্ত লোৱা হৈছে।

(গ) প্ৰশ্ন নুঠে।

*** শ্ৰী গোপীনাথ দাস ঃ** মাননীয় অধ্যক্ষ মহোদয় আমি জনাত এই বামুনবৰী এৰিয়াটো এচ-চি এৰিয়া নহয় এইটো জেনেৰেল এৰিয়াত পৰে। সেই হিচাবে মন্ত্ৰী মহোদয়ে No. HLA. 64/88/154 dt 11th March 1988 তাৰিখে বামুনবাৰীত এটা পি এইচ চি স্থাপন কৰিব লাগে। পি ডব্লিউ দি বিভাগৰ পৰা এষ্টিমেট বিচাৰিছে আৰু সেই দৰে এচ-চি এৰিয়াৰ টকাৰেই সেই অঞ্চলত এখন পি এইচ চিৰ কাৰণে প্ৰশাসনীয় অনুমোদন হ'ল। এচ-চি এৰিয়াৰ ৩৩খন পি এইচ চিৰ ভিতৰত বালিজুৰী বুলি বেলেগ এখন ঠাই আছিল সেইখন ঠাই কাতি কিয় বামুনবৰী কৰা হ'ল মন্ত্ৰী মহোদয়ে জনাব নে?

*** শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে কোৱাৰ নিচিনাকৈ বামুনবৰী এচ. চি. এৰিয়া নহয় কথাটো সিমান সত্য নহয়। কাৰণ তাৰ পৰা ৰাজহুৱা দৰ্খাষ্টও পোৱা হৈছে আৰু এই বিষয়টো সম্পৰ্কে ডব্লিউ পিটি আৰু এচ. চি. বিভাগৰ অনুমোদন লৈহে কৰা হৈছে, সেইবোৰ কাগজ মোৰ লগত আছে আৰু সেইমতেই তাত এখন হস্পিটেল দিয়া হৈছে।

*** শ্ৰীগোপীনাথ দাস ঃ** চাৰ এইটো বৰ চিৰিয়াচ মেটাৰ, বামুনবৰী এৰিয়াটো জেনেৰেল এৰিয়া এইটো এচ.চি. এৰিয়া নহয় মন্ত্ৰী মহোদয়ৰ এই উত্তৰটোক চেলেঞ্জ কৰিছো গতিকে বামুনবৰী এৰিয়াটো এচ-চি এৰিয়াত পৰে নে নাই পুণৰ তদন্ত কৰিব নে আৰু যদি এচ-চি এৰিয়াত নপৰে তেনেহলে হস্পিটালখন তাত কৰা বন্ধ কৰিব নে?

*** শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, আমি বিভাগৰ তথ্যপাতিৰ ওপৰতে নিৰ্ভৰ কৰি অনুমোদন জনাইছো We must go through the data of the Department ............... অধ্যক্ষ মহোদয়, বন্ধ কৰা কথা নহয় তাতকৈ তেখেতে কব লাগিছিল যে তেখেতৰ তাতো এখন হস্পিটাল দিব নেকি?

*** শ্ৰীগোপী নাথ দাস ঃ** অধ্যক্ষ মহোদয়, এই টকা এচ-চি কম্পোনেন প্লেনৰ টকা। এই টকা জেনেৰেল এৰিয়াত খৰচ কৰিব নোৱাৰে। গতিকে

*/ Speech not corrected

এচি-চি কম্পোনেন প্লেনৰ টকা জেনেৰেল এৰিয়াত কেনেকৈ খৰচ কৰিবলৈ দৱলিউপিটি বিভাগে কলে মন্ত্ৰী মহোদয়ে জনাব নে?

(উত্তৰ নাই)

**বিষয় ঃ চৰকাৰৰ দৰৱ বিক্ৰীৰ নীতি।**

**শ্ৰীদেৱেশ্বৰ বৰাই সুধিছে ঃ**

*৪৫২। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) চৰকাৰৰ দৰৱ বিক্ৰী কৰাৰ নীতি কি?

(খ) মুকলিমূৰীয়াকৈ স্বাস্থ্য বিভাগক ফাকি দি যি সকলে অসমৰ নগৰ আৰু গাওঁ অঞ্চলত দৰৱ বিক্ৰী কৰিছে তাৰ বাবে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে?

(গ) চৰকাৰৰ কোনটো স্বাস্থ্য বিভাগে বেআইনীভাৱে দৰৱ বিক্ৰী কৰা ব্যক্তি আৰু বেপাৰী সকলৰ ওপৰত নজৰ ৰাখে?

**শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (স্বাস্থ্য মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ভাৰত চৰকাৰৰ দ্বাৰা অনুশাসিত ১৯৪৫ চনৰ ঔষধ আৰু প্ৰসাধন সামগ্ৰীৰ আইন অনুযায়ী অসমত দৰৱ বিক্ৰী কৰাৰ অনুমতি দিয়া হয়।

(খ) স্বাস্থ্য বিভাগক ফাকি দি দৰৱ বিক্ৰী কৰাৰ গোচৰ পালে চৰকাৰে লগে লগে তাৰ তদন্ত চলাই অনুজ্ঞা পত্ৰ নথকা বিক্ৰী কেন্দ্ৰ সমূহৰ বিৰুদ্ধে যথাযথ ব্যৱস্থা লয়।

(গ) স্বাস্থ্য বিভাগৰ ঔষধ নিয়ন্ত্ৰন বিভাগে নজৰ ৰাখে।

* **শ্ৰীদেবেশ্বৰ বৰা ঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে (খ) প্ৰশ্নৰ উত্তৰত কৈছে যে স্বাস্থ্য বিভাগক ফাকি দি দৰৱ বিক্ৰী কৰা গোচৰ পোৱাৰ লগে লগে তদন্ত কৰি অনুজ্ঞা পত্ৰ বাতিল কৰাৰ ব্যৱস্থা আছে কিন্তু অসমৰ মুকলি বজাৰ সমূহত ফাৰ্মাচি বিলাকে স্বাস্থ্য বিভাগৰ বিষয়া সকলক ফাকি দি দৰৱ বিক্ৰী কৰিয়ে আছে সেই বিলাক বাতৰি কাগজতো ওলাইছে। স্বাস্থ্য বিভাগে এইবিলাকৰ বিৰুদ্ধে কি ব্যৱস্থা লৈছে আৰু কিমান গোচৰ নিষ্পত্তি কৰিবলৈ বিভাগ সক্ষম হৈছে জনাব নে?

---

***/ Speech not corrected**

* **শ্রীচন্দ্র মোহন পাটোৱাৰী (স্বাস্থ্য মন্ত্রী) ঃ** অধ্যক্ষ মহোদয়, তেনে ধৰণৰ নির্দিষ্ট কিবা অভিযোগ থাকিলে তদন্ত কৰি ব্যৱস্থা লোৱা হয়। কিমান গোচৰ নিষ্পত্তি হৈছে বা তৰা হৈছে সেই সংখ্যাটো বর্তমান মোৰ হাতত নাই।

* **শ্রীদেবেশ্বৰ বৰা ঃ** অধ্যক্ষ মহোদয়, মই মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো অসমৰ যিবিলাক বাগান আছে বা বনাঞ্চল গাওঁ আছে সেইবিলাকত এই ধৰণৰ দৰৱ দি থকা হৈছে স্বাস্থ্য বিভাগৰ নিয়ন্ত্রন শাখাই এই কথা জানে আৰু জানি শুনিও গোচৰ নিদিয়ে এই কথা সচা নে?

* **শ্রীচন্দ্র মোহন পাটোৱাৰী (মন্ত্রী) ঃ** এই কথাটো সচা হয় নে নহয় নাজানো কিন্তু মাননীয় সদস্য গৰাকীৰ হাতত যদি তেনেকুৱা কিবা অভিযোগ আছে দিলে ফর্টউইথ ব্যৱস্থা লম।

* **শ্রীদেবেশ্বৰ বৰা ঃ** অধ্যক্ষ মহোদয়, মেৰাপানী অঞ্চলৰ যিখন বাগিছা সেইবাগিছাৰ সন্মুখৰ যিখন ফার্মাচী তেওঁলোকে অনুজ্ঞাপত্র নহোৱাকৈ মুকলিভাবে দৰৱ বিক্রী কৰি আছে, স্বাস্থ্য বিভাগে জানে কিন্তু ব্যৱস্থা নলয়। এইটো নির্দিষ্ট অভিজ্ঞতা।

* **শ্রীচন্দ্র মোহন পাটোৱাৰী (স্বাস্থ্য মন্ত্রী) ঃ** অধ্যক্ষ মহোদয়, মেৰাপানীৰ সন্মুখত বুলি কলেও অসুবিধা হয় কিয়নো কেবাখনো প্রতিষ্ঠান থাকিব পাৰে তেখেতে যদি ফার্মাচীখনৰ নাম কয় মই সদনতে আশ্বাস দিব পাৰো এতিয়াই ব্যৱস্থা লম।

* **শ্রীপদ্মনাথ কৈৰী ঃ** বাগান বিলাকত কিছুমান মানুহক ঔষধ বিক্রী কৰাৰ কাৰণে লাইচেঞ্চ দিয়া হৈছে। কিন্তু তেওঁলোকে প্রেচক্রিপচন নোহোৱাকৈ ঔষদ দি থাকে। এই প্রেচক্রিপচন নোহোৱাকৈ ঔষধ দিয়া বন্ধ কৰিব নে? আৰু যি সকলে ইতিমধ্যে প্রেচক্রিপচন নোহাৱাকৈ ঔষধ দি আছে তেওঁলোকৰ বিৰুদ্ধে ব্যৱস্থা গ্রহণ কৰিব নে?

* **শ্রীচন্দ্র মোহন পাটোৱাৰী (মন্ত্রী) ঃ** অধ্যক্ষ মহোদয়, প্রেচক্রিপচন নোহোৱাকৈ অৱশ্যে ঔষধ দিব নোৱাৰে কিন্তু সেইবিলাক যদি চেক কৰিব লগীয়া হয় তেনেহলে আমাক হাজাৰ হাজাৰ ইন্সপেক্টৰ লাগিব তেতিয়াহে ইয়াক বন্ধ কৰিব পাৰিম। মাননীয় সদস্য গৰাকীৰ যদি কিবা

---

***/ Speech not corrected**

নিৰ্দিষ্ট অভিযোগ আছে কোনোবা ফাৰ্মাচীৰ বিৰুদ্ধে তেখেতে কলে আমি ব্যৱস্থা লম কিন্তু অসমত ২০ হাজাৰ ফাৰ্মাচী আছে গতিকে সেইবিলাকৰ বিৰুদ্ধে অনুসন্ধান কৰিবলৈ বহুত ইন্সপেক্টৰ লাগিব।

* **শ্ৰীপদ্ম নাথ কৈৰী ঃ** চাৰ বাগিছা সমূহৰ যিবিলাক সপ্তাহিক বজাৰ হয় সেই সপ্তাহিক বজাৰ বিলাকত যিমানবিলাক ঔষধ বিক্ৰী কৰে সেইবিলাকৰ লাইচেঞ্চ নাই। গতিকে সেই ফাৰ্মাচিষ্ট বা ফাৰ্মাচি বিলাকৰ লাইচেঞ্চ বাতিল কৰিব নে?

**শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** অধ্যক্ষ, মহোদয়, অভিযোগ দিলে অভিযোগটো নিৰ্দিষ্ট হব লাগে অসমত ৭৬৫খন বাগিছা আছে, ক'ন বাগানৰ সাপ্তাহিক বজাৰত কোনে কি দৰব বিক্ৰী কৰিছে অনুসন্ধান কৰি উলিওৱাটো সম্ভৱ নহব কিন্তু সামগ্ৰিক ভাবে কৈছো যে ড্ৰাগচ ইন্সপেক্টৰ সকলক নিৰ্দেশ দিয়া হব। Drag Inspectors to look into the matter.

**বিষয় ঃ NREP আৰু RLEGP আঁচনিৰ ৰাস্তা, বিদ্যালয়।**

**শ্ৰীশ্বহীদুল ইছলামে সুধিছে ঃ**

*৪৫৩। মাননীয় গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) লাহৰিঘাট উন্নয়ন খণ্ডৰ মৈৰাবাৰী মৌজাৰ বৰ্তমানলৈকে NREP আৰু RLEGP আঁচনিৰ অধীনত কিমান ৰাস্তা, বিদ্যালয় কমিউনিটি হল সম্পূৰ্ণ হোৱা নাই জনাবনে?

(খ) উক্ত আচঁনিৰ অধীনত কোন কোন ৰাস্তা, বিদ্যালয় আৰু কমিউনিটি হল আদি মৈৰাবাৰী মৌজাত ১৯৮০ চনৰ পৰা বৰ্তমানলৈকে সম্পূৰ্ণ কাম হৈছে জনাবনে?

**শ্ৰীচন্দ্ৰ আৰান্ধৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) উত্তৰ দিছে ঃ**

(ক) লাহৰিঘাট উন্নয়ন খণ্ডৰ মৈৰাবাৰী মৌজাৰ এন আৰ ই পি আৰু আৰ এল ই জি পি আঁচনিৰ অধীনত সৰ্বমূঠ ২টা ৰাস্তা, ৪টা স্কুল ঘৰ আৰু ১টা সমূহীয়া ভৱন নিৰ্মানৰ কাম সম্পূৰ্ণ হৈ আছে।

---

*/ Speech not corrected

(খ) মৈৰাবাৰী মৌজাত অদ্য সমাপ্ত আঁচনি সমূহৰ বিৱৰণ একাদিক্ৰমে তলত দিয়া হ'ল ঃ

(১) চহৰীয়া পাম গাওঁৰ পৰা গুনাইবৰী লৈ যোৱা পথ, ১৯৮১-৮২ চনৰ।

(২) দলৈ গাওঁ ধুমকুৰা গড়কাপ্তানি পথৰ পৰা মৈৰাবাৰী মছজিদহৈ দলৈ গাওঁ ধুমকুৰা পথ। ১৯৮৪-৮৫ চনৰ।

(৩) থিং ভুৰাগাওঁ গড়কাপ্তানি পথৰ পৰা ১নং গায়ন গাওঁলৈ যোৱা পথ (১ম খণ্ড)। ১৯৮৪-৮৫চনৰ।

(৪) থিং ভুৰাগাওঁ গড়কাপ্তানি পথৰ পৰা ১নং গায়ন গাওঁলৈ যোৱা পথ (২য় খণ্ড)। ১৯৮৬-৮৭ চনৰ।

(৫) লোচানবৰী পথ। ১৯৮৭-৮৮ চনৰ।

**শ্ৰীশ্বহিদুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জানেনে মৈৰাবাৰী অঞ্চলত দিয়া চিমেণ্ট কাম নোহোৱাৰ কাৰণে গোট মাৰি লাড়ু হৈ গৈছে। আৰু যদি জানে এই সম্পৰ্কত অতি সোনকালে বিহিতি ব্যৱস্থা লবনে? আৰু দ্বিতীয় কথা হ'ল বৰবৰী এল-পি স্কুল বুলি এখন স্কুল তালিকাত আছে যদিও আচলতে স্কুল ঘৰ নিৰ্মাণ হোৱা নাই। আগৰ খেৰৰ ঘৰেই আছে। এইটো লাহৰিঘাট খণ্ড উন্নয়ণৰ মৈৰাবাৰী মৌজাৰ স্কুল। এই সম্পৰ্কত মন্ত্ৰী মহোদয়ে তত্কালে বিহিত ব্যৱস্থা লবনে?

**শ্ৰীচন্দ্ৰ আৰান্ধৰা (পঞ্চায়ত মন্ত্ৰী) ঃ** মাননীয় সদস্য গৰাকীয়ে উপস্থাপন কৰা দুয়োটায়েই গুৰুত্বপূৰ্ণ কথা। যদি টকা পইচা দিয়াৰ পিচতো কাম হোৱা নাই আৰু চিমেণ্ট গোট মাৰি গৈছে সেইটো নিশ্চয় ব্যৱস্থা লব লাগিব।

**বিষয় ঃ খৰাংপীড়িত অঞ্চলৰ বাবে টকা।**

শ্ৰীমহেন্দ্ৰ মোহন ৰায় চৌধুৰীয়ে সুধিছে ঃ

*৪৫৪। মাননীয় গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৮৬-৮৭ চনত খৰাংপীড়িত অঞ্চলৰ বাবে দমগাওঁ শিয়ালমাৰী খণ্ড উন্নয়ন কাৰ্য্যালয়ৰ নামত কিমান টকা দিয়া হৈছিল?

(খ) গাওঁ শিয়ালমাৰী খণ্ড উন্নয়ন কাৰ্য্যালয়ৰ অন্তৰ্গত "দুলিয়াপাৰা

---

***/ Speech not corrected**

ৰাস্তাৰ নামত কিমান টকা দিয়া হৈছিল?

(গ) উক্ত ৰাস্তাত কাম কৰা শ্ৰমিক সকলে মজুৰী (দিন মজুৰী) পালেনে?

**শ্ৰীচন্দ্ৰ আৰন্ধৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ১৯৮৬-৮৭ চনত খৰাংপীড়িত অঞ্চলৰ বাবে দলগাওঁ শিয়ালমাৰী খণ্ড উন্নয়ন কাৰ্য্যালৰ নামত টকা ২.৩৭ লাখ দিয়া হৈছিল।

(খ) দুলিয়াপাৰা ৰাস্তাৰ নামত ৫০,০০০,০০ পঞ্চাশ হাজাৰ টকা দিয়া হৈছিল।

(গ) প্ৰাক্‌কলন অনুযায়ী ২ কিঃ মিঃ কাম কৰা শ্ৰমিসকলে মজুৰী পাইছে।

**শ্ৰীনলীমনি দাস ঃ** অধ্যক্ষ মহোদয়, দলগাওঁ খণ্ড উন্নয়ণ কাৰ্য্যালয়ৰ অধীনত হাতত লোৱা ৰাস্তাৰ কাম আৰু অন্যান্য কামৰ কাৰণে যি প্ৰাক্‌কলন দিছিল সেইমতে টকা দিয়া নাই আৰু যিমান খিনি কাম হৈছে তাৰ বিপৰীতে কম টকা দিয়াৰ কাৰণে শ্ৰমিক সকলৰ দিন মজুৰীৰ টকা পোৱাৰ পৰাও বঞ্চিত হৈ আছে এইটো মন্ত্ৰী মহোদয়ে জানেনে? আৰু যদি জনা নাই শীঘ্ৰে তদন্ত কৰি বিষয়টোৰ ওপৰত যথাবিহিত ব্যৱস্থা লবনে?

**শ্ৰীচন্দ্ৰ আৰান্ধৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, যদি শ্ৰমিক সকলে শ্ৰমদানৰ পিচতো মজুৰী পোৱা নাই এইটো কথা চাব লাগিব।

**বিষয় ঃ মেলেৰীয়া ৰোগীৰ সংখ্যা।**

**শ্ৰীনীলমনি দাসে সুধিছে ঃ**

*৪৫৫। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) যোৱা তিনি বছৰত বছৰ হিচাবে মেলেৰীয়া ৰোগীৰ সংখ্যা ৰাজ্যখনত কিমান? (Approximate Number)

(খ) ওপৰোক্ত সংখ্যাগত হিচাপে মেলেৰীয়া ৰোগৰ প্ৰকোপ আগৰ কেইবছৰতকৈ বৃদ্ধিৰ পোৱা সূচায় নেকি?

(গ) যদি সূচায় তেন্তে এসময়ত প্ৰায় কাৰ্য্যকৰী হোৱা মেলেৰীয়া ৰোগৰ নিমূল আচঁনি খন থকা স্বত্বেও আপেক্ষিক ভাৱে যোৱা

কেইবছৰত মেলেৰীয়া ৰোগৰ বৃদ্ধিৰ কাৰণ কি বুলি ভাৱে?

(ঘ) মেলেৰীয়া ৰোগৰ প্ৰাদুৰ্ভাব হ্ৰাস কৰিব পৰাকৈ অধিক কাৰ্য্যক্ষম ব্যৱস্থা লোৱাৰ ব্যৱস্থা কৰিবনে?

**শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (স্বাস্থ্য মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) যোৱা তিনি বছৰতবছৰ হিচাপত ৰাজ্যখনত মেলেৰীয়া ৰোগীৰ সংখ্যা এনে ধৰণৰ ঃ

১৯৮৫ চনত - ৬১,৯৭৮ জন।

১৯৮৬ চনত - ১,১৩,১৩৫ জন।

১৯৮৭ চনত - প্ৰায় ৬২,৩৮৩ জন।

(খ) হয়।

(গ) মেলেৰীয়া নিয়ন্ত্ৰন আচনিখন যদিও অসমত সাফল্যৰে চলি আছে, তথাপি অসমৰ হাবিতলীয়া পাহাৰৰ দাতিকাষৰীয়া আৰু ভূটানৰ সীমান্তবৰ্তী মেলেৰীয়া অধ্যূষিত অঞ্চলত মেলেৰীয়া ৰোগৰ প্ৰকোপ বেছি হোৱাত আপেক্ষিক ভাবে ৰোগৰ প্ৰাদুৰ্ভাব বৃদ্ধি পায়। কাৰণ -

(১) যোৱা কেইবছৰ মানৰ আগৰে পৰা নাগালেণ্ডৰ সীমান্তবৰ্তী পাহাৰৰ দাতিকাষৰীয়া অঞ্চলৰ পৰা কিছু ভগনীয়া আহি অসম ভূটানৰ সীমান্তবৰ্তী হাবিতলীয়া পাহাৰৰ দাতিকাষৰীয়া আৰু সংৰক্ষিত বনাঞ্চলত থিতাপি লয় আৰু উক্তজন সংখ্যাৰ ১৯৮৭ চনৰ আগলৈকে চাৰ্ভেলেঞ্চত (Surveillance) অন্তভুক্ত হোৱা নাছিল। ফলত উক্ত-জনসংখ্যাৰ মাজত হৈ থকা মেলেৰীয়া ৰোগ ধৰা পৰা নাছিল। তাৰ ফলত হঠাতে মেলেৰীয়াই উক্ত অঞ্চল সমূহত মহামাৰী ৰূপ ধাৰণ কৰে।

(২) ১৯৮৬ চনত আৱশ্যক পৰিমাণৰ কীটনাশক ঔষধ ডি, ডি, টিৰ নাটনি হৈছিল যদিও কাষৰীয়া ৰাজ্য যেনে মেঘালয়, নাগালেণ্ড আদিৰ পৰা ডি, ডি, টি অনা হৈছিল।

(৩ ১৯৮৭ চনৰ আগলৈকে অসম, ভূটান, সীমান্তবৰ্তী অঞ্চলত সমান্তৰাল ভাবে এনে সময়তে ডি, ডি, টি স্প্ৰে হোৱা নাছিল।

(৪) বহুমূখী স্বাস্থ্য আচঁনি কাৰ্য্যকৰী হোৱাৰ পাছত মেলেৰীয়া নিয়ন্ত্ৰণৰ জৰীপ কাম অন্য বিভাগৰ স্বাস্থ্য কৰ্মীয়ে কৰিবলৈ অমান্তি প্ৰকাশ কৰিছিল।

(ঘ) যত্ন কৰা হৈছে।

* **শ্ৰীদুৰ্গাদাস বড়ো ঃ** মাননীয় অধ্যক্ষ মহোদয়, স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াই উত্তৰত কৈছে যে ভূটানৰ সমীপবৰ্তী অঞ্চল সমূহত মেলেৰীয়াৰ প্ৰাৰ্দুভাৱ বেছি। চাপাগুৰি, পাণেৰী, মাজবাট, ওদালগুৰি এই সমষ্ট এলেকা মেলেৰীয়া জোন বুলি চিহ্নিত হৈ আছে জিলা স্বাস্থ্য বিষয়াৰ অফিচত থকা মেপত। কিন্তু কথা হৈছে মেলেৰীয়া চিহ্নিত জোন হলেও হস্পিটাল ক'ত কেইখন আছে সেইটো দুখলগা কিয়নো এই অঞ্চলত হস্পিটালৰ সংখ্যা আটাইতকৈ কম। গতিকে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো মেলেৰিয়া অধ্যুষিত অঞ্চলত কোনো ৰাজনৈতিক সিদ্ধান্ত আগত নাৰাখি মেলেৰিয়া দূৰীকৰণৰ কাৰণেই হওক বা বিভিন্ন বেমাৰ দূৰীকৰণৰ কাৰণেই হওক পৰিসংখ্যা আগত ৰাখি হস্পিটাল সজাৰ ব্যৱস্থা লব লাগে।

* **শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (স্বাস্থ্য মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, এইটো বিবেচনা কৰি চোৱা হব।

* **শ্ৰীআব্দুল জব্বৰ ঃ** অধ্যক্ষ মহোদয়, এইটো ৰাজনৈতিক সিদ্ধান্ত লোৱা হব নেকি জানিব বিচাৰিছো।

* **শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (স্বাস্থ্য মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, ৰাজনৈতিক সিদ্ধান্ত লোৱা নহয়।

* **শ্ৰীনীল মনি দাস ঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াৰ উত্তৰ প্ৰসঙ্গত এইটো কথা প্ৰকাশ পাইছে যে মেলেৰীয়া ৰোগৰ প্ৰকোপ বাঢ়িছে। মেলেৰীয়া ৰোগত লগত মহৰ পুণগত সম্পৰ্ক আছে। পাহাৰৰ দাঁতি কাষৰীয়া অঞ্চল নালাগে যদি আমাৰ দিশপুৰ এলেকাৰ যোৱা তিনি বছৰৰ অভিজ্ঞতা বিধায়ক সকলে বিচাৰ কৰি চায় তেতিয়া হলে দেখিবলৈ পাব যে ইয়াতো মহৰ সংখ্যা বাঢ়িছে আৰু বিধায়ক সকলৰ আবাসতো মহে আক্ৰমণ চলাইছে। মহ বঢ়াৰ লগে লগে আঠুৱাৰ

---

***/ Speech not corrected**

ভিতৰত কেনেকৈ সোমাব পাৰে সেইটোও জনা হৈছে। ডি. ডি. টি.ৰ পৰা কেনেকৈ আত্মৰক্ষা কৰিব পাৰে সেইটোও জনা হৈছে। সেই পৰিপ্ৰেক্ষিতত মহ কমোৱা বা ভাল ধৰণে কণ্ট্ৰল কৰিবলৈ কাৰ্য্য পন্থা গ্ৰহণ কৰিবলৈ মন্ত্ৰী মহোদয়ে সেই বিভাগটো আৰু এই আঁচনি খন সক্ৰিয় কৰি তোলাত গুৰুত্ব দিবনে?

*** শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (স্বাস্থ্য মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, আমি গুৱাহাটীত ডি-ডি-টি আদি দিবলৈ গুৱাহাটী মিউনিচিপাল কৰপোৰেশ্বনৰ লগত সামঞ্জস্য ৰাখিহে কৰিব পাৰো। তাৰোপৰি ডি-ডি-টি ছটিওৱাতো বিজ্ঞান সন্মত নহয় বুলিও বৈজ্ঞানিক সকলে কয়। তথাপিও আমাৰ দুখীয়া দেশ কাৰণে অন্য ব্যৱস্থা কৰিব নোৱাৰে কাৰণে ডি-ডি-টি আৰু মেলাথিন আদি ব্যৱহাৰ কৰে। গুৱাহাটীত মাইক লৈ ফগিং আদিও কৰি থকা হৈছে। বিধায়ক আবাসৰ ফালে হৈছে নে নাই নাজানো কিন্তু স্বাস্থ্য মন্ত্ৰীৰ ঘৰৰ আগেদি তিনি চাৰি বাৰ গাড়ীখন ফগিং কৰি যায়। যদি বিধায়ক হোষ্টেলৰ ফালে যোৱা নাই তেনেহলে কৈ দিয়া মোৰ ঘৰৰ সমুখেদি যোৱা হলে দেখিবলৈ পাওঁ।

**বিষয় ঃ কেন্দ্ৰীয় গোদামৰ M.S. Road.**

**শ্ৰীগণেশ কুটুমে সুধিছে ঃ**

* ৪৫৬। মাননীয় গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ১৯৮৭ চনৰ ৪ মাৰ্চ তাৰিখে গুৱাহাটীৰ কেন্দ্ৰীয় গোদামৰ পৰা ১৩৪২০ কিঃ গ্ৰাঃ ওজনৰ ১০ মিঃ মিঃ M.S. Rod এখন ট্ৰাকেৰে শোণিতপুৰ জিলা গ্ৰামোন্নয়ন সংস্থালৈ (তেজপুৰ) প্ৰেৰণ কৰি ৭মাৰ্চ/৮৭ তাৰিখে পুণৰ গুৱাহাটীলৈ উলটাই পঠোৱা সম্পৰ্কে চৰকাৰ অবগতনে?

(খ) যোৱা ১৯৮৬-৮৭ আৰু ১৯৮৭-৮৮ চনৰ বাবে গ্ৰামোন্নয়ন বিভাগে কি কি মাফৰ টিনপাতৰ যোগান ধৰিছিল অনুগ্ৰহ কৰি জনাবনে?

**শ্ৰীচন্দ্ৰ আৰান্ধৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

---

***/ Speech not corrected**

(ক) যোৱা ১৯৮৭ চনৰ ৪ মাৰ্চ তাৰিখে গুৱাহাটীৰ কেন্দ্ৰীয় গুদামৰ পৰা ১৩৪২০- কিঃ গ্ৰাঃ ওজনৰ ১০ মিঃ মিঃ এমঃ এচঃ ৰডঃ এখন ট্ৰাকেৰে শোণিতপুৰ জিলা গ্ৰামোন্নয়ন সংস্থালৈ (তেজপুৰ) প্ৰেৰণ কৰি ৭মাৰ্চ/৮৮ তাৰিখে পুণৰ গুৱাহাটীলৈ উল্টাই পঠোৱা সম্পৰ্কে চৰকাৰ অৱগত।

(খ) যোৱা ১৯৮৬-৮৭ আৰু ১৯৮৭-৮৮ চনৰ বাবে গ্ৰামোন্নয়ন বিভাগে Annexure -I ত উল্লেখ কৰামতে শোণিতপুৰ জিলা গ্ৰামোন্নয়ন সংস্থালৈ টিনপাতৰ যোগান ধৰিছে। ১০' আৰু ৮' মাফৰ টিনপাট যোগান ধৰা হৈছে। (See at Annexure - III)

* শ্ৰীগনেশ কুটুম ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো বৰ গুৰুত্বপূৰ্ণ বিষয় যে এই সময় চোৱাত যি সময়ত গুৱাহাটী চেণ্ট্ৰেল ষ্টোৰৰ পৰা তেজপুৰলৈ এখন ট্ৰাকেৰে এম, এচ ৰড লৈ যায় সেই সময়ত মাৰ্চ মাহত বাজেট অধিবেশন দিশপুৰত চলি আছে আৰু সেই সময়ত মাননীয় মন্ত্ৰী গৰাকীয়ে সদনত জনাইছিল যে উন্নত মানদণ্ড ৰক্ষা কৰিবৰ কাৰণে চেণ্ট্ৰেলী পাৰচেজ কৰি গুৱাহাটী চেণ্ট্ৰেল ষ্টোৰৰ পৰা বিভিন্ন জিলা বিলাকলৈ ৰড আৰু টি, আই, চিট যোগান ধৰাৰ ব্যৱস্থা কৰা হব। সেই একে সময়তে বিভাগৰ মন্ত্ৰী গৰাকীয়ে সদনত এই কথাটো ঘোষণা কৰি থকা কালছোৱাত এই এম, এচ ৰড যোগান ধৰা সম্পৰ্কত মই বিভাগীয় বিষয়াৰ এখন চিঠি পঢ়ি দিছো। I suspect, these rods are manufactured at Gauhati from scrap iron which cannot be used in public construction. এনেধৰণৰ সামগ্ৰী কেনেকৈ জিলা বিলাকলৈ গ'ল। ভাগ্যক্ৰমে এখন ট্ৰাক ধৰা পৰিছে। কিন্তু মই মাননীয় মন্ত্ৰী গৰাকীক সুধিব বিচাৰিছো এনেকুৱা ধৰণৰ কিমান ৰড গ্ৰামোন্নয়ন বিভাগলৈ যোগান ধৰা হৈছে আৰু তেজপুৰৰ পৰা ঘুৰি অহা ট্ৰাক খনত থকা এই এম, এচ, ৰড কোনজন বিষয়াই চুপাৰভিজিয়ন কৰি কিনিছিল আৰু ঘুৰি অহাৰ পাচত সেই ৰড বিলাক ক'ত থোৱা হ'ল আৰু তাৰ দ্বাৰা চৰকাৰী ৰাজহুৱা ধনৰ কিমান অপচয় হ'ল এই সম্পৰ্কত জনাব লাগে।

---

***/ Speech not corrected**

**শ্ৰীচন্দ্ৰ আৰাস্কৰা (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ১০ এম, এম ডায়ে এমঃ এচঃ ৰড এমঃ এচঃ শইকীয়া আৰু কোম্পানী দিশপুৰৰ জৰিয়তে সঞ্চালকালয়ৰ পৰা দিয়া আদেশৰ (অৰ্ডাৰ) পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় গোদামৰ পৰা যোগান ধৰা হৈছিল আৰু ৪-৩-৮৭ তাৰিখত সেইদিনাই শোণিতপুৰ গ্ৰামোন্নয়ন বিভাগলৈ পঠিওৱা হৈছিল। শোণিতপুৰ গ্ৰামোন্নয়ন সংস্থাই এই ৰডবোৰৰ গুণ সম্পৰ্কত এনেয়ে ওপৰে ওপৰে পৰীক্ষা কৰি সন্দেহ প্ৰকাশ কৰাৰ কাৰণে আমাৰ হেড কোৱাৰ্টাৰৰ পৰা উপ-সঞ্চালকক(কাৰিকৰী) অনুসন্ধান কৰিবৰ বাবে তেজপুৰলৈ যাবলৈ কোৱা হৈছিল। উপ-সঞ্চালকক(কাৰিকৰী) ৭-৩-৮৭ তাৰিখে তেজপুৰলৈ পৰীক্ষা কৰাৰ অৰ্থে যায়। তেওঁ (উপ-সঞ্চালকক, কাৰিকৰী) ৰডবোৰ ওপৰে ওপৰে চোৱাত পুণৰ সংক্ৰান্ত সন্দেহ হয়। যিহেতু আটাইবোৰ ৰডৰ গুণ সম্পৰ্কত ভালকৈ পৰীক্ষা কৰাৰ প্ৰয়োজন হয়, আৰু অকলে এজনৰ (উপ-সঞ্চালক, কাৰিকৰী) মন্তব্যৰ ওপৰত গুণাগুণৰ সত্যতা নিৰ্ভৰ কৰিব নোৱাৰি, সেয়েহে ৰডবোৰ ভালকৈ পৰীক্ষা কৰিবৰ বাবে গুৱাহাটীলৈ ওভোটাই পঠিওৱা হয়। উপ-সঞ্চালকে (কাৰিকৰী) ৭-৩-৮৭ তাৰিখত কিছু সংখ্যক ৰড পৰীক্ষা কৰোতে ৰডৰ পৰা ভাজ দিওতে কিছু আহঁওলোৱা দেখিবলৈ পাইছিল। যিহেতু শোণিতপুৰ জিলাৰ গ্ৰামোন্নয়ন সংস্থাৰ পৰা এই বিষয়ে আপত্তি উঠিল, গতিকে এই ৰডবোৰৰ শুদ্ধ গুণাগুণ ভালকৈ পৰীক্ষা কৰাৰ অৰ্থে গুৱাহাটীলৈ প্ৰেৰণ কৰা হ'ল। এই ৰডবোৰৰ গুৱাহাটীলৈ অহাৰ পাচত পৰীক্ষা কৰা হ'ল আৰু পৰীক্ষাৰ পাছত দেখা গ'ল যে ৰডবোৰ সম্পূৰ্ণভাবে ক্ৰুটিমুক্ত নহয়। এনেয়ে ভাজ দিওতে কেতিয়াবা আঁহ ওলাব পাৰে, কিন্তু যিহেতু ই মাইণ্ড স্টীল ভাজ দিয়াৰ লগে লগে টুকুৰা হৈ ভাগি যাব লাগিছিল, কিন্তু গুৱাহাটীলৈ আনি পৰীক্ষা কৰাৰ পাছত দেখা গ'ল যে মাইল্ড ষ্টীলৰ যি গুণ থাকিব লাগে সেইবোৰ গুণ শতকৰা ৯৯ ভাগেই আছে। গতিকে এই পঠিওৱা ৰডবোৰ আসোৱাহযুক্ত বুলি কব নোৱাৰি। সাধাৰণতে এইবোৰ কামৰ ক্ষেত্ৰত (এচাম টাইপ বিল্ডিং) এনেকুৱা ৰড কাৰিকৰী দিশৰ পৰা সম্পূৰ্ণভাবে উপযুক্ত বুলি গণ্য কৰা হয়। বৰ্তমান ৰডবিলাক আৱদ্ধ হৈ গুদামত পৰি আছে। টি, এমচ্ ভিজিলেন্চ চেলে এই ৰডবোৰ জব্দ কৰি থৈছে।

**শ্ৰীগনেশ কুটুম ঃ** মাননীয় অধ্য মহোদয়, এইটো এটা গুৰুত্বপূৰ্ণ অভিযোগ। কাৰণ এইটো সম্পৰ্কত তেখেতে কৈছে যে গুৱাহাটীত পৰীক্ষা কৰা হৈছে। কিন্তু গুৱাহাটীত কিনি তেজপুৰলৈ পঠিওৱা হ'ল আৰু গুৱাহাটীতেই পৰীক্ষা কৰা হ'ল। এই সম্পৰ্কত তেজপুৰৰ টেকনিকেল এক্সপাৰ্টে লিখা এই কথাখিনি মই পঢ়ি দিছো। The rods were inspected to-day and found to be defective. The rods are deformed in rolling and scratches are noticed in many pieces. While bending the rods cracks and fibres came out. There may be few pieces of rods which have no defect. But it is not possible to sort out the defective ones from the entire lot of materials.

I suspect, these rods are manufactured at Gauhati from scrap iron which cannot be used in public construction.

গতিকে এনেধৰণে ৰড পাৰ্চেজ কৰাৰ কথা নাছিল। সদনত মন্ত্ৰীমহোদয়ে ঘোষণা কৰিছিল যে চেণ্ট্ৰলী পাৰ্চেজ কৰি উন্নত মানদণ্ডৰ এই সামগ্ৰী বিলাক যোগান ধৰা হ'ব। কিন্তু তেনে সময়তেই গুৱাহাটীৰ পৰা এই নিম্ন মানদণ্ডৰ ৰড কেনেকৈ পাৰ্চেজ কৰি তেজপুৰলৈ পঠিয়ালে? এইক্ষেত্ৰত তেখেতে সদনক ভুলপথে পৰিচালিত কৰা নাইনে?

***শ্ৰীচন্দ্ৰ আৱান্ধৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, শোণিতপুৰ জিলাৰ বাহিৰে অসমৰ বাকী জিলা বিলাকৰ পৰা এই বিষয়ে কোনো ধৰণৰ আপত্তি পোৱা নাই। যিহেতু আপত্তি আহিছে সেই আপত্তিৰ ক্ষেত্ৰত মই ইতিমধ্যেই কৈছো যে মুখ্যমন্ত্ৰীৰ ভিজিলেন্চ চেলৰ পৰা এই ৰড খিনি জব্দ কৰা হৈছে।

**Mr. Speaker :** (When Shri Durga Das Boro and some other members rose to put supplementaries), Order, order. No further supplementry. Next Question.

---

***/ Speech not corrected**

Starred Question 457 & 458 were not called for. However written replies deemed to have been laid on the Table as follows.

**Re : No fund released for road project.**

**Shri Karnendu Bhattacharjee asked.**

*457. Will the Minister, Rural Development be pleased to state :

(a) Whether it is a fact that no fund has been released for the road project under N.R.E.P., 1987-88 by the D.R.D.A., Karimganj after receiving the 1st instalment of fund from Director, Rural Development for N.R.E.P. work, 1987-88 ?

(b) Is it a fact that 20% of fund had been released by the D.R.D.A. Karimganj for the few selective road project under N.R.E.P. 1987-88 only after receiving the 2nd instalment of fund received from Director, Rural Development during the fag end of the year 1987-88 through the D.R.D.A. governing body Karimganj approved the projects in November, 1987?

(c) Amount released for the N.R.E.P. work 1987-88 and the amount at the hands of D.R.D.A Karimganj for 1987-88 (N.R.E.P) ?

**Shri Chandra Arandhara (Minister, Rural Development) replied :**

(a) Yes Sir.

(b) Yes Sir.

(c) Amount released by D.R.D.A., Karimganj to Blocks for N.R.E.P work for 1987-88 was as

below :

(1) Social Forestry. — Rs. 4.22 lakhs

(2) Road Projects — Rs. 2.00 lakhs

Rs. 6.22 lakhs

and a balance amount of Rs. 9.22 lakhs is in hand with D.R.D.A., Karimganj for N.R.E.P., 1987-88.

**বিষয় ঃ গাওঁ পঞ্চায়তৰ সম্পাদকৰ চাকৰী।**

**মকবুল হুছেইনে সুধিছে ঃ**

*৪৫৮ । মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে জনাবনে ?

(ক) মাননীয় পঞ্চায়ত সম্পাদক সকলৰ চাকৰী চৰকাৰী কৰন কৰা হৈছে নেকি ?

(খ) যদি কৰা হৈছে তেন্তে কোন তাৰিখৰ পৰা কাৰ্য্যকৰী কৰা হ'ব ?

(গ) গাওঁ পঞ্চায়তৰ সম্পাদকৰ বাহিৰে অইন কৰ্মচাৰী সকলৰ চাকৰী চৰকাৰী কৰন কৰা হ'বনে ?

(ঘ) যদি হয় তেন্তে কেতিয়াৰ পৰা কৰা হ'ব ?

**শ্ৰীচন্দ্ৰ আৰান্ধৰা, (পঞ্চায়ত আৰু গ্ৰাম্য উন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে।**

(ক) হোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) যিহেতু এই সকল কৰ্মচাৰী স্বায়ত্ব শাসিত পঞ্চায়ত ৰাজ প্ৰতিস্থানৰ এক্তিয়াৰভূক্ত , চৰকাৰী কৰনৰ কোনো সিদ্ধান্ত চৰকাৰে এতিয়াওঁ লোৱা নাই।

(ঘ) প্ৰশ্ন নুঠে।

**(Starred Question No. 459 was not called for.)**

**বিষয় ঃ কুকুৰা ফাৰ্ম নিৰ্মাণ ।**

**শ্ৰী জগত হাজৰিকাই সুধিছে ঃ**

*৪৬০ । মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) লক্ষীমপুৰ জিলাত কুকুৰা ফাৰ্ম Poultry Farm নিৰ্মাণৰ বাবে Gov-

ernment under VET. 48/65/15, dated 29th January, 1965 communicated vide Memo No. A5/110/50091-191 of 17th October, 1973 by the Director of Veterinary and Animal Husbandaryৰ মতে ব্যৱস্থা গ্ৰহণ কৰা হলনে?

(খ) যদি হ'ল ক'ত হ'ল জনাবনে?

(ঘ) যদি হোৱা নাই কিয় নহ'হল?

**শ্ৰীনগেন শৰ্মা (পশুপালন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) আৰিভক্ত উত্তৰ লক্ষীমপুৰ জিলাৰ খনিকৰত (বৰ্তমান ডিব্ৰুগড় জিলা) স্থাপন কৰা হৈছে।

(খ) বৰ্তমান ডিব্ৰুগড় জিলাৰ খনিকৰত পামখন স্থাপন কৰা হ'ল।

(গ) প্ৰশ্ন নুঠে।

* **শ্ৰীজগত হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১৯৭৩ চনৰ ১৭ অক্টোবৰৰ চিঠিৰ ওপৰত উত্তৰ লক্ষীমপুৰৰ খণ্ড উন্নয়ণ বিষয়াই ১০ বিঘা মাটি আছুতিয়াকৈ ৰাখি থৈছে, এই কথাটো মন্ত্ৰী মহোদয়ে জানেনে?

* **শ্ৰীনগেন শৰ্মা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো ১৯৬৫ চনৰ কথা । সেই সময়ত লক্ষিমপুৰ জিলা খন ডিব্ৰুগড়ৰ লগত অবিভক্ত হৈ আছিল আৰু তেতিয়া লক্ষীমপুৰ জিলা সৃষ্টি হোৱা নাছিল। অৱশ্যে লক্ষীমপুৰ অঞ্চলৰ এটুকুৰা ঠাই চোৱা হৈছিল কিন্তু সেই ঠাই টুকুৰা কাৰিকৰী দিশৰ পৰা উপযুক্ত নোহোৱাৰ কাৰণে তাত স্থাপন কৰিব পৰা নাই।

* **শ্ৰীজগত হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, সেইমাটি টুকুৰা এতিয়াও সংৰক্ষন হৈ আছে। যিহেতু মন্ত্ৰী মহোদয়ে কৈছে যে সেই সময়ত যিহেতু কাৰিকৰী দিশত উপযুক্ত নোহোৱাৰ কাৰণে তাত নাপাতি ডিব্ৰুগড়ত খনিকৰত কুকুৰা ফাৰ্মখন পাতিলে। এতিয়া যিহেতু মাটি খিনি সংৰক্ষন হৈ আছে তেনে ক্ষেত্ৰত লক্ষীমপুৰত এখন ফাৰ্ম খোলাৰ ব্যৱস্থা কৰিবনে?

* **শ্ৰীনগেন শৰ্মা (মন্ত্ৰী) ঃ** অৱশ্যে তাত এখন কুকৰা ফাৰ্ম খুলিব পাৰি যদি সেই মাটি টুকুৰা কাৰিকৰী দিশত উপযুক্ত হয় কিন্তু এই কাৰিকৰী দিশৰ কথা মই কব নোৱাৰো। যদি সংৰক্ষিত ঠাই আছে তেতিয়াহলে তাত কিবা বেলেগ

---

***/ Speech not corrected**

আচঁনি লব পাৰি নেকি সেই বিষয়ে চিন্তা কৰা হৈছে।

**Re : Number of Fisheries at Goalpara**

**Shri Maziruddin Ahmed asked :**

* 461. Will the Minister, Fisheries be pleased to state:

(a) The number of fisheries under the management of State Government at Goalpara ?

(b) Annual expenditure incurred for the management of those fisheries annually ?

(c) Income derieved from those fisheries for the years 1985-86 and 1986-87 ?

(d) Quantity of fish made available from those fisheries 1985-86 and 1986-87?

(e) Is there any proposal to expand the fisheries at Goalpara?

(f) If so, please name the projects ?

**Shri Nagen Sarmah (Minister of Fisheries) replied :**

(a) one

(b) Rs. 72,957.95 during 1985-86 & Rs. 2,10,370.64 during 1986-87.

(c) Rs. 98,172.89 during 1985-86.
Rs. 1,80,800.00 during 1986-87.

(d) Records regarding quantity of fish sold from the fishery is not available as the fish is sold on auction without weighment and the lossess obtained 1/4th of the sale proceeds. However, in terms of value of fish sold in auction market for consumption of public is Rs. 3,92,509.15 during 1985-86. Rs. 7,23,200.00 during 1986-87.

(e) No

(f) Does not arise.

**শ্ৰীমজিৰুদ্দীন আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই যিখন ফিচাৰি লোৱা হৈছে বুলি কোৱা হৈছে এইখন কোন খন ফিচাৰী ?

**শ্ৰীনগেন শৰ্মা (মন্ত্ৰী) ঃ** ফিচাৰীখনৰ নামতো ইয়াত উল্লেখ নাই। পিচত দিব পাৰিম।

**শ্ৰীমজিৰুদ্দীন আহমেদ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, গোৱালপাৰা জিলাত চৰকাৰৰ অধীনত টেংক পুখুৰী ফিচাৰী ইত্যাদি আছে, এই পুখুৰী ফিচাৰী ইত্যাদিৰ মাছ অকশ্যনত বিক্ৰী কৰা হয়, ওজন হিচাবে বিক্ৰী কৰা নহয় কিয় ? ফিচাৰীৰ মাছ অকশ্যনত দিয়াৰ ব্যৱস্থা আছে কিন্তু পুখুৰীৰ মাছ কিয় ওজন কৰা নহয় ?

**শ্ৰীনগেন শৰ্মা (মন্ত্ৰী) ঃ** চৰকাৰৰ টেংক আৰু ফিচাৰীৰ মাজত দিফাৰেন্স আছে। গোৱালপাৰা জিলাত এখন ফিচাৰী চৰকাৰৰ অধীনত আছে।

**শ্ৰীমজিৰুদ্দীন আহমেদ ঃ** এইখন কোন খন ফিচাৰী ?

**শ্ৰীনগেন শৰ্মা (মন্ত্ৰী) ঃ** ইতিমধ্যে মই কৈছো, নামতো পিচত দিব পাৰিম।

**শ্ৰীমজিৰুদ্দীন আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৫-৮৬ চনত ৩,৯২,৫০১.১৫ টকা পাবলিক কনজাম্পশ্যনৰ কাৰণে বিক্ৰী হৈছে আৰু তাৰ পিচৰ বছৰত অৰ্থাত, ১৯৮৬-৮৭ চনত ৭,২৩,২০০.০০ টকাৰ মাছ বিক্ৰী হৈছে। এই ব্যৱধানটো এবছৰতে কিয় হব লগিয়া হ'ল ?

**শ্ৰীনগেন শৰ্মা (মন্ত্ৰী) ঃ** উৎপাদন বৃদ্ধিৰ ওপৰত নিৰ্ভৰ কৰে।

**শ্ৰীমজিৰুদ্দীন আহমেদ ঃ** এইটো ওজনত বিক্ৰী কৰিলে সকলো কথা ধৰা পৰিব। এইবিলাক কথা ৰাইজে গম নাপায়। এইবিলাক অফিচৰ কাগজত থাকে।

**শ্ৰীনগেন শৰ্মা (মন্ত্ৰী) ঃ** ইয়াত অকশ্যন কৰাৰ ব্যৱস্থাহে আছে,ওজনত বিক্ৰী নহয়।

## UNSTARRED QUESTIONS AND ANSWERS

**Re : Number of Registered Clubs.**

**Shri A.F. Golam Osmani asked :**

896. Will the Minister Panchayat be please to state :

(a) Names and Address of Registered Clubs/Associa -tions within the Ruposi Development Block?

(b) Who are the President/Chairman and Secretary of the Club ?

(c) The amount of financial or other assistance received

in the last 5 years ?

(Please furnish information in year wise breakup).

**Shri Chandra Arandhara (Minister of Panchayat and Rural Development) replied :**

a, b & c : A statement showing the names and address of Registered Club Associations within the Rupasi Dev. Block containing the names of President/ Chairman and Secretaries of these Clubs and Association is placed in the table of the House. The statement also contains, the information about the Associations which recieved financial assistance from Government. However, no fund was provided by the Panchayat & Rural Development Department. to the Clubs during the last 5 years. (See the statement at Annexure IV)

**Re : Number of registered clubs.**

**Shri Muktar Hussain asked :**

897. Will the Minister, Rural Development & Community Development be pleased to state :

(a) The number of registered clubs within the Chenga Development Block ? (Please furnish the list with the name of President and Secretary)

(b) The amount of financial or other assistance received in last 3 years ?

(Please furnish information in year-wise breakup).

**শ্ৰীচন্দ্ৰ আৰান্ধৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে**

(ক) আৰু (খ) পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ফালৰ পৰা ক্লাৱক সাহাৰ্য্য দিয়াৰ কোনো আঁচনি নাই। চেঙা উন্নয়ন খণ্ড এলেকাৰ ভিতৰত পঞ্জীকৃত ক্লাৱৰ তালিকা সংগ্ৰহ কৰিবলৈ ব্যৱস্থা লোৱা হৈছে। তালিকা পালেই সদনত দাখিল কৰা হব।

**বিষয় ঃ সুলভ মূল্যৰ বয় বস্তুৰ যোগান।**

**শ্ৰীইউছুফ আলী আহমেদে সুধিছে ঃ**

৮৯৮। মাননীয় যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান যোগান বিভাগৰ পৰা আবন্টন দিয়া সূলভ মূল্যৰ বয় বস্তু ভাৰতীয় খাদ্য নিগমৰ পৰা STATEFED কঢ়িয়াই সমবায় বিলাকত যোগান দি আছে নেকি?

(খ) যদি যোগান দি আছে তেনেহলে কি ভিত্তিত বা তাৰ বাবদ মাহে কিমান খৰচ সমবায় বিলাকে STATEFEDক দিব লাগে?

**শ্ৰীবিৰাজ কুমাৰ শৰ্মা (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে।**

(ক) কোনো ঠাইৰ সমবায় সমিতিয়ে আবণ্টন দিয়া সামগ্ৰী সমূহ উঠাবলৈ অপাৰগ হলে সেইবোৰ ক্ষেত্ৰত গ্ৰাহকৰ স্বাৰ্থত ষ্টেটফেডৰ জৰিয়তে ভাৰতীয় খাদ্য নিগমৰ ভড়ালৰ পৰা উক্ত আৱণ্টিত খাদ্য সামগ্ৰী উঠাই সূলভ মূল্যৰ দোকানত যোগান ধৰাৰ ব্যৱস্থা কৰা হয়।

(খ) ভাৰতীয় খাদ্য নিগমৰ বিক্ৰী মূল্যৰ ওপৰত শতকৰা ৩.১০%- লাভ পাইকাৰী হাৰত ষ্টেটফেডে (ক) বৰ্ণিত কাৰ্য্যৰ বাবে পায়।

**বিষয় ঃ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ ULTRA SOUND যন্ত্ৰ।**

**ডাঃ কমলা কলিতাই সুধিছে ঃ**

৮৯৯। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক)গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ হস্পিতালত কিমানটা ULTRA SOUND যন্ত্ৰ আছে?

(খ) ১৯৮৭-৮৮ চনত কিমানটা যন্ত্ৰ নতুনকৈ কিনা হৈছে আৰু এই যন্ত্ৰ কেইটা ক'ৰ পৰা কিমান দামত কিনা হৈছে?

**শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (স্বাস্থ্য বিভাগৰ মন্ত্ৰীয়ে) উত্তৰ দিছে ঃ**

(ক) গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হস্পিতালত বৰ্তমান এটা মাত্ৰ যন্ত্ৰ আছে।

(খ) ১৯৮৭-৮৮ চনত অসমৰ তিনিওখন চিকিৎসা মহাবিদ্যালয় কাৰণে ৩(তিনিটা) Multipurpose Ultra Sound Scanning Machine SONOLINE SL-2 আৰু ইয়াৰ লগত Optional Item সহ মুঠ ২৬,৫৪,৬৫৫.৫৭ (ছাব্বিছ লাখ চৌৱান্ন হাজাৰ ছয়শ পচপন্ন

টকা সাতাৱন পইচা)টকা দামত পশ্চিম জাৰ্মাণিৰ M/S Siemens A.G. কোম্পানীক যোগান ধৰিবলৈ কোৱা হৈছে।

**Re : SALINE OF HEALTH DEPTT.**

**Dr. Ardhendu Kumar Dey asked :**

900. Will the Minister, Health & F.W. be pleased to state :

(a) Whether the Government Saline Manufacturing Unit produces only Normal Saline or also the other I.V. Drips (Please name the other I.V. drips)

(b) Whether the Saline Manufacturing Unit is able to produce the total quantity demands for the State Health Deptt ?

(c) If not, then total amount costs for purchasing the I.V. drips from other farms ?

(d) The total amount incurred as an establishment charge monthly for the Government Saline Manufacturing Unit ?

**Shri Chandra Mohan Patowary (Minister of Health & F.W.) replied :**

(a) Transfusion Fluid Plant (Govt. Saline Manufacturing Unit) Produces Primarily normal Saline and also small quantities of Dextrose and Dextrose Injection.

(b) No.

(c) Total amount spent for purchasing I.V. drips for all the Health Institutions in Assam (including the Medical Colleges of Assam) during the year 1987-88 is Rs. 54.76 lakhs approximately.

(d) Rs. 68,000.00 only per month.
(Rs. sixtyeight thousand)

**বিষয় ঃ পশু চিকিৎসা কেন্দ্ৰৰ গৃহ নিৰ্মাণ।**

**শ্ৰীকিৰণ কুমাৰ গগৈয়ে সুধিছে ঃ**

৯০১। মাননীয় পশু পালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিব্ৰুগড় জিলাৰ মৰান সমষ্টিৰ অন্তৰ্গত ধেমেচী পশু চিকিৎসা কেন্দ্ৰৰ গৃহ নিৰ্মাণৰ কাম কিয় অসম্পূৰ্ণ হৈ আছে জনাবনে ?

(খ) গৃহটি সম্পূৰ্ণ কৰিবৰ বাবে চৰকাৰে ব্যৱস্থা হাতত লৈছে নেকি ?

(গ) যদি লৈছে কি ব্যৱস্থা হাতত লৈছে?

(ঘ) গৃহটিৰ কাম কেতিয়ালৈ সম্পূৰ্ণ হ'ব জনাবনে ?

**শ্ৰীনগনে শৰ্মা (পশুপালন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) প্ৰাকৃতিক দুৰ্য্যোগত যাতায়তৰ ব্যাঘাত হোৱাত ১৯৮০-৮১ চনত ঠিকাদাৰে নিৰ্মাণ কাৰ্য্য বন্ধ ৰাখে। ১৯৮৩ চনত কাম সম্পূৰ্ণ কৰিব পৰা হৈছিল যদিও গৃহ নিৰ্মাণসামগ্ৰীৰ মূল্য বেছি হোৱাত ঠিকাদাৰে বিভাগীয় জিলা কতৃপক্ষক যথেষ্ট তাগিদা দিয়া স্বত্বেও সামগ্ৰীৰ মূল্য বৃদ্ধিৰ অজুহাতত কাম সম্পূৰ্ণ নকৰিলে।

(খ) লোৱা হৈছে।

(গ) বৰ্তমান প্ৰচলিত গড়কাপ্তানী মূল্য সূচীৰ আধাৰত আধৰুৱা কামৰ প্ৰাক্কলন তৈয়াৰ কৰা হৈছে আৰু চলিত বছৰত আৱশ্যকীয় অতিৰিক্ত ধনৰ মঞ্জুৰী দিয়াৰ ব্যৱস্থা লোৱা হৈছে।

(ঘ) চলিত বিত্তীয় বছৰৰ ভিতৰত কাম সম্পূৰ্ণ কৰাৰ আশা কৰা হৈছে।

**Sub : Number of Panchayat Tanks.**

**Shri Ramendra De asked :**

902. Will the Minister, Panchayat be pleased to state :

(a) The total number of Panchayat tanks of drinking in Karimganj district ?

(b) Is there any provision of appointing care takers ?

(c) Whether it is a fact that the Panchayat authority of the district have been authorised to lease tank as fishery ?

(d) If so, how many tank have released in South Karimganj block under Karimganj district ?

**Shri Chandra Arandhara (Minister of Panchayat and Rural Development) replied :**

(a) 170 Nos.
(b) No.
(c) No.
(d) Does not arise.

**বিষয় ঃ ১নং ধাৰ ব্ৰহ্মপুত্ৰ ফিচাৰী।**

**শ্ৰীৰত্নেশ্বৰ সৰকাৰে সুধিছে ঃ**

৯০৩। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১ নং ধাৰ ব্ৰহ্মপুত্ৰ ফিচাৰীখন কোন জিলাৰ অন্তৰ্গত ?
(খ) ব্ৰহ্মপুত্ৰ ফিচাৰীবিলাকে জিলাৰ সীমা হিচাপে নিৰ্ধাৰণ কৰা নহয় নকি ?

**শ্ৰীনগেন শৰ্মা (মীন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ধুবুৰী আৰু গোৱালপাৰা দুয়োখন জিলাৰ অৰ্ন্তগত। অধিকাংশ গোৱালপাৰা জিলাত আৰু বাকী অংশ ধুবুৰী জিলাত পৰে।
(খ) ব্ৰহ্মপুত্ৰ ফিচাৰী বিলাকৰ সীমা জিলা ভিত্তিত কৰা হয়, যদিও জিলাসমূহ পুণৰ গঠন হোৱাৰ ফলত ইয়াৰ সীমা নিৰ্দ্ধাৰণ কৰাত কিছু অসুবিধা হৈছে।

**বিষয় ঃ চিকিৎসালয়ত ঔষধ যোগান।**

**শ্ৰীৰত্নেশ্বৰ সৰকাৰে সুধিছে ঃ**

৯০৪। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) চৰকাৰী চিকিৎসালয় বিলাকত কি কি ঔষধ যোগান ধৰা হয় ?
(খ) উক্ত ঔষধবোৰ চিকিৎসালয়ত ৰোগী সকলে বিনামূলীয়া ভাবে পায় নে ?

**শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (স্বাস্থ্য বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) অসম চৰকাৰৰ স্বাস্থ্য বিভাগৰ সঞ্চালকালয়ত অৱস্থিত ক্ৰয় পৰিষদৰ দ্বাৰা অনুমোদিত দৰবৰ তালিকাত থকা দৰব বিলাকৰ পৰা প্ৰয়োজন অনুসৰি ক্ৰয় কৰি স্বাস্থ্য সেৱাৰ সকলো অনুস্থান বিলাকত পূজি সাপেক্ষে যোগান ধৰা হয়।

ক্ৰয় পৰিষদৰ অনুমোদিত ঔষধৰতালিকা এখন লগত গাঠি দিয়া হ'ল।

(See the list at Annexure-V)

(খ) হয়।

**Re : Regarding Old Age Pension in Goalpara District.**

**Shri Maziruddin Ahmed asked :**

905. Will the Minister, Pension be pleased to state : Name of persons with address drawing old age pension in Goalpara District ?

(Please furnish information constituency wise stating the dates on which pension become effective respectively).

**Smti Rekha Rani Das Boro (Minister of State, Social Welfare) replied :**

District Social Welfare Officer, Goalpara has been instructed telegraphically to send the constituency wise list of persons granted old age pension.

**Re : Garomari - Kathalbari embankment.**

**Shri Maziruddin Ahmed asked.**

906. Will the Minister, Rural Development be pleased to state :

(a) What amount has been spent on the Garomari-Kathalbari embankement last year ?

(b) Whether there was allegation against the work done through contractor on the one hand and showing in the record about the work done by daily labour with inflated number ?

(c) Whether the Minister gave an assurance in the House for an enquiry in the matter ?

(d) Has the enquiry been done and if so with what result ?

(e) Has the work been started this year ? (Please give the date of starting)

**Shri Chandra Arandhara, (Minister, Rural Development) replied :**

(a) An amount of Rs. 3.20 lakhs was spent.
(b) & (c) as assured in the house the matter was enquired into.
(d) Yes Sir, Govt. has called for explanation of defaulting officers and on the basis of enquiry report appropriate action would be taken.
(e) Not yet started.

**Re : 200 bedded Hospital at Goalpara.**

**Shri Maziruddin Ahmed asked**

907. Will the Minister Health & F.W. be please to state:
(a) Whether establishment of 200 bedded Hospital at Goalpara is in the contamplation of the Govt ?
(b) If so, when it is going to be established ?

**Shri Chandra Mohan Patowary (Minister Health & F. W.) replied :**

(a) Yes.
(b) After construction of the building, for which administrative approval at an estimate cost of Rs. 2,89,44,700/- was accorded vide Govt. letter No. HLA. 965/87/20 dt. 18.11.87.

**Re : Dental Surgeon in Goalpara Civil Hospital.**

**Shri Maziruddin Ahmed asked :**

908. Will the Minister, Health & F.W. be pleased to state :
(a) Is it a fact that there is no Dental Surgeon in the Goalpara Civil Hospital for the last two years ?
(b) If so, will the Government appoint one such Dental immediately in the said Hospital ?

**Shri Chandra Mohan Patowary, (Minister of Health & F.W.) replied :**

(a) Yes, there is no Dental Surgeon for last 1 year 6 months in the Goalpara Civil Hospital.

(b) One Dental Surgeon has already been appointed and posted in the Goalpara Civil Hospital, who joined there on 11.3.88.

**Re : Damages of N.R.E.P. and R.L.E.G.P. Roads.**

**Shri Sheikh Abdul Hamid asked :**

909. Will the Minister, Panchayat and Rural Development be pleased to state :

(a) The nature of damages caused to the NREP and RLEGP roads under Mandia Development Block(Barpeta district) by the successive waves of flood in 1987 ?

(b) Whether any survey was made as to the total loss suffered and total amount required to repair those roads ?

(c) If so, the total amount that will be required to repair the damage ?

**Shri Chandra Arandhara (Minister, Panchayat & Rural Development) replied :**

(a) The nature of damages caused by the successive waves of flood in 1987 to the N.R.E.P. & R.L.E.G.P roads are as follows :

(i) Some portions of the roads were washed away.

(ii) Approaches of a few culverts had been damaged.

(iii) There are rain cuts and big pot holes in some roads.

(b) Yes, survey has been made and estimated that an amount of Rs. 2.17 lakhs for N.R.E.P. and Rs. 1.06 lakhs for R.L.E.G.P. roads will be required for repairing. Altogether 20 Nos. of N.R.E.P and 5 Nos. of R.L.E.G.P. roads have been damaged.

(c) Total of Rs. 3.23 lakhs will be required for repairing of the roads.

**Re : Schools constructed under N.R.E.P. and R.L.E.G.P.**

**Shri Abdul Muqtadir Choudhury asked.**

910. Will the Minister, Rural Development be pleased to state :

(a) How many schools under N.R.E.P & R.L.E.G.P. in South Karimganj Development Block within Karimganj district have been taken up for construction of building in 1985-86, 1986-87 and 1987-88 and how many of them have been completed ?

(b) Is it a fact that most of the schools taken up for construction of building under R.L.E.G.P. & N.R.E.P in 1986-87 in South Karimganj Block have not yet been started ?

**Shri Chandra Arandhara (Minister, Rural Development) replied :**

(a) Schools taken up for Construction Completed.

| | | | |
|---|---|---|---|
| NREP | — | 1985–86 — 7 | 2 |
| | | 1986–87 — 2 | Nil |
| | | 1987–88 — Nil | Nil |
| RLEGP | — | 1985–86 — Nil | Nil |
| | | 1986–87 — 2 | Nil |
| | | 1987–88 — Nil | Nil |

(b) Under 1986–87 NREP, out of 4 nos. of sanctioned schemes, works for 2 started and 2 nos. not yet started.
Under RLEGP 1986–87, against sanctioned schemes of 6 nos., works for 2 started and 4 not yet started.

বিষয় ঃ টুপামাৰীত PHC স্থাপন।

শ্ৰীগোপীনাথ দাসে সুধিছে ঃ

৯১১। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত টুপামাৰীত এটা PHC স্থাপন কৰাৰ বাবে চৰকাৰে সিদ্ধান্ত লোৱা কথাটো সচানে ?

(খ) যদি সচা তেন্তে উক্ত PHC টো স্থাপনৰ বাবে প্ৰশাসনীয় অনুমোদন দিয়া হৈছেনে ?

(গ) যদি প্ৰশাসনীয় অনুমোদন (administrative approval) দিয়া হোৱা নাই তেন্তে অতি সোনকালে অনুমোদন দিয়াৰ ব্যৱস্থা কৰিবনে ?

**শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (স্বাস্থ্য মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) সচা।

(খ) হোৱা নাই।

(গ) প্ৰাক্‌ক্‌লন প্ৰস্তুত কৰিবলৈ গড়কপ্তানী বিভাগক অনুৰোধ কৰা হৈছে। প্ৰাক্‌ক্‌লন পোৱাৰ পিছত ব্যৱস্থা লোৱা হব।

**বিষয় ঃ ৰাষ্টা মেৰামতিৰ বাবে অনুদান।**

**শ্ৰীনীলমণি দাসে সুধিছে ঃ**

৯১২। মাননীয় গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) গোলাঘাট জিলাৰ শামুকজান গাঁৱৰ ৰাস্তাৰ মেৰামতিৰ বাবদ অনুসূচীত জাতিৰ উপ-আঁচনিৰ ৭৫০০.০০ টকাৰ অনুদান মঞ্জুৰ হৈছিল নে ?

(খ) যদি হৈছিল, তেন্তে উক্ত কাৰ্য্যক্ষেত্ৰত ব্যৱস্থা লোৱা হৈছে নে ?

**শ্ৰীচন্দ্ৰ আৱান্ধৰা, (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) প্ৰাপ্ত তথ্য মতে গোলাঘাট পূৱ উন্নয়ন খণ্ডৰ বিষয়াই শামুকজান আলিৰ উন্নয়নৰ বাবে ৭৩০৪/- টকাৰ এটি আঁচনি যুগুতাইছে।

(খ) বৰ্তমানলৈকে কাম আৰম্ভ কৰা হোৱা নাই।

**বিষয় ঃ বালাৰ চৰত স্বাস্থ্য কেন্দ্ৰ।**

**শ্ৰীমক্‌বুল হুচেইনে সুধিছে ঃ**

৯১৩। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) জপেয়া পঞ্চায়তৰ অন্তৰ্গত বালাৰ চৰত এখন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ মঞ্জুৰী দিব নে ?

**শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (স্বাস্থ্য মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) বৰ্তমান কোনো প্ৰস্তাব নাই। তথাপি মুখ্য চিকিৎসা ও স্বাস্থ্য বিষয়াক উক্ত ঠাইত এখন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ পতাৰ উপযুক্ততাৰ বিষয়ে প্ৰতিবেদন পঠিয়াবলৈ নিৰ্দেশ দিয়া হৈছে।

**Re : Number of Medical Centres in Barpeta District.**

**Shri A.F. Golam Osmani asked.**

914. Will the Minister Health & F.W. Assam be please to state :

(a) Number with location of

(i) Public Health Centre

(ii) State Dispensary and

(iii) Medical Sub-Centre in Jania Constituency of Barpeta District ?

(b) Medical personnel incharge of the above mentioned medical units ?

(c) Is it a fact that some of the medical units referred to are without any staff ?

(d) If so, which and since when without any attending personnel ?

**Shri Chandra Mohan Patowary (Minister Health & F.W.) replied :**

(a) (i) Primary Health Centre 1(one) at Kalgachia.

(ii)State Dispensary three at Jania, Tilapani and

Chandmara.

(iii)Medical sub-centre 12(twelve) at (1) Gajia, (2) Jania, (3) Mahamadan, (4)Pathali kuhi, (5) Digjani, (6) Baghekhaiti, (7)Dekarbari, (8) Ghinalguri, (9) Gorala, (10) Kharisala, (11) Madlizar, (12) Issapur.

(b) Senior Medical & Health Officer is the in-charge of the Primary Health Centre.

Medical & Health Officer I in the in-charge of the State Dispensaries and A.H.Ms are the in-charge of the sub-centres.

(c) Yes.

(d) Issapur sub-centre since November, 1986.

Guinalguri sub-centre since March, 1988.

Garala sub-centre since January, 1988.

**Re : Number of Veterinary, Diary and Poultary Schemes.**

**Shri A. F. Golam Osmani asked :**

915. Will the Minister, Rural Development be pleased to state :

(a) Number of (1) A.H. & Veterinary.

(2) Dairy and

(3) Poultary schemes under I.R.D. Programme involving how many beneficiaries were selected in 1985-86 & 1986-87 in Ruposi Block of Barpeta district?

(a) Who are the beneficiaries ?

(Please state schemewise with description)

**Shri Chandra Arandhara (Minister, Rural Development) replied :**

| (a) Name of the Scheme | No. of beneficiaries selected | |
|---|---|---|
| | 1985-86 | 1986-87 |
| 1. A.H. & Vetty. | 102 Nos. | 68 Nos. |
| 2. Diary | 46 Nos. | 69 Nos. |
| 3. Poultry | 1 Nos. | 10 Nos. |

(b) Names of schemewise beneficiaries with location, amount of the Bank and subsidy are given Annexure-I & II for 1985-86 & 1986-87 respectively. (See the list at Annexure VI(A) & VI(B).

বিষয় ঃ ধুবুৰী মহকুমাৰ হাট পটন।

শ্ৰীইউছুফ আলী আহমেদে সুধিছে ঃ

৯১৬। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ধুবুৰী মহকুমাৰ অন্তৰ্গত মহামায়া শালবাৰী (বগৰীবাৰী আবাইনী শালবাৰী) হাটটো আজি কেইবছৰৰ পৰা চৰকাৰে পট্টন দি আছে ?

(খ) উক্ত হাটখন মহকুমা পৰিষদে অনুমোদন দিছেনে ?

(গ) যদি দিছে তেনেহলে হাটৰ দখলত থকা চৰকাৰী খাছ মাটি প্ৰায় ৮/১০ বিঘা মাটি হাটখনৰ নামত আৱণ্টন নিদিয়াৰ কাৰণ কি ?

(ঘ) ৰাইজৰ অসুবিধাৰ কথা চিন্তা কৰি এই হাটখন সপ্তাহত ২ দিন কৰাৰ ব্যৱস্থা কৰিবনে ? (অৰ্থাৎ দেওবাৰ আৰু বৃহস্পিতিবাৰ)

শ্ৰীচন্দ্ৰ আৰন্ধৰা (পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ১৯৮৩ চনত উক্ত অঞ্চলৰ ৰাইজে মহামায়া শালবাৰী হাটখন আৰম্ভ কৰে আৰু অনুমোদনৰ কাৰণে ধুবুৰী মহকুমা পৰিষদত অনুৰোধ জনায়। আৰু তদনুৰূপে ধুবুৰী মহকুমা পৰিষদে ১৯৮৪ চনৰ পৰা পট্টন দিছে।

(খ) হয় দিছে।

(গ) উল্লেখিত মাটি ডোখৰ ৰাজ্যিক বিদ্যুৎ পৰিষদক আৱণ্টন কৰা হৈছিল কাৰণে জিলা উপায়ুক্তই সম্পূৰ্ণ মাটি বজাৰৰ নামত আৱণ্টন কৰিব পৰা নাই। তথাপি উপায়ুক্তই যোৱা ১৪/৭/৮৭ ইং তাৰিখে উক্ত জমিৰ ওপৰত হাট বহুৱাৰ অনুমতি দিছে।

(ঘ) বগৰীবাৰী আবাইনী আৰু মহামায়া শালবাৰী বজাৰ দুখন জিলাৰ উপায়ুক্তই এখন হিচাপে লৈ দেওৱাৰে বগৰীবাৰী আবাইনীত আৰু বৃহস্পতি বাৰে

মহামায়া শালবাৰীত বজাৰ বহুৱাৰ দিন ধাৰ্য্য কৰি অনুমোদন দিয়ে।

**বিষয় ঃ DRDAৰ Governing Body.**

**শ্ৰীইউছুফ আলী আহমেদে সুধিছে ঃ**

৯১৭। মাননীয় গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী জিলাৰ DRDAৰ যোৱা শেষৰ Governing Body ত বিলাসীপাৰা উন্নয়ন খণ্ডৰ নামত আৱণ্টন হোৱা RLEGPৰ টকা আন আন খণ্ড উন্নয়নতকৈ বেছি টকা আৱণ্টন দিয়াৰ কিবা প্ৰস্তাৱ চৰকাৰৰ দৃষ্টি গোচৰ হৈছেনে?

(খ) অসমৰ ভিতৰত বিলাসীপাৰা খণ্ড উন্নয়ণটো দ্বিতীয় সৰ্ববৃহত্তম উন্নয়ন খণ্ড হয়নে?

(গ) NREP অনুপাতে RLEGPৰ টকা এই খণ্ড উন্নয়নৰ নামত বেছি আৱণ্টন দিয়াৰ বাবে Governing Bodyৰ প্ৰস্তাৱ মৰ্মে অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰক প্ৰস্তাৱ দিবনে?

**শ্ৰীচন্দ্ৰ আৰস্কৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ধুবুৰী জিলাৰ বিলাসীপাৰা উন্নয়ন খণ্ডৰ কাৰণে আৰ এল ই জি পি আঁচনিৰ অধীনত অধিক ধন আৱণ্টন দিয়াৰ বাবে কোনো প্ৰস্তাৱ অদ্যপৰিমিত চৰকাৰৰ দৃষ্টি গোচৰ হোৱা নাই।

(খ) নহয়।

(গ) এন.আৰ.ই.পি. আঁচনিৰ আৱণ্টন গাওঁ পঞ্চায়তৰ সংখ্যাৰ ভিত্তিত আৰু আৰ.এল.ই.জি.পি. আঁচনিৰ আৱণ্টন সকলো খণ্ড উন্নয়নক সমানে দিয়া হয়।

**বিষয় ঃ ৰোগীৰ চিকিৎসা চৰকাৰী খৰচ।**

**ডাঃ কমলা কলিতাই সুধিছে ঃ**

৯১৮। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসম চৰকাৰে ১৯৮৭ চনৰ পহিলা এপ্ৰিলৰ পৰা ১৯৮৮ চনৰ শেষ মাৰ্চলৈ কিমান জন ৰোগীৰ শিকিৎসাৰ বাবে ৰাজ্য চৰকাৰৰ খৰচত বাহিৰলৈ পঠাব লগা হৈছে?

**শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (স্বাস্থ্য মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ১৮৭ জনৰ পহিলা এপ্ৰিলৰ পৰা ১৯৮৮ চনৰ শেষ মাৰ্চলৈ মুঠ ৮৭৪

জন ৰোগীৰ চিকিৎসাৰ বাবে চৰকাৰী খৰচত বাহিৰলৈ পঠোৱা হৈছে। ইয়াৰ ৮০৪ জন ৰোগী চৰকাৰী চাকৰিয়াল নাইবা তেওঁলোকৰ পৰিয়ালৰ লোক আৰু ৭০ জন আন্দোলনত নিৰ্য্যাতিত হোৱা আঘাটপ্ৰাপ্ত ৰোগী।

**বিষয় ঃ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী।**

**ডাঃ কমলা কলিতাই সুধিছে ঃ**

৯১৯। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৮৬ চনৰ মাৰ্চ মাহত পালন কৰা গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উৎসৱত গুৱাহাটী মাৰোৱাৰী যুৱ মঞ্চ নামৰ সংগঠনটোৱে Gastroendescope এটা কিনিবৰ বাবে আৰ্থিক অনুদান আগবঢ়োৱাৰ কথা ঘোষণা কৰাটো সচাঁনে?

(খ) যদি সচাঁ হয় উক্ত বাবদ সংগঠনটোৱে কিমান টকাৰ আৰ্থিক অনুদান আগ বঢ়াইছে?

(গ) সেই টকা এতিয়া কি কামত ব্যৱহাৰ কৰা হৈছে জনাবনে?

**শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (স্বাস্থ্য বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়, সঁচা।

(খ) মুঠ ১,২০,০০০.০০ (এক লাখ বিশ হাজাৰ) টকা আগবঢ়াইছে।

(গ) Gastroendoscope যন্ত্ৰটো বিদেশৰ পৰা আমদানি কৰাৰ বাবে ষ্টেট বেংকত L.C. খোলা হৈছে।

## Voting on Demands for grants

**Mr. Speaker : Now, item No. 2. Hon'ble Member Shri Maziruddin Ahmed to speak.**

**শ্ৰীমজিৰুদ্দিন আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই পকালাগী হাহচৰাৰ বান্ধৰ বিষয়ে দুষাৰ কবলৈ ওলাইছো। উক্ত বান্ধৰ ওপৰত কালভাটৰ বাবে যি ইটা দিয়া হৈছিল, সেই ইটাবোৰ ৰিজেক্ট" কৰা হৈছিল। তাৰ পিচত সেই কাম ঠিকাদাৰক দিয়া হ'ল আৰু ঠিকাদাৰে ৰাতি হেজেগ লাইট জলাই সেই ৰিজেক্ট" কৰা ইটাৰে কাম কৰিছে। ৰাইজে আপত্তি কৰা স্বত্বেও ঠিকাদাৰক দি কামটো কৰোৱা হৈছে। বাহিৰৰ পৰা মানুহ আনি মাটি কটাৰ কাম কৰিলে। সেই কামটো স্থানীয় লেবাৰৰ দ্বাৰা কৰিব লাগিছিল যাতে দুখীয়া মানুহ খিনি প্ৰতিপালিত হয়। তাকে নকৰি বাহিৰৰ মানুহৰ দ্বাৰা কাম কৰা হৈছে। সেই

কালভাৰ্টৰ কেইটা হিউম পাইপ লাগে, কেইটা চেনেল হব সেই বিলাক এক্সপাৰ্টৰ দ্বাৰা পৰামৰ্শ লোৱা হোৱা নাই। ঠিকাদাৰৰ দ্বাৰা কৰা হৈছে যদিও পৰিপূৰ্ণ ভাৱে কামটো হৈ উঠা নাই। ইয়াৰ ফলত ৰাইজ উপকৃত হোৱা নাই।

অধ্যক্ষ মহোদয়, গাৰোগাৰী বান্ধত টকা খৰচ কৰা স্বত্বেও কাম সুচাৰুৰূপে হোৱা নাই। কামটো ঠিকাদাৰক দিয়া হৈছিল আৰু ঠিকাদাৰে মানুহ লগাই হাজিৰাত কাম কৰাইছিল। কিন্তু তেওঁলোকৰ হাজিৰা কম পৰাত গুছি যায়। এই ক্ষেত্ৰত মই আপত্তি জনাইছিলো। এই বিষয়ে মই মন্ত্ৰী মহোদয়ক কৈছিলো। তাৰ কিবা প্ৰতিক্ৰিয়া হৈছে নে নাই, তদন্ত হৈছে নে নাই মই জনা নাই। এই বছৰৰ আজিলৈকে কামটো আৰাম্ভ হোৱা নাই। এই কাম বিলাক ঠিক মতে হৈছে নে নাই, নে কাগজ তৈয়াৰ কৰি বিল কৰি পইচা লয় এই বিলাক তদন্ত হব লাগে।

অধ্যক্ষ মহোদয়, গছ পুলি ৰোৱাৰ বিষয়ে মই কব খুজিছো। গছ পুলি কিমান ৰুলে কিমান মৰিলে তাৰ সীমা সংখ্যা নাই। গছ পুলিত খাছা দিয়াৰ ব্যৱস্থা কৰিব লাগে। কিন্তু এই বিলাক ব্যৱস্থা নাই। গছ পুলি ৰোৱাৰ পিচত চৌকিদাৰ লোৱা হোৱা নাই। ললেও কাগজে পত্ৰে লোৱা হয়। তেনেকৈ ৰুৰেল ডিপাৰ্টমেণ্টত বেমেজালি চলি আছে। টকা পইচা যি ধৰণে খৰচ হয় সেই মতে কাম নহয়। আনহাতে যিবিলাক এতিয়া স্কুল হৈ আছে, সেই বিলাকত যি সামগ্ৰী যোগান ধৰা হয় তাৰ ভিতৰত বিশেষকৈ চিমেণ্টৰ যথাৰ্থ ভাবে ব্যৱহাৰ হোৱা নাই। যি কাঠ দিয়া হয় সেইবিলাক অত্যন্ত নিকৃষ্ট আৰু বেয়া। স্কুল হোৱাত বহুত দিন লাগি যোৱা দেখা পাইছো। তিনি ইঞ্চিৰ ইটাৰ গাথনি আৰু চিমেণ্টৰ পৰিমাণ কম দিয়াৰ কাৰণে বেৰ বিলাক ভাঙি পৰিব। গতিকে এই বিলাক কাম তদাৰক কৰাৰ কিবা ব্যৱস্থা আছে নেকি আৰু যদি নাই তদাৰক কৰাৰ ব্যৱস্থা কৰিব লাগে। গোৱালপাৰাৰ বলদমাৰী তিনি আলিত এটা স্কুল ঘৰ আজি ডেৰ বছৰে হোৱা নাই। এখন স্কুল ঘৰ বনাওতে দুবছৰ লাগে নেকি? এনেকুৱা বহুত স্কুল ঘৰ আছে সময় মতে কাম আৰম্ভ হোৱা নাই। গতিকে মই পৰামৰ্শ আগ বঢ়াও যে ডি, আৰ, ডি, এ, ৰ তৰফৰ পৰা সেই কাম বিলাক চোৱা চিতা কৰিবৰ কাৰণে লোকেল কমিটি কৰি দিয়া উচিত। প্ৰত্যেক স্কুল ঘৰৰ কাম কৰিবৰ কাৰণে লোকেল কমিটিৰ মানুহৰ দ্বাৰা কাম কৰিব লাগে। লোকেল কমিটিৰ পৰামৰ্শ মতে কাম হোৱা উচিত। যদি

কিম্বা দিফেক্ট” হয় তেতিয়া হলে কমিটিৰ ওপৰত চোৱা চিতাৰ দায়ীত্ব বৰ্তিব।

অধ্যক্ষ মহোদয়, ৰাস্তা ঘাটৰ ক্ষেত্ৰত যি খিনি টকা মঞ্জুৰ কৰা হয়, তাৰ টকাত বাৰ অনা পইচা অথলে যায়। এই বিষয়ে আপত্তি কৰিলে অফিচাৰে গুৰুত্ব নিদিয়ে। চৰকাৰী ভাৱে ইয়াৰ কোনো তদাৰকী ব্যৱস্থা নাই। চেণ্ট্ৰেল গভৰ্ণমেণ্টে যি টকা আগ বঢ়াই আছে, তাক আমি সদ ব্যৱহাৰ কৰিব পৰা নাই। জধেমধে খৰছ কৰাৰ অৰ্থ নাই। আমাৰ দুখীয়া ৰাইজৰ কাৰণে স্কুল ঘৰ, ৰাস্তা ঘাট আদিৰ কাৰণে টকা দিয়া হৈছে। কিন্তু এই টকা বিলাক পৰিচালনাৰ অভাৱত অপ ব্যৱহাৰ হৈ আছে। এইটো চোৱা দৰ্কাৰ।

অধ্যক্ষ মহোদয়, বি, এল, চি, চি,ত যিবিলাক প্ৰপোজেল লোৱা হয়, দেখা যায় সেই বিলাক ওলোটাই দিয়া হৈছে। সেই বিলাক বন্ধ কৰিব লাগে। বি, এল, চি, চি,ৰ প্ৰস্তাৱৰ পিচত যাতে ওলোটাব নোৱাৰে তাৰ ব্যৱস্থা লব লাগে। এইটো বৰ দুখৰ কথা যে ৰাইজৰ প্ৰতিনিধি লগ লাগি যি প্ৰস্তাৱ গ্ৰহণ কৰা হয়, সেইটো কেনেকৈ সলনি হয়। বি, এল, চি, চি,ৰ পৰা যি প্ৰস্তাৱ আগ বঢ়োৱা হয় তাক সলনি নকৰিবলৈ অনুৰোধ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এই মঞ্জুৰীৰ ওপৰত মাননীয় মন্ত্ৰী মহোদয়ে ১১-৪০ বজাত উত্তৰ দিব। এতিয়া মাননীয় সদস্য শ্ৰীঅমৃত লাল বসুমতাৰী।

**শ্ৰীঅমৃত লাল বসুমতাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কৰ্তন প্ৰস্তাবটো সমৰ্থন কৰি দুআষাৰমান কথা কব বিচাৰিছোঁ। আমাৰ গ্ৰাম্য উন্নয়ণ বিভাগটো আমাৰ গাৱৰ ৰাইজৰ উন্নয়ণৰ কাৰণে এটা অত্যন্ত প্ৰয়োজনীয় আৰু গুৰুত্বপূৰ্ণ বিভাগ। সেই কাৰণেই ১৯৭৯ চনতে ভাৰত বৰ্ষৰ সকলো বিলাক মুখ্যমন্ত্ৰী লগ লাগি চিন্তা কৰিলে যে আমাৰ গাৱৰ ৰাইজৰ কেনেকৈ উন্নতি কৰিব পাৰি। সেই মতে সেই চিন্তাৰ বলতেই কৃষি বিভাগৰ পৰা গ্ৰাম্য উন্নয়ণ বিভাগটো বেলেগ কৰি গ্ৰাম্য উন্নয়ণ এটা সুকীয়া বিভাগ সৃষ্টি কৰিলে। ইয়াৰ পৰাই এই বিভাগটোৰ গুৰুত্ব কিমান সেই কথা বুজিব পৰা যায়। আমাৰ যি সকল মাননীয় সদস্য গাৱৰ পৰা আহিছে আৰু যি সকল সদস্যৰ গাৱৰ লগত সম্পৰ্ক আছে সেই সকলে অনুভৱ কৰিব পাৰে যে গ্ৰাম্য উন্নয়ণ বিভাগটো যি বিলাক আঁচনি আছে সেই বিলাক আমাৰ গাৱৰ ৰাইজৰ কাৰণে কিমান ভাল। কিন্তু চৰকাৰৰ তৰফৰ পৰা এই বিভাগটোত যি ধৰণেৰে গুৰুত্ব দিব লাগে সেই ধৰণে গুৰুত্ব দিয়া হোৱা নাই। গ্ৰাম্য উন্নয়ণ বিভাগৰ যি বিলাক আঁচনি আছে যেনে এন

আৰ পি, আৰ এল জিপি, বায়োগ্যেচ, আই আৰ ডিপি আদি, এই আচঁনি বিলাক গাৱৰ ৰাইজৰ কাৰণে অতি প্ৰয়োজনীয়। এই আচঁনি বিলাকৰ যিটো বাৰ্ষিক টাৰগেট সেইটো আমি "এচিভ" কৰিব পাৰিছোনে নাই সেইটো কথা চাব লাগে। আমাৰ গাৱৰ ৰাইজক যি ঋণ দিব লাগে আমি সেই বিলাক দিব পাৰিছোনে নাই বা গাৱৰ ৰাইজে সেই বিলাক পাইছেনে নাই সেই বিলাক কথা চৰকাৰে চাব লাগে। মই এই খিনিতে এটা কমিচনৰ প্ৰতিবেদন দাখিল কৰিব বিচাৰিছো। (Shri H.N.Das, Commissioner......... One of the main reasons of handicaps for the integrated rural development works is due to lack of co-operation of the Banks".

আই আৰ ডি পিৰ জৰিয়তে যি বিলাক ঋণ দিয়া হয় সেই বিলাক গাৱৰ ৰাইজে লব পাৰিছেনে নাই সেইটো চাব লাগে। আমি দেখিবলৈ পাইছো যে যি বিলাক ঋণ দিয়া হয় সেই বিলাক দেৰিকৈ দিয়ে। একোটা বেংকক ২০/২২টা লৈকে দিবলৈ দিয়া হয় আৰু কোনো কোনো বেংকক তাতোকৈ বেচি দিবলৈ দিয়া হয়। তাৰ ফলতে গাৱৰ ৰাইজে হাৰাসাস্তি পাবলগীয়া হয়। এই বিলাক ক্ষেত্ৰত চৰকাৰ যিমান আগবাঢ়িব লাগিছিল সিমান আগবঢ়া নাই।

ইয়াৰ লগতে আৰু এটা কথা কওঁ যে গ্ৰাম্য উন্নয়ণ বিভাগৰ নিজ কোনো ষ্টাফ নাই। বৰ্তমান গ্ৰাম্য উন্নয়ণ বিভাগৰ যি বিলাক ষ্টাফ আছে সেই বিলাক বিভিন্ন বিভাগৰ পৰা ডেপুটেচনত নিয়া। সেই কাৰণেই তেওঁলোকে এই বিভাগটোৰ কাম কাজত যিমান মনোযোগ দিব লাগে সিমান মনোযোগ নিদিয়ে। ফলত কিবা আপত্তি দিলেও সেই বিলাকৰ ওপৰত কোনো একচন নহয়। উদাহৰণ স্বৰূপে মই কব বিচাৰিছো যে আমাৰ লগত যি জন বি ডি অ আছিল তেওঁ কোনো কাম নকৰে। মই কৈছিলো যে তেওঁ যদি কাম নকৰে তেনেহলে তেওঁক বেলেগ ঠাইত দিয়ক। মন্ত্ৰী ডাঙৰীয়াই অৱশ্যে মোৰ অনুৰোধ ৰাখিছিল কিন্তু তেওঁক বদলি কৰোতে বহুত সময় ললে। কিন্তু তেওঁ যিখিনি কাম কৰিছিল সেই খিনিও বেয়া কৰি থৈ আহিল। তেওঁৰ ওপৰত কোনো ব্যৱস্থা লোৱা নহল। অৱশ্যে এনে কাম অকল এই বিভাগতে হোৱা নাই বহুতো চিভিল বিভাগতে এনে হোৱা বুলি আমি জানো। এই ধৰণেৰে হলে আমাৰ কোনো কামতেই আমি স ফল হব নোৱাৰিম। চৰকাৰে গাৱৰ দুখীয়া ৰাইজক সহায় কৰাৰ যি কথা চিন্তা কৰিছে সেই চিন্তা কোনো দিনেই কাৰ্য্যকৰী নহব। মই

মোৰ অভিজ্ঞতাৰ পৰা কৈছো যে গ্ৰাম্য উন্নয়ন বিভাগৰ লগত মই ভাগৰি গৈছো। মোৰ দৰে বোধহয় মন্ত্ৰী মহোদয়ো ভাগৰি গৈছে এই বিভাগটোত। অৱশ্যে মোৰ ভুল হলে ক্ষমা কৰিব।

গ্ৰাম্য উন্নয়ণ বিভাগৰ তলত থকা যিটো সামাজিক বনানীকৰণ আঁচনি আছে তাৰ কাম কাজ দেখিলে লাজ লগা অৱস্থা। এই আঁচনিৰ জৰিয়তে গছ পুলি ৰোৱা হয়। প্ৰতিটো গছ পুলি ৰোৱাৰ বাবত ১০ পইচাকে দিয়ে। কিন্তু দেখা গৈছে যে বনুৱাই কোৰোৰে এচাব মাৰি গছ পুলি ৰুই গৈছে। সেই দৰে ৰোৱাৰ ফলত সেই বিলাক গছ পুলি কেতিয়াও নৰয়, মৰি যায়। পিচত কয় যে সেই বিলাক গৰু ছাগলীয়ে খালে। এই দৰে ৬ হাজাৰ টকা অপব্যৱহাৰ কৰিলে। আৰু এই পুলি বিলাক যিটো সময়ত ৰোৱে সেইটো গছ পুলি ৰোৱাৰ সময় নহয়। তাৰ ফলতেই এই বিলাক গছ পুলি নাবাচে। গতিকেই গ্ৰাম্য উন্নয়ণৰ তলত যিটো সামাজিক বনানীকৰণ ব্যৱস্থা আছে সেইটো অইন বিভাগত ট্ৰেন্সফাৰ কৰিব লাগে বুলি মই আগতে কৈছিলো আৰু এতিয়াও কওঁ। এই বিলাক কথা সৰু সৰু হলেও চিন্তা কৰিব লগীয়া বিষয়।

ইয়াৰ পিচত আৰু এটা কথা কব বিচাৰিছো যে এই বিভাগৰ অসম্পূৰ্ণ ৰাস্তা বিলাক সম্পূৰ্ণ কৰা নহয়। এন আৰ পি, আৰ এন জি পিত যি বিলাক ৰাস্তা কৰা হৈছে সেই বিলাক কোনো দিনেই মেৰামতি কৰা নহয়। এই বিলাক ৰাস্তাও গড়কাপ্তানী বিভাগেও লব নোৱাৰে। এতিয়া বাৰিষা আহিছে। কিছু দিনৰ পিচতেই এই বিলাক ৰাস্তা ধ্বংশ হৈ যাব। ৰাস্তা বিলাক সম্পূৰ্ণ কৰা নহয় বুলি এই কাৰণেই কৈছো যে ৰাস্তা বিলাকত যি বিলাক কাৰ্লভাট দিব লাগে সেই বিলাক কেতিয়াও দিয়া নহয়। ফলত ৰাস্তা বিলাক ব্যৱহাৰ কৰিব নোৱাৰা হৈ থাকে।

(সময়ৰ সংকেট)

আমাৰ শতকৰা ৮০ ভাগ মানুহ গাৱত থাকে আৰু শতকৰা ৬০ ভাগৰো ওপৰ লোক দৰিদ্ৰ সীমাৰেখাৰ তলত আছে। এওঁলোকক ওপৰলৈ উঠাই অনাৰ ব্যৱস্থা কৰিবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো। এই বিভাগটোৰে নিজাকৈ ষ্টাফ লব লাগে আৰু এই দৰে এজেন্সি কৰি নাৰাখি এটা স্থায়ী বিভাগ কৰিব লাগে। সচিবে পোনপটীয়া ব্যৱস্থা লব পৰাৰ ব্যৱস্থা কৰিব লাগে। ইয়াকে কৈ মই কৰ্তণ প্ৰস্তাবটো সমৰ্থণ কৰিলো।

**শ্ৰীহেমেন দাস ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ভাৰতবৰ্ষৰ কিছুমান ৰাজনৈতিক

লোকে লগ লাগি এটা বিভাগৰ জন্ম দিছে, যি বিভাগৰ উদ্দেশ্য আছিল দৰিদ্র অংশৰ মাজলৈ উন্নয়ণ বা পৰিকল্পনাৰ খবৰ পহুচাই দিয়া। যদি পৰা যায় গাৱঁৰ দৰিদ্রতম অংশৰ মানুহ কিছুমানক ওপৰলৈ অনা। দুর্ভাগ্যৰ কথা সেইটো বুৰক্রেছিৰ হাতত পৰি পানীত পৰি মৰিব ধৰা মানুহৰ দৰে বকবকাই আছে। এই আঁচনিৰ জন্ম লগ্নৰ পৰাই মই জড়িত হৈ আছো। বুৰক্রেছিয়ে এই আঁচনিৰ সাত কোটি টকাৰ খবৰ ৰখা নাছিল, এই টকা পৰি আছিল। তাৰ পিচত আমি যেতিয়া ৰাজনৈতিক মানুহ বিলাকে ধৰিলো যে এই সাত কোটি টকা কিয় পৰি থাকিব, তেতিয়াহে এই টকা ওলাল। তেতিয়া ডি, আৰ, ডি, এৰ অৰগেনাইজেচন আজিৰ দৰে নাছিল। বুৰক্রেছিয়ে ই, এণ্ড, ডি, গড়কাপ্তানি আদি বিভাগক ভগাই দিছে। সেই টকাৰ হিচাব নাই, অডিট ৰিপোৰ্ট চাব পাৰে। মাজতে কিছু দিন সক্রিয় হৈছিল। এতিয়া ডি, আৰু, ডি, এৰ বহুত ষ্টাফ হৈছে, আগতে এইখিনি নাছিল। বহুতো কাৰ্য্যবাহী অভিযন্তা হল। ব্লকত দুজনকৈ নিজা অভাৰচিয়েৰ নিযুক্ত হৈছে। কিন্তু বহুত ষ্টাফ হোৱা সত্বেও কাম বিলাক ভয়ানক ভাৱে ক্ষতিগ্রস্ত হৈছে। সেই কাৰণে এই বিষয়টো গভীৰ ভাৱে চিন্তা কৰিব লগা হৈছে। ইয়াৰ ৰাজনৈতিক আৰু প্রশাসনিক দুটা দিশৰ পৰা চাব লাগিব। ৰাজনৈতিক দিশৰ পৰা এই কামত কিছুবাধা দিয়াত অৰিহণা যোগাইছে। অগ্রগতিত বাধা দিয়া হৈছে। যেনে যতেততেই হস্পক্ষেপ। ৰাজনৈতিক অনুগামীসকলক সন্তুষ্ট কৰাৰ কাৰণে বহু আঁচনিৰ টকা আজি অথলে যাব লগা হৈছে। কিছুমান স্কুল, ঘৰ ৰাস্তা-ঘাট অসম্পূর্ণ অৱস্থাত আছে। এই আচঁনিৰ উদ্দেশ্য কি আমি সকলোৱে জানো। এই আঁচনিৰ মূল উদ্দেশ্য হৈছে গাৱৰ কাম নোপোৱা সকলৰ বাবে নিয়োগৰ সৃষ্টি কৰা আৰু লগতে সম্পদ সৃষ্টি কৰা। কিন্তু হঠাৎ কি হৈ গল। ঠিকা আগতে ঠিকাৰ ব্যৱস্থা নাছিল। মানুহে এজনে দিনে ৮ ঘণ্টা কাম কৰিব আৰু মজুৰি পাব। চাৰি বিঘাতকৈ কম মাটি থাক গাৱঁৰ লোক সকলে আই, আৰ, ডি, পি আদি আঁচনিত ৰাস্তাৰ কামও বনোৱা হব। কিন্তু এই আঁচনি কাৰ্য্যকৰী কৰাৰ কাৰণে চেষ্টা কৰিছেনে? খবৰ লব। ঠিকাৰ কাৰণে এনে হৈছে। অকল ৰাজনৈতিক লোকক দোষ দিলে নহব। এতিয়া কি হৈছে? কিছুমান বিষয়াই লৰাক হাতত ৰাখি কাম দিছে। ঠিকা দিছে। ঠিকা আচলতে প্রচলন নাছিল। আজি শ্রীমাজিৰুদ্দিন চাহাবে কৈছে ঘৰবিলাক অসম্পূর্ণ হৈ আছে বাতৰি কাকতত ঘৰৰ ছবি ওলাইছে। ইয়াত আৰনেষ্ট মণিৰ কথা থাকিব নোৱাৰে। বৰপেটা জিলাত স্কুল ঘৰৰ গৃহৰ বাবে

১৭-১৮ হাজাৰ টকাৰ আৰনেষ্ট মণিও ঠিকা দিব লগা হৈছে। এইটো ননচেন্স পদ্ধতি। ব্লকৰ পৰা বিল আহিব, ডিৰেক্টৰে বিল পাচ কৰিব, এই অধিকাৰ কৰ পৰা পালে? কিন্তু সেইটো চলি আছে। টেণ্ডাৰ কল কৰিছে, শুনিলে হাঁহি উঠে। খবৰ পাইছো, কাৰো কোনো বিচাৰ নাই। চৰকাৰ দুৰ্বল হলে বুৰক্ৰেছিয়ে এই সুবিধা পায়। এই চৰকাৰৰ দুৰ্বলতাৰ সুযোগ বুৰক্ৰেছিয়ে সুন্দৰ ভাৱে লৈছে। টেণ্ডাৰ কল কৰাৰ দুসাহস কৰিছে। টেণ্ডাৰ কল কৰি কাম এলোট কৰিছে। গাৱঁৰ পথত শিল চতিওৱা কামত টেণ্ডাৰ কল কৰা হয়। ট্ৰাক নাথাকিলে ঠিকা দিয়াৰ ব্যৱস্থা কৰক। কিন্তু শিল চটিওৱা কামত ঠিকাৰ ব্যৱস্থা কৰিছে পিছে অকল মন্ত্ৰীক দোষ দিলে নহব। বুৰক্ৰেচী সকলে গ্ৰামোন্নয়নৰ কথা বুজিবলৈ চেষ্টা নকৰে। ইমান মিটাৰ কাম কৰিব লাগিব। এই ব্যৱস্থা ৰখা হৈছে। লেবাৰ এজনে যদি কাম নকৰে তেন্তে কোনো কাম কৰিব? লেবাৰে ফাকি ফুকা নিদিয়ে। যিবিলাক বিষয়াই কাম কৰে বুলি ভাবে তেওঁলোকে ফাকি ফুকা দিয়ে। মই এজন বিষয়াক তিনি মাইল খোজ কাঢ়ি ভিতৰুৱা অঞ্চলত তিনি বজাত কাম দেখুৱাইছো। মই সুধিছিলো লেবাৰে ফাকি দিছে নে কাম কৰিছে? লেবাৰে যেতিয়া বুজিব সেইটো তেওঁলোকৰ ৰাস্তা আৰু কাম কৰাৰ বিনিময়ত পইচা পাব তেওঁলোকে তেতিয়াও ফাকি নিদিয়ে। গতিকে এই ঠিকাদাৰক ঠিকা দিয়াৰ কথাটো চাব লগা হৈছে। মোৰ এখন দৰ্খাস্ত দিছে ব্লক লেভেইল কমিটিয়ে যিটো ৰাস্তা নিৰ্বাচন কৰে গভৰ্নিং বডিয়ে নিৰ্বাচন কৰা ৰাস্তাৰ এলাইনমেণ্ট বেলেগ কৰিছে। এইটো সাহস পাইছে ভিতৰুৱা অঞ্চললৈ যাব নোৱাৰাৰ কাৰণে এই বিষয়া বিলাকে আই, আৰ, ডিপি এন আৰ দ্বাৰা এই অকাঠী কাঠ গ্ৰহণ কৰাইছে। পি, ডিয়ে আজি এই কাণ্ডবিলাক কৰি আছে। আৰ, এল, ইজি, পিৰ ৰাস্তা ঠিকাত দিয়া হয় পইচা খাবৰ কাৰণে নানা ধৰণৰ কাজ দীয়া হৈছে। কামৰ প্ৰতি চিন্তা চৰ্চা নাইকীয়া হৈছে। ডি, আৰ, ডিএৰ কোন খিনি কাম ব্লকে কৰিব আৰু গ্ৰামোন্নয়নে কৰিব, বিল দিব লাগে নে নালাগে ঠিক কৰিব লাগিব। মোৰ যিমান দূৰ জ্ঞান আছে গ্ৰামোন্নয়নত বিলৰ পদ্ধতি নাই। আন কথা হ'ল গছ ৰুই ভাল পায়। ৬ কোটি টকা খৰছ কৰা হৈছে। অসম খন ৰাজস্থান, হাৰিয়ানা, পাঞ্জাব নহয়। অসম জংঘলৰ দেশ। এতিয়াও অসমত বন শেষ হোৱা নাই। অসমৰ ৰিজাৰ্ভ ফৰেষ্ট বাদ দিও ৭শ খন বাগিছাত গছ আছে। আৰ এল, ই, জি, পিত গছৰোৱাৰ প্ৰয়োজন নাই। আৰু অকল কেন্দ্ৰৰ আচঁনি বুলি কলে নহব। গছ ৰুই টকা অপচয় কৰা

হৈছে। এন, আৰ, ই, পিত যাতে গছ ৰোৱা নহয় তাৰ ব্যৱস্থা কৰিব লাগে। ট্ৰাইচেম আই, আৰ, ই, পিত আদিত কেনেকৈ টকা খৰছ হৈছে তাৰ হিচাব নাই। মাছৰ পুখূৰী খণ্ডা, মাছৰ পোনাৰ বাবে লাখে লাখে টকা খৰচ হৈছে। গভৰ্ণিং বডিয়ে বুৰক্ৰেচীয়ে যাতে বছৰৰ হিচাব পাচ কৰি দিবৰ কাৰণে স্কীম বিলাক ৰ্ফমেলী এপ্ৰোভেল দিব লাগে। বুৰক্ৰেচী কেইজনমানৰ হাতত উঠা বহা কৰিব লাগিব নেকি? এই ধৰণৰ হোৱাৰ ফলতে আজি নানা ধৰণত ৰ্দুগতি হৈছে। চাৰকাৰটো ৰ্দুবল হৈছে। সবল কৰাৰ কাৰণে চেষ্টা কৰক। চৰকাৰৰ ৰ্দুবলতাৰ সুযোগ তলৰ পৰা ওপৰলৈ লৈছে। বস্তু কিনিলে মূৰ ঘমায় কামিনী কাঞ্চনৰ গণ্ডগোল। টিং পাত লোহা চেণ্ট্ৰেলী ক্ৰয় কৰক। কিন্তু বালি আৰু শিল স্থানীয় ভাবে পোৱা যায়। এবাৰ বাঁহৰ চাপলাই কৰিব ধৰিছিল। এতিয়া গছ ৰোৱাৰ কাৰণে ঠিকাদাৰক বাঁহৰ যোগান ধৰিব দিয়া হৈছে। ঠিকা দিয়াৰ ফলত চিমেণ্ট উধাউ হৈছে। ৩১ নং ৰাষ্ট্ৰীয় পথৰ পৰা বাৰেগাওঁ এম, এন, পি পথত ঠিকাদাৰক ৩৫ বস্তা চিমেণ্ট দিছে কিন্তু এতিয়া ৰাস্তাও নাই, কালভাৰ্ট নাই, চিমেণ্টো নাই। এই বিলাকৰ বিচাৰ নাই। গোবৰধনা ব্লকৰ পৰা নিম্নমানৰ চিমেণ্ট ফিৰাই দিছে। চিমেণ্ট, চি আই চিট সোনকালে দিয়ক। আৰ, এল, ই, জি, পি আচঁনিত লোৰ যোগান ধৰিছে। অকাঠিকাঠ দিয়াতকৈ দুৱাৰ খিৰিকিত লোহাৰ ফ্ৰেম দিয়ক। তেতিয়াহলে কিছু দিনৰ কাৰণে ই স্থায়ী হব। এই বিভাগটোৰ লগত অসমৰ দৰিদ্ৰ জনসাধাৰণৰ সম্পৰ্ক আছে গতিকে এই বিভাগটো গতিশীল কৰাৰ বাবে চেষ্টা কৰক। দৰ্খাস্ত দিলে ডিচিলৈ পঠাই দিয়ে। এই চৰকাৰৰ কাম কৰাৰ ভয়ত তললৈ ফৰওৱাৰ্ড কৰি দিয়ে। মন্ত্ৰী সক্ৰীয় হওক আৰু সকলোৱে মঙ্গলৰ বাবে কাম কৰি যাওক সেই খিনি আশা ৰাখি ব্যক্তব্য সামৰণি মাৰিলো।

**শ্ৰীগণেশ কুটুম ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে গ্ৰামোন্নয়ন শিতানত যি দাবী মঞ্জুৰী উত্থাপন কৰিছে সেই মঞ্জুৰীৰ সমৰ্থনত মই কেইটামান বক্তব্য ৰাখিব বিচাৰিছো। ভাৰত বৰ্ষৰ গাওঁ অঞ্চলৰ সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক সম্পূৰ্ণ বিকাশ নিৰ্ভৰ কৰিছে এই বিভাগটোৰ কাৰ্য্য দক্ষতাৰ ওপৰত। ভাৰতবৰ্ষৰ কোটি কোটি জনসাধাৰণৰ ভিতৰত শতকৰা ৮০ ভাগেই গাওঁত বাস কৰে আৰু তাৰ শতকৰা ৬০ ভাগেই দৰিদ্ৰ সীমাৰেখাৰ তলত। সেই লোক সকলৰ অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক বিকাশৰ কাৰণে আৰু সেই সকল লোকক জীয়াই থকাৰ মানদণ্ড উন্নত কৰিবৰ কাৰণে ৰাষ্ট্ৰীয়

ভিত্তিত এই বিভাগটো খোলা হৈছে। ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ লগতে অসমেও ইয়াৰ সু-ফল খিনি লাভ কৰিবলৈ আগবাঢ়ি আহিছে। এই বিভাগটোৰ জৰিয়তে গাওঁৰ জনসাধাৰণে ইতিমধ্যে বহুতো সু-ফল লাভ কৰিছে। তাৰ ওপৰি এই বিভাগটোৰ কাৰণে টকা পইচাও নোপোৱা নহয়, পাইছো। কিন্তু এই বিভাগটোৰ ত্ৰুটিপূৰ্ণ আঁচনি আৰু ত্ৰুটিপূৰ্ণ কামকাজৰ কাৰণে আমাৰ গঁৱা ৰাইজৰ মনত হতাশাৰ সৃষ্টি কৰিছে। সেই পৰিপ্ৰেক্ষিতত বিভাগটোৰ প্ৰতি দুই এটা পৰামৰ্শ অগাবঢ়োৱাতো উচিত হব বুলি মই ভাবিছো। আৰু লগতে এই বিভাগটোত সম্পাদিত দুৰ্নীতিমূলক কাৰ্য্য সমালোচনা কৰা উচিত হব বুলি মই ভাবো। আমাৰ এই বিভাগটোৰ আঁচনি সমূহ সৰ্বভাৰতীয় ভিত্তিত তৈয়াৰ কৰা হয় আৰু সেই মতে আমি আচঁনি সমূহ ৰূপায়ন কৰো। কিন্তু ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ বাবে তৈয়াৰ কৰা এই আঁচনি সমূহ বিভিন্ন ভৌগলিক অৱস্থাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। গোটেই ভাৰতবৰ্ষৰ, কাশ্মিৰৰ পৰা কন্যাকুমাৰিলৈকে আৰু গুজৰাটৰ পৰা অসমলৈকে একে আঁচনি কেতিয়াও প্ৰাচুৰ্য্য নহয়। সেই কাৰণে আমাৰ অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰীৰ লগত, একে আঁচনিয়ে যে অসমত কাম নহয় সেই বিষয়ে বিষদভাবে আলোচনা কৰিব লাগে। এই আঁচনিৰে অন্তৰ্ভূক্ত, মই উদাহৰণ স্বৰূপে কবলৈ বিচাৰিছো, চোচিয়েল ফৰেষ্ট্ৰী আঁচনি খন আমি নিজেই দেখি আহিছো ভাৰতবৰ্ষৰ অন্যান্য ঠাইত যিমান খিনি প্ৰয়োজন আছে আমাৰ অসমত তেনে আঁচনিৰ প্ৰয়োজন আছে বুলি মই নাভাবো। তেনে আঁচনিৰ আমাৰ ইয়াত গুৰুত্ব কম।

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ গ্ৰাম্য উন্নয়ণ বিভাগক 'কনভিন্স' কৰিবৰ কাৰণে কিছুমান এনেকুৱা আঁচনি আছে যিবিলাক আঁচনি ৰাজ্যখনৰ কাৰণে বৰ বেছি কামত অহা আঁচনি বুলি কব নোৱাৰি। যেনে 'চোচিয়েল ফৰেষ্টি'ৰ যোগেদি একো কাম কৰিব পৰা নাই। বিভিন্ন ৰাজ্যত আমি ঘূৰি পকি দেখিছো। এই আঁচনিৰ দ্বাৰাই সেই ৰাজ্যবোৰত সুন্দৰ সুন্দৰ কাম কৰিছে। সেইবিলাক দেখি আমি অনুভৱ কৰিছো যে আমাৰ ৰাজ্যখনত এই বিভাগত যিবিলাক মঞ্জুৰী দিয়া হয়, এনেয়ে খৰচ কৰিছে কামত কিন্তু একোৰেই অহা নাই। গ্ৰামোন্নয়ন শিতানত আজি যি টকা মন্ত্ৰী মহোদয়ে বিচাৰিছে সেইবিলাক যাতে ভালধৰণে খৰচ কৰা হয়, তাৰ প্ৰতি লক্ষ্য ৰাখিব বুলি অনুৰোধ জনালো।

মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ নিজৰ সমষ্টিৰ এটা কথা কব বিচাৰিছো

যে ব্লক বিলাকৰ যোগেদি যিবিলাক গছ পুলি ৰুইছে সেইবিলাক এসপ্তাহৰ পিচতে মৰি যোৱা দেখিছো, তাৰ পাট এখিলাও নেথাকে, শুকাই যায়। গছ পুলি যোগান ধৰাটো সঁচা কিন্তু সেই পুলি ৰোৱাৰ পিচত এই বিভাগৰ যেন কোনো দায়িত্ব নাই তেনেকুৱা দেখা যায়। এই ৰুৱা পুলি বিলাকৰ প্ৰতি একো নজৰ দিয়া দেখা নেযায়। ইয়াৰ আগতে তেনেধৰণৰ বহু সমস্যাৰ বিষয়ে মাননীয় মন্ত্ৰীৰ ওচৰত সদস্য সকলে দৃষ্টিগোচৰ কৰিছে। আজি এই বিভাগটোৰে যেনেদৰে আঁচনি লব লাগিছিল, যেনেদৰে মনোগ্ৰাহী হব লাগিছিল তেনেদৰে লোৱা দেখা পোৱা নাই। সেয়েহে ৰাইজৰ মনোগ্ৰাহী হোৱাকৈ, আকৰ্ষণ কৰিব পাৰে তেনেধৰণৰ আঁচনি লব লাগে। মানুহৰ প্ৰয়োজনৰ ওপৰত ভিত্তিত আঁচনি বিলাক তৈয়াৰ কৰিব লাগে। প্ৰায়বিলাক আঁচনি বি, এল, চি, চি'ৰ দ্বাৰা তৈয়াৰ কৰা হয়, আচঁনিবোৰ 'গভৰ্নীং বোৰ্ড'ৰ ওচৰ নেপায়গৈ,'ষ্টেট লেভেল' নেপায়গৈ।

মাননীয় উপাধ্যক্ষ মহোদয়, এন, আৰ, ই, পি স্কীমত যিবিলাক আঁচনি লোৱা হৈছে আৰু যিবিলাক টকা-পইচা খৰচ কৰা হৈছে তাৰপৰা একো কামত অহা নাই। আমাক ৰাইজে প্ৰতিনিধি হিচাপে এই বিভাগত কি কি কাম-কাজ হৈছে, কেনেদৰে দুৰ্নীতি সিপাইছে, সেই সকলোবোৰ অৱগত কৰে। তাৰ উদাহৰণ এটা মই দিব খুঁজিছো। মোৰ হাতত একপি ফটো আছে, সদনৰ জ্ঞাতাৰ্থে এই ফটো কপি মই দেখুৱাইছো। 'কাউৰি পথাৰৰ' ৰাস্তাত দিয়া এইটো কালভাৰ্টৰ ফটো। এই কালভাৰ্টটো এন, আৰ, ই, পি স্কীমৰ আঁচনিৰ যোগেদিয়েই কৰা হৈছিল। কিন্তু কালভাৰ্টটো বৰষুণৰ পানীৰ সোঁতত ভাঙি গ'ল। যিহেতু চিমেণ্টৰ পৰিমাণ হয়তো কম আছিল, নহয়টো চিমেণ্ট খিনিয়েই বেয়া আছিল। বিষয়া সকলৰ হেমাহিৰ কাৰণেই এনে হৈছে বুলি সন্দেহৰ স্থল আছে। এই টকা বিলাক যাতে এনেয়ে অপচয় নহয় তালৈ লক্ষ্য ৰখাটো দৰকাৰ।

মাননীয় উপাধ্যক্ষ মহোদয়, ডি, চি গৰাকীয়েই' গভৰ্নীং বডি'ৰ 'চেয়াৰমেন' এচ, ডি, অ' গৰাকীয়ে এই বিষয়ে একোৱেই নেজানে, ৰয়েল ডেভ্‌লপমেণ্ট'ৰ লগত তেখেতক জৰিত কৰা হোৱা নাই যাৰ ফলত এই বিভাগত যেনেদৰে কাম হব লাগিছিল সেইদৰে হোৱা নাই। কিয়নো ডি, চি জনে সকলো সময়তে চৰকাৰৰ বেলেগ বেলেগ কামত ব্যস্ত থাকিব লগীয়া হোৱা বাবে এই বিভাগৰ কাম-কাজৰ ওপৰত গুৰুত্ব দিব নোৱাৰে। ফলত এই বিভাগৰ বিষয়া সকলে

নিজেই কাম কৰে। নিজৰ কামৰ নিজেই তদন্ত কৰিব লগীয়া হয়। সেই কাৰণে এই বিভাগত খেলি-মেলি হোৱা পৰিলক্ষিত হৈছে। শেষত মাননীয় বিৰোধী পক্ষৰ সদস্য সকলে অনা কৰ্তন প্ৰস্তাৱটো উঠাই লবৰ বাবে অনুৰোধ কৰি মোৰ বক্তব্য ইমানতে সামৰণি মাৰিলো।

**Mr. Deputy Speaker :** Now, hon'ble member Shri Robin Saikia. He is absent, hon'ble Member Shri Moti Das ; he is also absent. Then Shri Kalita.

*** ডাঃ কমলা কান্ত কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি মাননীয় গ্ৰাম্যোন্নয়ন মন্ত্ৰী মহোদয়ে সদনত যি মঞ্জুৰী বিচাৰিছে সেই মঞ্জুৰী সমৰ্থন কৰি দুআষাৰ কবলৈ ঠিয় হৈছো। পৰম্পৰাগত ভাৱে মঞ্জুৰীৰ প্ৰস্তাৱ মই সমৰ্থন কৰিছো। যিকোনো এখন 'কাউনত্ৰিৰ ডেভ্‌লপমেণ্ট' গ্ৰাম্যোন্নয়ন বিভাগটো যে অতি গুৰুত্বপূৰ্ণ বিভাগ সেই কথাটো আমাৰ ৰাইজে নিশ্চয় অনুভৱ কৰিছে, উপলব্ধি কৰিছে। কিন্তু এই বিভাগৰ কাম-কাজ, এই বিভাগৰ অগ্ৰগতিয়ে অসমৰ জনসাধাৰণক, হতাশ কৰি পেলাইছে, আৰু সেয়েহে গ্ৰাম্যাঞ্চলৰ ৰাইজে এই বিভাগৰ ওপৰত আস্থা হেৰুৱাইছে। যোৱা বছৰত শিক্ষা বিভাগে কিছুমান স্কুলৰ ঘৰ নিৰ্মাণ কৰিবৰ কাৰণে ৬১ হেজাৰ ৫০০ টকাকৈ দিছিল। এন, আৰ, ই, পি আৰু আৰ, এল, ই, জি, পি'ৰ যোগেদি ক্ৰমান্বয়ে ৪৫-৮০ হেজাৰকৈ টকা অনুদান দিয়া হৈছিল। উক্ত এলোকেচন সমূহৰ দ্বাৰা কিছু সফলতা পোৱা দেখা গৈছিল। কিন্তু এতিয়া আমাৰ ভয় হৈছে যে যিবোৰ 'ফাণ্ড এলোকেচন' দিয়া হয় সেইবোৰ সঠিকমতে কামত ব্যৱহাৰ নহয়। কিছুমান আঁসোৱাহ ৰৈ যায়। ১৯৮৭-৮৮ চনত স্কুলৰ কাৰণে ৩৩ পাৰচেণ্ট, চচিয়েল ফৰেষ্ট্ৰিৰ কাৰণে ২০ পাৰচেণ্ট আৰু অন্যান্য বিভাগতো কম বেচি পৰিমাণ টকা ধাৰ্য্য কৰা হৈছে। আমাৰ মাননীয় সদস্য শ্ৰীগণেশ কুটুম আৰু শ্ৰীহেমেন দাস ডাঙৰিয়াই এটা কথাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰি কৈছে যে 'চচিয়েল ফৰেষ্ট্ৰিৰ' নামত যি 'ফাণ্ড এলোচেন' কৰা হৈছে, সেই 'ফাণ্ড'ৰ কোনো প্ৰয়োজন নাই। অৱশ্যে এইটো সঁচা হব পাৰে যে যি কামৰ বাবে টকা এলোকেচন কৰা হৈছিল সেই অনুপাতে কাম হোৱা নাই, কিছু টকা হয়টো অন্যায় ভাৱে ব্যৱহাৰ কৰা হৈছে।

মাননীয় উপাধ্যক্ষ মহোদয়, কিছুদিন আগতে এই সম্পৰ্কে গ্ৰামোন্নয়ণ

---

***/ Speech not corrected**

বিভাগৰ সঞ্চালক আৰু গভাৰ্ণিং বডিৰ চেয়াৰমেন আৰু কামৰূপ জিলা উপায়ুক্তক লিখিত ভাৱে অভিযোগ দাখিল কৰিছিলো কিন্তু তাৰ একো উত্ত নেপালো আৰু কোনো ব্যৱস্থা লোৱাও গম নেপালো। বকো উন্নয়ণ খণ্ড এটা ৰাস্তাৰ নামত ৩৩ হেজাৰ টকা আছিল। তাত ৭ হেজাৰ টকা খৰছ কৰ হল। বাকী খিনি বিল কৰি দেখুওৱা হল। সেই বিষয়ে প্ৰজেক্ট ডিৰেক্টৰ আৰ কাৰ্য্যবাহী অভিযন্তাক অনুসন্ধান কৰি চাবলৈ কোৱা হৈছিল। কিন্তু কোনে ব্যৱস্থা লোৱা নহল। ইতিমধ্যে খণ্ড উন্নয়ণ বিষয়া জন অৱসৰ হল। দুৰ্নীতি পৰায়ণ বিষয়া সকলে যদি শাস্তি নেপায় তেতিয়াহলে, সেই সকল বিষয়া আৰু বেছি দুৰ্নীতি কৰিবৰ কাৰণেহে উৎসাহ পাব। ছয় গাওঁ সমষ্টিতো আমি দেখিছো যে, এটা দোং খণ্ডাৰ নামত ৭ হেজাৰ টকা ললে ব্লকৰ পৰা, কিন্ত দোং খণ্ডা হলে নহল। দোং নখণ্ডা কৈয়ে ৭ হেজাৰ টকা ললে। এই বিষয়ে দিয়া অভিযোগৰ ওপৰত অনুসন্ধান কৰি কি ব্যৱস্থা ললে সেইটো আজিলৈকে জনা নগল। আমি জনাত সেই সকল বিষয়াৰ বিৰুদ্ধে কোনো ধৰণৰ ব্যৱস্থা লোৱা নহল। তাৰোপৰি, কামৰ অগ্ৰতিত যি দৰে হেমাহি হৈছে সেইটো দেখিলে বৰ দুখ লাগে। ১৯৮৫ চনৰ পৰাই এতিয়ালৈকে যিবিলাক আঁচনি লোৱা হল সেই বিলাক অনুসন্ধান কৰিলে দেখা যাব যে, সেই আঁচনি বিলাকৰ কাৰণে ধাৰ্য্যকৰা মুঠ টকাৰ প্ৰায় ৩০/৪০ শতাংশহে খৰছ হৈছে। বাকী টকা খৰচ হোৱা নাই। উদাহৰণ স্বৰূপে বকো উন্নয়ণ খণ্ডৰ অধীনত আই, আৰ জি, পিৰ এটা ৰাস্তাৰ ৯৩ হেজাৰ টকা এতিয়াও খৰছ কৰিবলৈ বাকী আছে। এই বিষয়ে গৰ্ভাণিং বডিৰ চেয়াৰমেন আৰু গ্ৰামোন্নয়ণ বিভাগৰ সঞ্চালকক এই বিষয়ে কোৱা হৈছিল কিন্তু একো হোৱা নাই। তাত দলং নাই। দলঙৰ কাৰণে, আই, আৰ, ডি, পি, আই, এল, জি, পি, এন, আৰ , ই, পি ইত্যাদি আঁচনি বিলাকৰ অধীনত যি বিলাক দলং হব লাগিছিল সেই দলং বিলাকৰ কাৰণে থকা টকা বিলাক জমা কৰি ৰাখি থোৱা হৈছে। কাম কৰা নাই। কাম নকৰাৰ ফলত এই বিভাগৰ ওপৰত ৰাইজৰ আস্থা একেবাৰে নাইকীয়া হৈ পৰিছে। দলং কৰিবৰ কাৰণে সা সজুলি নাই বুলি কোৱা হৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, ১৯৮৫ চনৰ পৰা এতিয়ালৈকে কামকৰিব নোৱাৰাৰ কাৰণ কি? গতিকে এই বিষয়ে মাননীয় মন্ত্ৰী মহোদয়ে বিশেষ গুৰুত্ব দিব বুলি আশা কৰিছো।

মাননীয় উপাধ্যক্ষ মহোদয়, এতিয়া সামগ্ৰী বিলাকৰ যোগানৰ ক্ষেত্ৰত

সলপ কৰ খুজিছো। ব্লকলৈ যেতিয়া চিমেণ্ট যায়, তেতিয়া ৰড নাই, ৰড গলে চিমেণ্ট নাই, চিমেণ্ট যেতিয়া বেয়া হৈ যাব তেতিয়া ৰড যাব। এইদৰে এটা সমগ্ৰী থাকিলে এটা নাই, এনেকুৱা হোৱাৰ কাৰণে বিভিন্ন আঁচনি বিলাকৰ অধীনত যি বিলাক দলং, স্কুল, ঘৰ ইত্যাদি সাজিব লাগিছিল সেই বিলাক সাজিব পৰা নাই। এই বছৰ যিমান বিলাক স্কুল লোৱা হৈছে সেই স্কুল বিলাকৰ খিৰিকি আদি তৈয়াৰ হৈছে কিন্তু চিমেণ্ট আদিৰ বাহিৰে আন একোৱেই নাই। ১৯৮৭-৮৮ চনৰ আঁচনি বিলাকৰ কাম এতিয়া লৈকে একোৱেই কৰিব পৰা নাই। ফলত এই বিলাক টকা অপব্যয়হে কৰা হৈছে। এই বিলাক কথা দৃষ্টি গোচৰ কৰিলেও যদি কোনো ব্যৱস্থা নলয় তেতিয়াহলে, কোনে ব্যৱস্থা লব? সময় থাকোতেই এই সকল বিষয়াক শাসনলৈ আনক যাতে চৰকাৰৰ কাম কাজত ৰাইজে সন্তুষ্ট হব পাৰে। এই খিনিতে কৈ দাবী মঞ্জুৰীটো সমৰ্থন কৰিছো।

**Mr. Deputy Speaker :** Now Hon'ble Member, Shri Abdul Muqtadir Choudhury.

**Shri Abdul Muqtadir Choudhury :** Mr. Deputry Speaker, Sir, in support of the cut motion I should like to say a few words. Sir, since the Rural Development Deptt. came in existence, there was great expectation. This Rural Development Department is a very important department as it has to look after the development of the rural masses in rural areas. Sir, 85 percent of the people of the state are living in rural areas and 15 percent are living in urban or town areas. Earlier there was no such programme for development of rural areas. Now crores and crores of rupees are being spent for the upliftment of the rural poor, for their development, but the question is whether these amounts are being properly utilised, properly spent.

Sir, a good number of special programmes are being implemented by the Rural Development Department,

namely– I.R.D.P., N.R.E.P., Special assistance to agriculturists for development of agricultural, PASMAFAP, Development Programme for Women and Children in Rural areas, Rural Landless Employment Guarantee Programmee, R.L.E.G.P. etc. Let us take I.R.D.P. first. Sir, crores and crores of rupees are being spent for the upliftment of the rural poor. During the years, 1987-88 more than 14 crores of rupees have been given as subsidies and grants; 25 crores have been given as credit mobilisation and Sir, the number of families benefitted in 1987-88 are as follows :

New families — 46,246, and

Old families — 19,898.

Those 19,898 families have been given second instalment also. Sir it is high time to review the progress to go into the process to see whether those families were able to utilise their first doses of assistance. Before they were granted the second instalment it should have been enquired whether these families utilised their first instalment of assistance. It should also be seen whether proper persons have got the benefits. Sir, at present in Assam 40 percent of the people are living below the poverty line and certain classification have been made like Category A, Category B, and Category C for the purpose of identification of the different category of poor people living below poverty line ; but Sir, such identification is being done sitting in Block offices. Category A people are those poor people who are to get first priority in the matter of assistance, but they have been deprived of loans and subsidies; their

names are not being sponsored, they are not being identified as such and consequently they are deprived of the benefits. Sir, identification is to be done by the R.D. workers and they are to sponsor the names of those poor people according to categories they are moving round the Block areas and sponsoring the names of those people who could satisfy them. But those who are to get top priority in the matter of benefits are being deprived because they are so poor that they cannot satisfy the R.D. workers by paying high price. But Sir, I am definite that more than 50 percent of the genuine people are deprived of this benefit. Sir, a day will come after the Seventh Plan this number i.e. the people living below the poverty line will come down to 35 percent and after the end of Eighth Five Year Plan it will come to 18 percent and after that it will come to zero. Sir, it will be in paper that all the people who were below the poverty line have been brought above poverty line but most of the people in fact will remain below poverty line. Sir, it is high time to review the entire process and to see whether the poorest of the poor are getting the benefit or not. Sir, those deserving persons who are coming to block area, coming to Project Director, coming to banks are not getting their share. Their names are not being sponsored. Sir, even the Gramin Bank is not helping the people. Their behaviour is rather worst than other bank management. So, Sir, the Rural Development Department should see that these amounts are spent properly and utilised properly. This department should be reorganised thoroughly.

Sir, earlier there was no scheme for the rural areas, for the rural people and if things go on like this, after few years these schemes will be withdrawn. Sir, Central Government has given emphasis to some schemes, say, road project. First preference was given to this but now it has been given the 7th preference i.e., the last preference. The department is shifting from one to another because they want to complete all the programme. But it will be seen in paper that 50 percent people are deprived of it. Sir, let us come to NREP which aims at providing employment avenues to the rural people by creating community asset. Sir, our Rural Development Minister, he is very much well aware that all the road project under N.R.E.P. & R.L.E.G.P., will be taken under the PWD Department. They will have to hand over to the PWD Department and the PWD Department will have to take the responsibility of this road project. Whether the Rural Development Department is in a position to hand over a single road. There may be one or two but I am saying about the most of the blocks. Sir, in Karimganj the Hon'ble Minister know it that the first instalment fund for N.R.E.P. which was released by the Rural Development Department has been diverted for other purposes. Hon'ble Minister gave the reply that because of the spill over work first instalment was not released but I can say that there was no spill over work upto 31st March '88. There was not a single man day generated in South Karimganj Development Block and Ramkrishnanagar Development Block. I want to know whether the first instalment is

still in the bank ? What about the spill over money ? Spill over money should be there. Sir, in 1987-88 there was no work. Not a single man day was generated. Sir, reports coming from D.R.D.A. are inflamatory. They say that unless we sent this type of report the second instalment will not be released. Sir, we should not betray our people. We should not play with the lots of the rural people. We should be very serious. Sir, another scheme namely, PASMAFFE is within the Rural Development Department since 1987. Whether the Rural Development Department can say any amount has been spent in any district till 1987 under this programme. Sir it is anybody's guess. Sir, this is a special programmes for special assistance to the agriculturists for the development of agricultural programmes and providing minor irrigation facility, which is known as PASMAFAP. We should not play with this money. Nothing has been done in this regard there is no necessity in keeping the money in Banks. It should be utilised properly. It is probably lying with the Rural Development Department. Sir, RLEGP, Rural Landless Employment Guarantee Programme. This is 100 day for 100 men. Hundred days employment i.e. three months ten days employment in a year. In this programme guarantee card should be issued to the labourers. I would like to ask the Hon'ble Minister whether he can say or the department can say how many cards have been issued and to whom issued. Whether the Hon'ble Minister can place a statement on the table of the House giving the entire list. Sir, work has been allotted to the contractor. It is a

shame. No guarantee card has been issued. Sir, what is the main object of this programme. Sir, it is an employment guarantee programme for the rural poor landless. Sir, landless people are not getting the benefit but the land-holders are getting the benefit. So, the entire programmes has been failed or going to be spoiled. (Bell rang) Sir, kindly allow me to speak something more.

**Mr. Deputy Speaker :** I cannot allow you.

**Shri Abdul Muqtadir Choudhury :** Bio-gas Development Programme how many bio-gas plant has been installed and through whome ? Whether the Khadi Gram Udyog is in a position to install the bio-gas plant throughout the state. There is no expertise in any block; there is not a single person who knows how a bio-gas plant is to be installed. It may be that the Department is feeling, let the money come from the Government of India and we will divert it. And accordingly, money has been diverted for payment of timbers and other things. As the time is short, I am leaving all other things. I want to point out about TRYSEM training. Who are the traines? What they are doing after training. Sir, it is still time for us to review the entire things and see that the money is utilised properly.

Thank you.

**Mr. Deputy Speaker :** Now, hon'ble member Shri. Osmani.

**Shri A. F. Golam Osmani :** Hon'ble Deputy Speaker, Sir, it is like Mahabharat and it is difficult to confine to the alloted time. However, I shall try my best to be spe-

cific. I also feel like the hon'ble member Shri Amrit Lal Basumatari completely depressed and dejected. Whether the Minister feels like this or not I do not know. It is my first occassion to work as MLA in this Assembly. I took it very seriously and I found that the manner in which the bureaucracy is organised from lowest to the highest level it is difficult to regulate the activities of the Department unless there is a pragmatic person at the ministreal level. I will speak on three specific points with records to show that this department has become completely non-functional.

First, in relation to road, second, in relation to a specific thing about which so many members have spoken i.e. Social Forestry and about schemes which occasionally comes to BLCC to be executed. About Social Forestry the Governing Body of Barpeta DRDA met on 30th August last year. In that meeting we were asked to approve some social forestry schemes and I particularly raised a question that the month being September rainy season was going out. So what is the use of taking the social forestry scheme which will constitute about 25% of the allotment. So let us devote it for flood damages. In a way Sir, we are all inexperienced members and we were to accept the official explanation that we have to work within the frame work of norms given by the Government of India, Ministry of Rural Development and perhaps the hon'ble Minister will also say this. But we found after the meeting that already a contract has been floated by the Project Director, Barpeta calling for supply of bamboos for

the social forestry scheme, and that it in relation to my block Ruposi. Sir, I raised this question with the Minister subsequently through a question in the last session of the Assembly. Q.No. 31 dated 15.10.87 "Whether it is fact that the Project Director, DRDA, Barpeta is taking steps to execute social forestry schemes in the month of September-October, 1987 when the rainy season is already over? Sir, the reply is "Yes, due to continuous heavy rainfall and devastating floods the work could not be taken up earlier. It was taken in the month of August, 1987 only." Sir, this is false. Because the meeting was held on 30th August to approve the scheme. Then about justification of taking up the work in September-October it how we lay MLAs are duped by the officers. I really sympathise with the Minister running the department. When the question of execution of social forestry scheme came in a particular area there was confrontation between the contractor and the villagers. The villagers said that they had bamboos in their villages; bamboos should not be brought from outside. There was a rioting and a police case was there. I raised this in my question 316 dated 15.10.87. "Whether the Government is aware that the DRDA Authority of Barpeta District are making arrangements to plant tree saplings when the rainy season is over and that the month of October is not at all the season for any sort of forestration programme ? If so, what action the Government pruposes to take to stop the system of giving contracts for the execution of NREP, RLEGP programmes depriving the people of the

locality from the labour work involved in the execution of such programme ? "Sir, the answer is very important. It is "Yes, due to continuous heavy rainfall and heavy successive floods the plantation of trees under social programme could not be taken up in most of the areas in the State earlier. The programme could be started only in August/September. The programme is being continued during October also because unlike previous years, the moisture content in the soil this year is considered sufficient for sustaining plants planted in September/October." Sir, those are the types of arguments the officers forward and expect the politicians to swallow and accept it ? Even the simple villagers know that October is not the appropriate time for planting the saplings. But the Officers dare to advise us saying that the moisture content of the soil is sufficient for sustain the plantation in October. Sir, on more than one occasion I asked the Minister to visit Kalgachia I.B. to understand the fate of social forestry. That is at Kalgachia P.W.D. inspection Bungalow where I occasionally stayed. They did not care, even the BDO did not care to inform me how the money was spent. I raised the Starred Q. No. 298 for collecting the relevant facts I wanted to know how many trees were in existance in the Kalgachia. I.B. Social Forestry. In B.L.C.C. meeting dated 29.5.86, the scheme was approved. The work started in the second week of September 86. The total outlay for this scheme was 6 thousand (six).

**The expenditure was made as follows :**

Site preparation — 370.00

| | | |
|---|---|---|
| Cost of cow dung | — | 90.00 |
| Cost of fencing | — | 2400.00 |
| Cost of Seedling | — | 400.00 |
| Cost of manuring | — | 80.00 |
| Maintenance 1st year | — | 1200.00 |
| 2nd year | — | 1200.00 |
| **Total** | — | **5740.00** |
| 5% contingency. | | |
| | | Rs 260.00 |
| **Grand Total** | — | **6000.00** |

Now, what is the present position ? It is said that 792 sapplings were planted. As per report only 131 are still alive. I challenge the Minister on this count. Even 19 trees are not there.

Sir, you have given the bell. So, I will certainly conclude with a few observations. The Minister knows that I gave a complaint to him last year in regard to RLEGP schemes. There was a public hue and cry over the matter. The matter came out in 'The Sentinel' and 'Assam Tribune'. I also submitted a complaint to different appropriate agencies. I raised the question on the matter during the last session of the House. The Hon'ble Minister was kind enough to respond to my question. He casually said the Saturday that he enquired into the matter. A report has come and it is stated there that nobody is found responsible.

I first complained in October, 1987 to the Deputy Comissioner and a copy was sent to the Hon'ble Minis-

ter. I then submitted a representation in October, 6, to the Director of Rural Development, Government of Assam. I raised the question on the impediments being created on the implementation of rural development schemes. In this connection,we met and submitted a Memorandum with the signature of 12 MLAs to the Union Minister of State, Rural Development, Shri Ramanand Jadav. In the Memorandum, it was stated that in the case of Assam, the Government of India should make the rule flexible and the fund earmarked for Social Forestry be diverted for repairing of the flood damaged village roads. Copies were also sent to the State Minister and the department concerned. Sir, as a humble MLA, I did my duty. Now, the Government. was to take action. For enquiry, the matter was sent to DC who is the Chairman of the Governing Body, DRDA. Now, under him, this type of corruption is taking place. We referred the complaints to the DC and Project Director. About the policy of the Union Government, I wrote to the Union Government as well as the leaders of different political parties including Shri Basudev Acharaya, MP. The Union Minister gave a reply with a copy to the State Government.

Again as draught relief two road schemes were to be executed by the Rupsi BLCC. We got a report that some manipulations were being made to take out money without work. Immediately, I intervened. It was in relation to Showrachara Pathar village road which has been sanctioned against draught relief road scheme under NREP 1986-87. I raised the question also in the

House. It was answered by the Department that no irregularity was committed. But the PD, Barpeta sent an official letter 11.06.87 to the BDO, Rupsi recommending the names of persons to execute the scheme, vide No. DRBT/G/15/Pb–I/80–8/4810–13 dt. 11–6–87 :

"I am sending here with the applications submitted by a Group Leader of Shri (1) Jaynal Abedin, (2) Md. Khershed Khan and (3) Md. Nazrul Islam Khan of vill Showrachara to select the implementation of the draught relief road scheme under NREP 1986–87 for construction of Showrachara Village Road as submitted by you.

Please submit detailed estimate and start execution as per NREP norms.

Fund alloted for this scheme is Rs. 55,000/-.

Within two weeks' time, a cheque was forwarded for making advance payment. So, this is an example how PD is functioning. The things are running as before. Atleast Congress were capable enough to manage the affairs. But you have totally failed.

There are similarly many administrative deficiencies. Sir, I submit these papers through you to the Hon'ble Minister to make an enquiry for this type of misdeed. Before I conclude I would like to say that we talked about this issue with the Union Government at various level. The Union Minister for Rural Development visited Assam without informing all the concerned parties. At that time, we submitted a Memorandum but he did not take any action. We criticise Shri Rajiv Gan-

dhi, Prime Minister for his computer prone policy, but he atleast took action. This Union Minister of State for Rural Development has already been shunted back to Bihar. I feel the Hon'ble Minister will approach the Union Government and explain the peculiarities of Assam and seek liberties to allocate the fund according to local condition. I hope the Government. of India will certainly agree to this. With this, I conclude my deliberation.

*** শ্ৰীদেবেশ্বৰ বৰা ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ গ্ৰামোন্নয়ণৰ বাবে চলিত বছৰৰ পৰিকল্পনাৰ কাৰণে যি টকা বিচাৰিছে সেই টকা খিনি দিয়াত আমি সম্পূৰ্ণ সমৰ্থন জনাইছো। ৪১ কোটি ৬১ লাখ ৮৫ হাজাৰ টকা ৰুৰাল ডেভেলপমেণ্টৰ কাৰণে বিচৰা হৈছে। আমি বিশেষকৈ গ্ৰামোন্নয়ণৰ কথা আলোচনা কৰিবলৈ যাওতে যোৱা কালি এই সদনতে পঞ্চায়ত বিভাগৰ কথা আলোচনা কৰিছিলো। আৰু ভাৰতবৰ্ষত গ্ৰামোন্নয়ণৰ যোগেদি পঞ্চায়ত বিলাকৰ সম্পূৰ্ণ উন্নয়ণ কৰিব নোৱাৰিলো। গ্ৰামোন্নয়ন বিভাগ খোলাৰ কোনো অৰ্থ নাই। কিন্তু আমি যি দেখিছো গ্ৰামোন্নয়ণ বিভাগ বিলাকৰ কাৰ্য্য কলাপ যেনে ধৰণৰ হব লাগিছিল বা আমাৰ ইয়াত কৰিব লাগিছিল তেনেদৰে কৰিব পৰা নাই। সেয়েহে গ্ৰামোন্নয়ণ বিভাগৰ মঞ্জুৰীটো যদিও সমৰ্থন জনাইছো এই বিভাগটো প্ৰকৃততে গ্ৰামোন্নয়ণ বিভাগ নহৈ অভিনয় বিভাগহে হৈছে। গ্ৰাম্য উন্নয়ণত টকা খিনি খৰচ নকৰি সেই টকা খিনিৰ অভিনয়হে কৰা হৈছে। সেই কাৰণে মই অনুৰোধ জনাইছো যি খিনি টকা দিয়া হৈছে সেই খিনি সৎভাৱে ব্যৱহাৰ কৰিব লাগে। কিন্তু বৰ দুখ আৰু পৰিতাপৰ কথা যে সেই টকা বিলাক ৩১ মাৰ্চলৈকে খৰচ কৰিব নোৱাৰাৰ এটা নিদৰ্শন ডাঙি ধৰিব বিচাৰিছো। প্ৰায় ১০ কোটি ৮ লাখ ৬০ হাজাৰ টকা ৩১ মাৰ্চলৈকে টকা খৰচ কৰিব পৰাই নাই আনকি এতিয়ালৈকে সেই টকাৰো খৰচ কৰা হোৱা নাই। আৰু সেই টকা বিলাক এতিয়াও ক'ত ক'ত আছে সেইটো মই ডাঙি ধৰিব বিচাৰিছো। মোৰ জিলা যোৰহাটত ১ কোটি ৩ লাখ ৭৭ হাজাৰ টকা আই, আৰ, ডি, পি, ত আছে, ৬৪ লাখ ৮৬ হাজাৰ এন, আৰ, ই, পিত আছে আৰু ২৫ লাখ ৫৭

---

***/ Speech not corrected**

হাজাৰ টকা আৰ, এল, ই, জি, পিত খৰচ নকৰাকৈ আছে। সেইদৰে শিৱসাগৰ জিলাত ১৩ লাখ ৪০ হাজাৰ টকা আই, আৰ, দি, পিত ১০ লাখ ২৬ হাজাৰ টকা এন, আৰ, ই, পিত আৰু ৫৪ লাখ ৫৭ হাজাৰ আৰ, এল, ই, জি, পিত খৰচ নোহোৱাকৈ আছে। মন্ত্ৰী মহোদয় যোৰহাট জিলাৰ পৰা আহিছে আৰু তেখেতৰ জিলাতেই সৰ্বাধিক টকা খৰচ নোহোৱাকৈ আছে।

* **শ্ৰীচন্দ্ৰ আৰন্ধৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যোৰহাট জিলাৰ নহয় শিৱসাগৰ জিলাৰ হে।

* **শ্ৰীদেবেশ্বৰ বৰা ঃ** মুখ্য মন্ত্ৰী মহোদয়ৰ জিলা নগাওঁতে ৩৭ লাখ ৯৭ হাজাৰ টকা আই, আৰ, ডি, পিত ১ কোটি ১১ লাখ ৮৬ হাজাৰ টকা এন, আৰ, ই, পিত আৰু ১৭ লাখ ৮৪ হাজাৰ টকা আৰ, এল, ই, জি, পীত খৰচ নোহোৱাকৈ আছে। গোটেই অসমতে মুঠ ১০ কোটি ৮ লাখ ৬০ হাজাৰ টকা খৰচ নোহোৱাকৈ আছে। গতিকে মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাইছো কিহৰ কাৰণে এই টকা খিনি খৰচ কৰিব পৰা নাই বা খৰচ কৰা হোৱা নাই মন্ত্ৰী মহোদয়ে এই বিষয়ে উত্তৰ দিব লাগে। গ্ৰামোন্নয়ণৰ উন্নতিৰ কাৰণে টকা দিয়া হৈছে। গ্ৰামোন্নয়ণ যদি নকৰে তেনেহলে অভিনয় কৰাৰ কাৰণে টকা দিয়া নাই। এই টকা বিলাক গ্ৰামোন্নয়ণৰ কাৰণে খৰচ কৰিবলৈ দিয়া হৈছে সেয়েহে সৎভাৱে এই টকা বিলাক গ্ৰামোন্নয়ণৰ কাৰণে খৰচ কৰিব লাগে। আমি এতিয়াও দেখিবলৈ পাইছো এই বিভাগটো ৰি-অৰগেনাইজেশ্যন কৰা হোৱা নাই। ৰি-অৰগেনাইজেশ্যন কৰিবলৈ আমি পুণৰ অনুৰোধ জনাইছো। চৰকাৰে যিখিনি কাম কৰিছে বুলি কৈছে সেই খিনি মহামান্য ৰাজ্যপালৰ ভাষনতো উল্লেখ কৰা হৈছে - ১৯৮৭-৮৮ চন বছৰটোত প্ৰথম ১১টা মাহত আই, আৰ, ডি, পিৰ অধীনত ৩৭ হাজাৰ ৯১৭ জনক আৰু আগৰ ৮ হাজাৰ ৫৬২ জনক সাহায্য দিয়া হৈছে। এন, আৰ, ই, পিৰ অধীনত প্ৰথম ১১টা মাহত নিযুক্তিৰ ২২.২৩ লাখ কৰ্মদন সৃষ্টি কৰা হৈছে আৰু আৰ, এল, ই, জি, পীৰ অধীনত ২৮.৮৭ কৰ্মদনৰ সুবিধা উলিওৱা হৈছে। দৰীদ্ৰতা দূৰীকৰণৰ অৰ্থে সৰ্বাত্মক প্ৰচেষ্টা চলোৱাৰ বাবে চৰকাৰৰ প্ৰতিশ্ৰুত নীতিৰ পৰিপ্ৰক্ষিতত এই আঁচনিবোৰৰ নিবিঢ় আৰু নিয়মীয়া পৰ্য্যবেক্ষন তথা পূণৰিক্ষনত চৰকাৰে অত্যাধিক গুৰুত্ব দিছে। এই খিনি কাম কৰা হৈছে বুলি কোৱা হৈছে যদিও বাস্তৱ ক্ষেত্ৰত আমি দেখিবলৈ পোৱা নাই। গতিকে মন্ত্ৰী মহোদয়ক অনুৰোধ

*/ Speech not corrected

জনাইছো যাতে গ্ৰামোন্নয়ন বিভাগটোৰ ওপৰত ভালদৰে চকু দিয়ে। আমি এই বাজেট সম্পৰ্কত দেখিবলৈ পাইছো আৰু এই সম্পৰ্কত মই কব বিচাৰিছো Special programme for Rural Development.

স্পেচিয়েল প্ৰগ্ৰেম ফৰ ৰুৰাল দেভেলপমেণ্টৰ কাৰণে ৪১ কোটি ৬১ লাখ ৮৫ হাজাৰ টকা ধাৰ্য্য কৰা হৈছে আৰু এইখিনি বিচৰা হৈছে। ইয়াত আমি দেখিছো ১০ কোটি ৪৭ লাখ টকা অৰ্ডাৰ এক্সপেন্দিচাৰৰ কাৰণে ৰখা হৈছে, এই অৰ্ডাৰ এক্সপেন্দিচাৰৰ কাৰণে ৰখা টকাতো কেনে ধৰণৰে কত খৰচ কৰা হব সেই বিষয়ে জনাব লাগে। ট্ৰাইবেল চাব-প্লেনৰ কাৰণে বহু টকা ধাৰ্য্য কৰা হৈছে, যোৱা কালি এজন মাননীয় সদস্যই ট্ৰাইবেল চাব-প্লেনৰ টকাবিলাক সৎভাৱে খৰচ কৰা নাই বুলি কৈছে। জনজাতি উন্নয়ণৰ টকাবিলাক যাতে সৎভাৱে খৰচ কৰিব পৰা হয় তাৰ কাৰণে চকু দিব লাগে। ইয়াৰ পিচত মই দেখিবলৈ পাইছো আৰু মাননীয় সদস্য এগৰাকীয়ে কৈ গৈছে বায়ো গেচৰ কাৰণে এইবাৰ ১ কোটি ৮৪ হাজাৰ টকা ধৰিছে কিন্তু এই টকাতো বায়ো গেচত খৰচ কৰা হোৱা নাই। সেইদৰে এষ্টাব্লিচমেণ্টৰ কাৰণে ১ কোটি ৫০ লাখ টকা ধৰা হৈছে। সেয়েহে মই অনুৰোধ জনাইছো পৰিকল্পনা আৰু পৰামৰ্শ দাতাৰ নিৰ্দেশানুযায়ী যি খিনি টকা বিভিন্ন শিতানত ধাৰ্য্য কৰা হৈছে সেই টকা খিনি অসমৰ ৰাইজৰ কল্যাণ ও উন্নয়ণৰ কাৰণে বাস্তৱ আৰু বিজ্ঞান সন্মত ভাবে খৰচ কৰিব লাগে। বায়ো গেছৰ কাৰণে যি খিনি টকা ধৰিছে সেই টকা খিনিয়ো সঠিক ভাবে খৰচ কৰিব লাগে। এই খিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Shri Altaf Hussain Mazumder :** Hon'ble Mr. Speaker Sir, I take my stand to support the cut motion. After hearing the speeches of the Hon'ble members from both position and opposition. I am feeling sympathy for the well intentioned matured Minister of old age. With due apology to the Hon'ble Minister, I shall try to give a feather–touch in criticising the policies of the Rural Development Department. Government of India, under the 20-point programme, give money to the States for the purpose of development of the rural areas and

employment to be generated. All the Hon'ble members of this House want that more money should be given to this backward state. Unfortunately, we ourselves are making our case weak. We are not able to spend money in the Rural Development Department. I request the Hon'ble Minister that the points raised by the Hon'ble members should be looked into and replied properly. The Minister should not read only an essay prepared by the officers in his reply. Hon'ble Minister should go to the depth of the debates and the points raised by the Hon'ble Members. Sir, my first question is let the Hon'ble Minister reply as to how much money is left unspent upto 31st March '88 ? Next, how many crores of rupees are lying without reconciliation with the banks. There are large number of Bank accounts in the Banks, but there is no reconciliation. After 10 years, we will come to know that lots of money have been misappropriated. In Cachar district, one crore of rupees had to be diverted from Project Director's Office. So, Sir, kindly listen what the Honb'le members say. Take us into confidence. Take the Hon'ble members into confidence. The members are in the field. As the time is very short, I will just speak on a few points. Sir, I want to point out the bad conditions of the roads. The Rural Development Department has not been able to develop the roads. Will the P.W.D take these roads. There may be one or two good roads. But I am telling the general condition of the roads. Sir, I find that this Ministry has got no control over the officers. Hon'ble Minister may have good intention that the Assam should

be developed, poor people should get the benefit. (voices............... voices) Don't say 'Agot', 'pisot'. Sir, what is happening today. Sir, what is happening today ? That is our concern. What has happened earlier is not our concern. Sir, by saying "আগত" you are giving premium to the officers. That is why they are doing all these things. Sir, there is one Anjan Bhattacharya, working as S.O. under Udarband Block, who has become very powerful and misappropriating Govt. money like anything. He even did not care to hear the words of Hon'ble Member Shri Joyprakash Tiwary MLA, chairman, B.L.C.C. of Udarband Block who is present in the House. This man has devoured a large amount out of sanctioned for the work of Bahadurpur L.P. School under the Block. This matter along with other matters of corruption were even brought to the higher authorities but no action has been taken against this person. Sir, when Hon'ble member Shri Tiwari complanned the Hon'ble Minister, Minister's reply was not at all convincing. Sir, if the Hon'ble Minister, Minister's reply was not at all convincing. Sir, if the Hon'ble Minister finds it difficult to work in this department, then he may approach the Chief Minister for some other department so that one of the young ministers may take charge of the deptt. But he cannot allow things to go on in this way. This is the department where we find that lot of Govt. maney is wasted though man provided by Govt. at hand in the name of N.R.E.P., R.L.E.G.P. etc. Therefore, my submission is that Minister should visit the block personally and see that it should run properly. With

these words, Sir, I conclude.

**Mr. Speaker :** Order, order, now Hon'ble Minister of Revnue will give the reply.

**শ্ৰীচন্দ্ৰ আৰম্ভৰা (মন্ত্ৰী) ঃ** যোৱা কেইবছৰত ভাৰত চৰকাৰৰ গ্ৰাম্য উন্নয়ণ মন্ত্ৰালয়ে কেইবাখনো গ্ৰাম্য উন্নয়ণ আঁচনি হাতত লৈছে। এই আঁচনি সমূহ হ'ল সমন্বিত গ্ৰামীন বিকাশ আঁচনি, গ্ৰামীন যুৱক যুৱতীৰ আত্ম সংস্থাপনৰ ৰাষ্ট্ৰীয় প্ৰশিক্ষণ কাৰ্যসূচী, গ্ৰামীন মহিলা আৰু শিশুৰ উন্নয়ণৰ আঁচনি, ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ আঁচনি, আৰু গ্ৰামীন ভূমিহীন লোকৰ নিশ্চিত নিয়োগ আঁচনি। এই আঁচনি সমূহৰ মূল লক্ষ্য সমূহ হৈছে গ্ৰামীন দৰিদ্ৰ আগবঢ়োৱা, গ্ৰাম্য অঞ্চলত নিয়োগৰ সুবিধা দিয়া আৰু স্থায়ী সমূহীয়া সম্পদৰ সৃষ্টি কৰা। এই সকলোবোৰ আঁচনি ভাৰত চৰকাৰে পোষকতা কৰে যদিও এই আঁচিন সমূহৰ কেইখনমান আঁচনিৰ ব্যয় কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰে ৫০ ঃ ৫০ ভিত্তিত বহণ কৰে। গ্ৰামীন ভূমিহীন লোকৰ নিশ্চিত নিয়োগ আচঁনিৰ দৰে কেইখনমান আঁচনিৰ সম্পূৰ্ণ ব্যয় ভাৰত চৰকাৰে বহণ কৰে। এই আটাইবোৰ দৰিদ্ৰতা দূৰিকৰণ আঁচনি আৰু এই আঁচনিবোৰৰ লক্ষ্য হ'ল সমাজৰ আটাইতকৈ দুখীয়া শ্ৰেণীৰ লোকক সহায় কৰা।

ওপৰত উল্লেখ কৰা আঁচনিবোৰৰ উপৰিও ভাৰত চৰকাৰৰ ১০০% সাহায্যৰ জৈৱিক গেছ উন্নয়ণৰ ৰাষ্ট্ৰীয় আঁচনিৰ ৰূপায়ণৰ দায়িত্বত গ্ৰাম্য উন্নয়ণ বিভাগৰ ওপৰত ন্যস্ত কৰা হৈছে। ভাৰত চৰকাৰে পোষকতা কৰা সমনিত গ্ৰামীন শক্তি উৎপাদন নামৰ নতুন আঁচনি এখন কাৰ্যকৰী কৰাৰ দায়িত্বও গ্ৰাম্য উন্নয়ণ বিভাগৰ ওপৰত যোৱা বছৰৰ পৰা ন্যস্ত কৰা হৈছে। এই আঁচনি সমূহৰ লক্ষ্য সমূহ চলিত বছৰৰ কাৰণে ধাৰ্য কৰা কৰণীয় লক্ষ্য আৰু বিত্তীয় লক্ষ্য আৰু লগতে যোৱা বছৰৰ এই আঁচনি বোৰৰ সাফল্য তলত উল্লেখ কৰা হৈছেঃ

**(ক) সমন্বিত গ্ৰামীন বিকাশ আঁচনি ঃ**

এই আঁচনিৰ লক্ষ্য হৈছে চিনাক্তকৃত দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়াল সমূহক বেঙ্কৰ ঋণৰ যোগেদি দৰিদ্ৰ সীমাৰে ওপৰলৈ উন্নীত কৰা আৰু তেনে পৰিয়াল সমূহক গ্ৰাম্য খণ্ডত নিয়োগৰ সুবিধা দিয়া। ১৯৭৮-৭৯ চনত প্ৰথমতে কেইটামান নিৰ্বাচিত উন্নয়ণ খণ্ডত এই আঁচনিৰ কাম আৰম্ভ কৰা হয় আৰু ২-১০-৮০ৰ পৰা এই আঁচনিখন ভাৰতৰ সকলো উন্নয়ণ খণ্ড লৈকে সম্প্ৰসাৰন কৰা হয়।

এই আঁচনিখন কেন্দ্ৰীয় চৰকাৰে পোষকতা কৰে আৰু আঁচনিখনৰ ব্যয় কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে ৫০ ঃ ৫০ ভিত্তিত বহণ কৰে। চলিত বছৰত ১৩৯০.০০ লাখ টকা বিত্তীয় লক্ষ্যৰে দাৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা ৬৯,৫০০ টা পৰিয়ালক এই আঁচনিৰ যোগেদি সাহায্য কৰণৰ প্ৰস্তাৱ কৰা হৈছে। এই মুঠ বিত্তীয় লক্ষ্যৰ ৬৯৫.০০ লাখ টকা অসম চৰকাৰৰ ভাগত আৰু ৬৯৫.০০ লাখ টকা ভাৰত চৰকাৰৰ ভাগত প্ৰস্তাৱ কৰা হৈছে। যোৱা বিত্তীয় বছৰত ২৭,৯৫৬ টা নতুন পৰিয়াল আৰু ষষ্ঠ পৰিকল্পনাৰ কালছোৱাত সাহায্য দিয়া ৫,৩,৩০০ টা পুৰণা উপকৃত ব্যক্তিক সাহায্য দিয়াৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছিল; বিত্তীয় লক্ষ্য আছিল ১৩৬৮,০০ লাখ টকা আৰু ইয়াৰ আধা টকা কেন্দ্ৰীয় সাহায্য আছিল। ১৯৮৭-৮৮ চনৰ কালছোৱাত নিৰ্দ্ধাৰণ কৰা লক্ষ্যৰ বিপৰীতে সৰ্বমুঠ ৪৬,২৪৫ টা নতুন পৰিয়াল আৰু ১৯,৮৯৮ টা পুৰণা পৰিয়ালক সাহায্য দিয়া হয়। আলোচিত বছৰটোত মুঠ ব্যয় হয় ১৭০২.৪২ লাখ টকা। (এই ব্যয় কৰোতে ইয়াৰ আগৰ বছৰত বাকী থকা ধনও অন্তৰ্ভূক্ত কৰা হয়)। আঁচনি খনৰ লগত চিনাক্তকৃত ব্যক্তি সমূহক বেংকৰ ঋণৰ ব্যৱস্থা কৰাৰ বিষয়টোও জড়িত আছে। বেংকৰ ঋণৰ লগত চৰকাৰী ৰাজসাহায্য আগবঢ়োৱা হয়। এই আঁচনিখন কাৰ্যকৰী কৰোতে অনুসূচীত জাতি/অনুসূচীত জনজাতি আৰু মহিলাসকলৰ স্থান সুনিশ্চিত কৰাৰ কাৰণে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হয়। ১৯৮৭-৮৮ চনৰ কালছোৱাত ৩৩৯৫ জন অনুসূচীত জাতি, ৯৬৪৫ জন অনুসূচীত জনজাতি আৰু ৫১৮৭ গৰাকী মহিলালৈ সাহায্য দিয়া হয়। চলিত বছৰত ৮০০০ জন অনুসূচীত জাতি, ৯০০০ জন অনুসূচীত জনজাতি আৰু ২০,০০০ গৰাকী মহিলাক সাহায্য দিয়াৰ প্ৰস্তাৱ কৰা হৈছে।

<u>আত্মনিয়োগৰ বাবে গ্ৰাম্য যুৱ যুৱতী প্ৰশিক্ষণ আঁচনি (ট্ৰাইচেম)</u>

এই আঁচনিখন সমন্বিত গ্ৰামীন বিকাশ আঁচনিৰ আনুসঙ্গিক আঁচনি। এই আঁচনিখনৰ মূখ্য উদ্দেশ্য হৈছে দৰিদ্ৰ সীমাৰেখাৰ তলত থকা পৰিয়ালৰ যুৱক-যুৱতী সকলক কৃষি আৰু ইয়াৰ আনুসঙ্গিক আঁচনি, কুটিৰ শিল্প, সেৱা আৰু ক্ষুদ্ৰ ব্যৱসায়ৰ বিভিন্ন আঁচনিৰ জৰিয়তে আত্ম নিয়োগ হ'বৰ বাবে কাৰিকৰী ভাবে নিপুণ কৰি তোলা। সমন্বিত গ্ৰামীন বিকাশ আঁচনিৰ বাবে আবণ্টন কৰা পুঁজিৰ শতকৰা ১৫ ভাগ উক্ত আঁচনি ৰূপায়ণৰ কাৰণে ধাৰ্য্য কৰা হয়। ১৯৮৭-৮৮ চনৰ বছৰটোত ৪৮৬৫ জন গ্ৰামীন যুৱক-যুৱতীক প্ৰশিক্ষণ দিয়া হয় আৰু ইয়াৰ ভিতৰৰে ১২৩৩ জন স্বনিয়োজিত হ'বলৈ

সক্ষম হয়। চলিত বছৰটোত ৭০০০ জন গ্ৰামীন যুৱক-যুৱতীক বিভিন্ন ক্ষেত্ৰত আত্ম নিয়োগৰ উদ্দেশ্যৰে প্ৰশিক্ষণ দিয়াৰ প্ৰস্তাৱ কৰা হৈছে।

**প্ৰশিক্ষণৰ গাঠনি সুদৃঢ় কৰণৰ কাৰণে সাহায্য ঃ**

ওপৰোক্ত আঁচনিৰ অধীনত প্ৰশিক্ষণ দিয়া অনুস্থান। স্বেচ্ছাসেৱী সংস্থা আদিক আৰ্থিক সাহায্য দি প্ৰশিক্ষণৰ ভেটি, শক্তিশালী কৰিবলৈ ভাৰত চৰকাৰে এখন আঁচনি প্ৰৱৰ্তন কৰিছে। এই আঁচনিখনৰ ব্যয় ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰে ৫০ ঃ ৫০ ভিত্তিত বহণ কৰে। ১৯৮৭-৮৮ চনৰ বছৰটোত এই আঁচনিৰ অধীনত ৫টা তেনেধৰণৰ অনুষ্ঠান আৰু স্বেচ্ছাসেৱী সংস্থালৈ সাহায্য দিয়া হয় আৰু তাৰ বাবে ভাৰত চৰকাৰৰ ১২.১৮ লাখ টকা আৰু ৰাজ্য চৰকাৰে ৭.০০ লাখ বহণ কৰে। ইয়াৰ বাবে চলিত বিত্তীয় বছৰটোত ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰ উভয়ৰে ১০ লাখ টকাকৈ মুঠ ২০ লাখ টকা প্ৰস্তাৱ কৰা হৈছে। তদুপৰি এই আচঁনিখনৰ বাবে ভাৰত চৰকাৰে তেওঁলোকৰ অংশ ১৪.০৭ লাখলৈ বৃদ্ধি কৰিবলৈ সন্মত হৈছে।

**গ্ৰাম্য অঞ্চলৰ মহিলা আৰু শিশু সকলৰ বিকাশ আঁচনি**

গ্ৰাম্য অঞ্চলত মহিলা আৰু শিশু সকলৰ বিকাশ আঁচনিখন কেন্দ্ৰীয় চৰকাৰে পোষকতা কৰা অন্য এখন আঁচনি। এই আঁচনিখন সমন্বিত গ্ৰামীন বিকাশ আঁচনিৰ নিচিনা যদিও এই আঁচনিখনে দৰিদ্ৰ সীমা ৰেখাৰ তলত বাস কৰা শিশু আৰু মহিলা সকলৰ উন্নয়ণৰ ওপৰত বিশেষ গুৰুত্ব দিয়ে। এই আঁচনিখনৰ খৰচ ৰাজ্য চৰকাৰ, কেন্দ্ৰীয় চৰকাৰ আৰু ইউনিচেফে সমানে বহণ কৰে। আৰম্ভণিতে আঁচনিখন কাৰ্বি আংলং জিলাৰ চাৰিটা উন্নয়ণ খণ্ড আৰু ধুবুৰী জিলাৰ পাচটা উন্নয়ণ খণ্ডত কাৰ্যকৰী কৰা হৈছিল বৰ্তমান এই আঁচনিখন দৰং আৰু নগাওঁ জিলাৰ আটাইকেইটা উন্নয়ণ খণ্ডলৈকে সম্প্ৰসাৰিত কৰা হৈছে। ১৯৮৭-৮৮ চনৰ বছৰটোত ২৮০ গোট সংগঠন কৰাৰ কাৰণে জিলা গ্ৰামীন বিকাশ অভিকৰণবোৰলৈ ১৫.২০ লাখ টকা দিয়া হৈছিল। (ইয়াৰে ৰাজ্যিক অংশ ৫.১০ লাখ টকা, কেন্দ্ৰীয় অংশ ৫.১০ লাখ টকা আৰু ইউনিচেফৰ অংশ ৫.০০ লাখ টকা) চলিত বছৰত ৩০০ টা গোট (সাময়িক লক্ষ্য) সংগঠন কৰাৰ কাৰণে ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰ চৰকাৰ উভয়ৰে ৭ লাখ টকাকৈ মুঠ ১৪.০০ লাখ টকা বাজেটৰ প্ৰস্তাৱ কৰা হৈছে। (ইউনিচেফৰ অংশ সংশ্লিষ্ট গ্ৰামীন বিকাশ অভিকৰণ সমূহলৈ পোনপটীয়া ভাৱে দিয়া হয়।

**সমন্বিত গ্ৰামীন প্ৰশিক্ষণ আৰু কাৰিকৰী কেন্দ্ৰ (C.R.T.T.C)**

চলিত বছৰত দৰং জিলাৰ দিপিলাত এটা "কম্পজিত গ্ৰামীন প্ৰশিক্ষণ আৰু টেকনলজি কেন্দ্ৰ" (সমন্বিত গ্ৰামীন প্ৰশিক্ষণ আৰু কাৰিকৰী কেন্দ্ৰ) স্থাপন কৰাৰ বাবে প্ৰস্তাৱ কৰা হৈছে। এই কেন্দ্ৰটো স্থাপনৰ কাৰণে ২ লাখ টকাৰ ব্যয় প্ৰস্তাৱ কৰা হৈছে আৰু সেই অনুযায়ী ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰ উভয়ৰে ১ লাখ টকাকৈ মুঠ ২ লাখ টকা বাজেটত প্ৰস্তাৱ কৰা হৈছে।

(খ)**ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ আঁচনি (N.R.E.P.)**

পূৰ্বৰ কৰ্মৰ কাৰণে খাদ্য আঁচনি ১৯৮১-৮২ চনত ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ আঁচনি নামেৰে নতুনকৈ নামকৰণ কৰা হয়। এইখন এখন কেন্দ্ৰীয় চৰকাৰে পোষকতা কৰা আঁচনি আৰু ইয়াৰ ব্যয় কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে ৫০ ঃ ৫০ ভিত্তিত বহণ কৰে। এই আঁচনিখনৰ প্ৰধান লক্ষ্য সমূহ হ'ল - (ক) গ্ৰাম্য লোকক নিয়োগৰ সা-সুবিধা দিয়া। (খ) স্থায়ী সমূহীয়া সম্পদৰ সৃষ্টি কৰা আৰু (গ) গ্ৰাম্য লোকৰ পৰিপুষ্টিৰ মানদণ্ডৰ উন্নতি নিচিত কৰা। ১৯৮৭-৮৮ চনৰ বছৰটোত নিম্নোক্ত সম্পদ সমূহ সৃষ্টি কৰিবলৈ ৪০.৫৬ লাখ দিন মজুৰী (mandays) সৃষ্টি কৰিবৰ কাৰণে ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ পৰা যথাক্ৰমে ৪৮২.০০ লাখ আৰু ৫১২.০০ লাখ টকা আবণ্টন কৰা হয়-

(১) বিদ্যালয় ভৱন - ২৪০ টা, (২) গাৱলীয়া ৰাস্তা - ৯৬ কিলোমিটাৰ, (৩) সামাজিক বনানিকৰণ - ৩৪০০ হেক্টৰ, (৪) মৎস্য পালনৰ পুখুৰী - ৮০ টা, (৫) ক্ষুদ্ৰজলসিঞ্চন - ৫০০ হেক্টৰ।

আঁচনিখনৰ ৰূপায়ণৰ অগ্ৰগতি সন্তোষজনক হোৱাৰ বাবে ভাৰত চৰকাৰে ১৯৮৭-৮৮ চনত অতিৰিক্ত ২২৯.০০ লাখ টকা দিয়ে আৰু ৰাজ্য চৰকাৰেও নিয়মিত আবণ্টনৰ উপৰিও ২২৯.০০ লাখ টকা ৰাজ্য চৰকাৰৰ অংশ হিচাপে দিয়ে। ১৯৮৭-৮৮ চনত ১১৪৯.৩২ লাখ টকা ব্যয় কৰি ৩৩.৮২ লাখ দিন মজুৰী সৃষ্টি কৰা হয় আৰু ইয়াৰে ৮.৫৬ লাখ অনুসূচীত জনজাতি আৰু ৪.৮৯ লাখ অনুসূচীত জাতিৰ লোক উপকৃত হয়।

চলিত বিত্তীয় বছৰত ৪০.০০ লাখ দিন মজুৰী সৃষ্টি কৰাৰ উদ্দেশ্যৰে ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰ উভয়কে ৫.৪২ কোটি টকাকৈ মুঠ ১০.৮২ কোটি টকা ব্যয়ৰ প্ৰস্তাৱ কৰা হৈছে। এই শিতানত আবণ্টন কৰা ধণেৰে তাত উল্লেখিত হাৰত সমূহীয়া সম্পদ সমূহৰ সৃষ্টি কৰিবলৈ প্ৰস্তাৱ লোৱা হৈছে ঃ

(১) গাৱলীয়া ৰাস্তা — ১৩%

(২) বিদ্যালয় ভৱন — ২৫%
(৩) ক্ষুদ্ৰজলসিঞ্চন — ২৫%
(৪) সামাজিক বনানিকৰণ— ২৫%
(৫) অন্যান্য — ১২%

(গ) <u>ভূমিহীন গ্ৰাম্য লোকৰ নিশ্চিত নিয়োগ আচনি (**R.L.E.G.P**)</u>

ভূমিহীন গ্ৰাম্যলোকৰ নিশ্চিত নিয়োগ আঁচনিখন ভাৰত চৰকাৰে ১৫-৮-৮৩ তাৰিখৰ পৰা প্ৰৱৰ্তন কৰে আৰু অসমত এই আঁচনিখন ১৯-১১-৮৩ তাৰিখে আনুষ্ঠানিক ভাৱে উদ্বোধন কৰা হয়। এইখন কেন্দ্ৰীয় খণ্ডৰ আঁচনি আৰু ইয়াৰ সম্পূৰ্ণ খৰচ কেন্দ্ৰীয় চৰকাৰে বহণ কৰে। এই আঁচনিখন ৰূপায়ণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ আৰ্থিক বৰঙণি নাই। এই আঁচনিখনৰ উদ্দেশ্য হৈছে গ্ৰাম্য অঞ্চলত সমূহীয়া সম্পদৰ সৃষ্টি কৰি প্ৰত্যেকটো ভূমিহীন পৰিয়ালৰ এজন লোকক বছৰকেত কমেও ১০০ দিনৰ নিয়োগ নিশ্চিত কৰা।

১৯৮৭-৮৮ চনৰ বছৰটোত এই আঁচনিৰ জৰিয়তে ইন্দিৰা আৱাস যোজনাৰ অধীনত পিচপৰা সম্প্ৰদায়ৰ বাবে বাসগৃহ নিৰ্মান, গাৱলীয়া পিচপৰা লোকৰ বাবে ছেনিটাৰী পায়খানা, সামাজিক বনাণিকৰণ, বিদ্যালয় ভৱন নিৰ্মান আদি সমূহীয়া সম্পদ সৃষ্টি কৰিবলৈ ৩৮-২৫ লাখ দিন মজুৰী সৃষ্টি কৰিবৰ কাৰণে ৯৫৮.০০ লাখ টকাৰ বিত্তীয় আবণ্টন ধাৰ্য কৰা হৈছিল। উক্ত আঁচনিৰ অন্তৰ্গত ভাৰত চৰকাৰে ১৯৮৭-৮৮ চনত ৭৪৬.২৬ লাখ টকা মোকলাই দিয়ে আৰু বছৰটোত মুঠ ১০১৩.৯৩ লাখ টকা এই আঁচনিত ব্যয় কৰা হয় (পূৰ্বৰ বছৰত বাকী থকা ধন অন্তৰ্ভূক্ত কৰি) ১৯৮৭-৮৮ চনৰ বছৰটোত এই আচনিৰ অধীনত মুঠতে ৩৩.৮১ লাখ দিন মজুৰী সৃষ্টি কৰা হয় আৰু ইয়াৰ ভিতৰতে ৪.৬৩ লাখ অনুসূচীত জাতি আৰু ৭.৩৩ লাখ অনুসূচীত জনজাতিৰ লোক উপকৃত হয়।

চলিত বছৰটোত ভাৰত চৰকাৰে এই আঁচনিখনৰ ব্যয় ১২২০.০০ লাখ টকা বিত্তীয় আৱণ্টন কৰা বুলি জনাইছে। অৱশ্যে চলতি বিত্তীয় বছৰৰ বাজেটত ১৯৮৭-৮৮ চনৰ অনুদানৰ ভিত্তিত মাত্ৰ ১০১৬.০০ লাখ টকা প্ৰস্তাৱ কৰা হৈছে যাতে কেন্দ্ৰীয় চৰকাৰৰ মঞ্জুৰী পোৱাৰ লগে লগে ৰাজ্য চৰকাৰে উক্ত ধন যোজনাত পাব পৰে। এই প্ৰস্তাৱটো সামাজিক ভাৱেহে আগবঢ়োৱা হৈছে। আঁচনি খনৰ অধীনত চলিত বিত্তীয় বছৰটোত ওপৰত উল্লেখ কৰা ধৰণৰ সমূহীয়া সম্পদ সৃষ্টি কৰাৰ কাৰণে ৪০.০০ লাখ দিন

মঞ্জুৰী সৃষ্টি কৰাৰ প্ৰস্তাৱ কৰা হৈছে।

## খাদ্য সামগ্ৰীৰ বাবে ৰাজ সাহাৰ্য্য

ভাৰত চৰকাৰে এন.আৰ. ই. পি আৰু এন. ই. জি. পি আঁচনিৰ অধীনত ৰেহাই দৰত খাদ্য সামগ্ৰীও যোগান ধৰে। খাদ্য সামগ্ৰীৰ মঞ্জুৰীৰ এক অংশ হিচাবে বিতৰণ কৰা হয় (প্ৰতি দিন মঞ্জুৰীৰ বাবে ২.৫০ কিলো হিচাবত)। পৰিবহণ আৰু এই সংক্ৰান্তত হোৱা অন্যান খৰচকে ধৰি খাদ্য সামগ্ৰীৰ সকলো ব্যয় সম্পূৰ্ণ ভাৱে কেন্দ্ৰীয় চৰকাৰে বহণ কৰে আৰু ৰাজ্য চৰকাৰে এইক্ষেত্ৰত কোনো বৰঙনি আগবঢ়াব নেলাগে। ১৯৮৭-৮৮ চনৰ বছৰটোত ৰাজ্য চৰকাৰে পৰিবহণ শিতানত হোৱা ব্যয়ৰ কাৰণে ৫০.০০ লাখ টকা ভাৰত চৰকাৰৰ পৰা পায় (খাদ্য সামগ্ৰীৰ মূল্য ভাৰত চৰকাৰে ভাৰতীয় খাদ্য নিগমক পোনপটীয়া ভাৱে আদায় দিয়ে)।

চলিত বছৰত (১৯৮৮-৮৯) পৰিবহন শিতানত হোৱা ব্যয়ৰ বাবে ৰাজ্যিক বাজেটত ৯০.০০ লাখ টকা প্ৰস্তাৱ কৰা হৈছে যাতে ভাৰত চৰকাৰৰ পৰা মঞ্জুৰী পোৱাৰ লগে লগে উক্ত ধন মোকলাব পৰা হয়।

## জৈৱিক গেছ উন্নয়ণৰ ৰাষ্ট্ৰীয় আঁচনি (N.P.B.D)

জৈৱিক গেছ উন্নয়ণৰ ৰাষ্ট্ৰীয় আঁচনি খন ভাৰত চৰকাৰে প্ৰৱৰ্তন কৰা আঁচনি। বিস্তৰ পৰিমাণৰ গছ গছনি কাটি পেলোৱাৰ ফলত পৰিবেশ নষ্ট হোৱাটো প্ৰতিৰোধ কৰা আৰু অগতানুগতিক উৎসৰ পৰা আহৰণ কৰা শক্তিৰ প্ৰতি সকলোকে ক্ৰমান্বয়ে নিৰ্ভৰশীল কৰি তোলাই এই আঁচনিৰ মূখ্য উদ্দেশ্য। এই আঁচনিৰ যোগেদি গাওঁ আৰু নগৰ উভয় অঞ্চলৰ লোকক সস্তীয়া প্ৰজ্বালক যোগান ধৰিবলৈ ব্যৱস্থা কৰা হয়। এই আঁচনিৰ সম্পূৰ্ণ ব্যয় কেন্দ্ৰীয় চৰকাৰে বহণ কৰে। চৰকাৰী সাহাৰ্য্য উপকৃত লোকলৈ ৰাজ সাহাৰ্য্য হিচাবে দিয়া হয় ৰাজ সাহাৰ্য্যৰ বাহিৰে বাকী ব্যয় নিজৰ ধন নাইবা বেংকৰ ঋণৰ পৰা যোগাৰ কৰিব লাগে। জৈৱিক গেছৰ প্ৰকল্পৰ মুঠ খৰচৰ গড় হিচাবে প্ৰায় ৮৫% ৰাজ সাহাৰ্য্য হয়গৈ।

১৯৮৭-৮৮ বছৰটোত অসমত ১৮২৫টা জৈৱিক গেছৰ প্ৰকল্প স্থাপন কৰা হয় আৰু ইয়াৰ বাবে ৯১.২৫ লাখ টকা ৰাজ সাহাৰ্য্য হিচাবে দিয়া হয়। চলিত বিত্তীয় বছৰত প্ৰতি প্ৰকল্পৰ বিপৰীতে গড় হিচাবে ৫০০০.০০ টকাকৈ ৰাজ সাহাৰ্য্য দি ৩০০০ টা জৈৱিক গেছ প্ৰকল্প স্থাপন কৰাৰ প্ৰস্তাৱ কৰা হৈছে। সেই অনুপাতে ১৯৮৮-৮৯ বছৰটোৰ ৰাজ্যিক বাজেটত ১৮৬.০০

লাখ টকাৰ প্ৰস্তাৱ কৰা হৈছে। ভাৰত চৰকাৰৰ পৰা মঞ্জুৰী পোৱাৰ লগে লগে ৰাজ সাহাৰ্য্য আৰু প্ৰশাসনীয় ব্যয়ৰ বাবে প্ৰয়োজন হোৱা ধন মোকলাব পৰা হয়।

**সমন্বিত গ্ৰাম্য শক্তি যোজনা (I.R.E.P)**

ভাৰত চৰকাৰৰ দ্বাৰা প্ৰৱৰ্তন কৰা এই আঁচনিখনৰ লক্ষ্য হৈছে গাওঁ অঞ্চলত শক্তিৰ ব্যয় আহৰণৰ কাৰণে পৰিকল্পনা কৰা। এই আঁচনিখন অলপতে প্ৰৱৰ্তন কৰা হৈছে আৰু নলবাৰী, গোৱালপাৰা, নগাঁও আৰু শিৱসাগৰ জিলাৰ ৪টা নিৰ্বাচিত উন্নয়ণ খণ্ডত বৰ্তমানে কাৰ্য্যকৰী কৰা হৈছে। ১৯৮৭-৮৮ চনৰ বছৰটোত সংশ্লিষ্ট জিলা কেইখনলৈ ২৩.৮১ লাখ টকা দিয়া হয়। চলিত বছৰত (১৯৮৮-৮৭) ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰ উভয়ৰে ২১.০০ লাখ টকাকৈ মুঠ ৪২.০০ লাখ টকা ৰাজ্যিক বাজেটত প্ৰস্তাৱ কৰা হৈছে।

**ৰাজ্যিক গ্ৰামোন্নয়ণ প্ৰশিক্ষন কেন্দ্ৰ (S.I.R.D)**

বিভিন্ন গামোন্নয়ণ আঁচনিৰ সমূহৰ সঠিক ৰূপায়নৰ প্ৰতি ভাৰত চৰকাৰে যথেষ্ট গুৰুত্ব দিছে। গ্ৰামোন্নয়ণৰ ক্ষেত্ৰত কাৰ্য্যকৰী কৰিবলৈ লোৱা বিভিন্ন আঁচনিৰ অন্তৰ্গত ধাৰ্য্য কৰা বৃহৎ পৰিমাণৰ ধন ৰাশিৰ উপযুক্ত প্ৰয়োগৰ যোগেদি আঁচনি ৰূপায়নৰ দায়িত্বত থকা আৰু আঁচনি সমূহৰ পৰা উপকৃত হ'ব পৰা সকলো লোকে যাতে সৰ্বাধিক সুফল লাভ কৰিব পাৰে সেই উদ্দেশ্যৰে কেন্দ্ৰীয় চৰকাৰে গ্ৰামোন্নয়ণৰ ক্ষেত্ৰত প্ৰশিক্ষণৰ গাঠনিটো সুদৃঢ় কৰাৰ বাবে গভীৰ প্ৰচেষ্টা চলাইছে। বিভিন্ন পৰ্য্যায়ত প্ৰশিক্ষণ দিয়াৰ বিষয়টো বিবেচনা কৰি ভাৰত চৰকাৰে সুষ্ট পৰিকল্পনাৰ কালছোৱাত ২২ খন ৰাজ্যৰ প্ৰত্যেকতেগ্ৰাম্য উন্নয়ণ প্ৰশিক্ষণ আৰু গৱেষণাৰ একোটা ৰাজ্যিক পৰ্য্যায়ৰ প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰিবলৈ সিদ্ধান্তগ্ৰহণ কৰিছিল। ইয়াৰ কাৰণে এককালীন ব্যয় কেন্দ্ৰীয় চৰকাৰে সম্পূৰ্ণ ভাবে বহণ কৰে আৰু পুণঃ পৌনিক ব্যয় ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰে সমানে সমানে বহণ কৰে। এই অনুষ্ঠানটো স্থাপনৰ কাম চলি আছে আৰু ক্ষেত্ৰ ভিত্তিক বিষয়া কৰ্মচাৰী সকলক গুৱাহাটী গাওঁ পঞ্চায়ত সম্পাদক প্ৰশিক্ষণ কেন্দ্ৰ (জি.পি.এছ.টি.চি.ত) অস্থায়ী ব্যৱস্থাৰে প্ৰশিক্ষণ দিয়া হৈছে। চলিত বিত্তীয় বছৰত ৰাজ্যিক বাজেটত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে ৫০ ঃ ৫০ ভিত্তিত ব্যয় কৰাৰ বাবে ৮.০০ লাখ টকা প্ৰস্তাৱ কৰা হৈছে।

## প্ৰশাসন (ADMINISTRATION)

মুখ্য কাৰ্য্যালয়ত নিয়োগ কৰা কৰ্মচাৰী সকলৰ দৰমহা আদি যাবতীয় খৰচ ৰাজ্যিক চৰকাৰে বহণ কৰিব লাগে। তাৰ বাবে ৰাজ্যিক চৰকাৰৰ ১৯৮৮-৮৯ চনৰ বছৰেকীয়া আয় ব্যয়ৰ খছৰাত (বাজেট) পৰিকল্পনা ব্যয়ৰ শিতানত ১৩.৫০ লাখ আৰু পৰিকল্পনা বহিৰ্ভূত ২১.৩৫ লাখ টকা ধাৰ্য্য কৰা হৈছে।

মুখ্য কাৰ্য্যালয়ত থকা আঁচনি প্ৰস্তুত কৰা আৰু কামৰ প্ৰগতিৰ খতিয়ান ৰখা গোটৰ বাবে প্ৰয়োজনীয় খৰচ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে ৫০ ঃ ৫০ অনুপাতে বহণ কৰিব লাগে। সেই কাৰণে এই শিতানত কেন্দ্ৰীয় চৰকাৰৰ ১.৫০ লাখ আৰু ৰাজ্যিক চৰকাৰক ১.৫০ লাখ টকা হিচাবত মুঠতে ৩.০০ লাখ টকা ধাৰ্য্য কৰা হৈছে।

এই আঁচনি সমূহ ৰূপায়ন কৰিবলৈ খণ্ড উন্নয়নবোৰক শক্তিশালী কৰাৰ কাৰণে নিয়োগ কৰা কৰ্মচাৰী সকলৰ দৰ্মহাকে ধৰি প্ৰশাসনীয় খৰচৰ বাব্লে ২৭২.০০ লাখ টকা প্ৰয়োজন হব। আৰু এই ধন ৰাজ্যিক চৰকাৰৰ ১৯৮৮-৮৯ চনৰ বছৰেকীয়া আয় ব্যয়ৰ খৰচত প্ৰস্তাৱ কৰা হৈছে। এইখনো কেন্দ্ৰীয় ভাৱে পোষকতা কৰা আঁচনি আৰু ইয়াৰ বাবে হোৱা খৰচৰ ধন কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে ৫০ ঃ ৫০ অনুপাতে বহণ কৰিব লাগে আৰু এই হিচাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ সমান অংশ হিচাবে ১৩৬.০০ লাখকৈ ধন চলিত বছৰত ৰাজ্যিক বাজেটত প্ৰস্তাৱ কৰা হৈছে।

চলিত বছৰত নতুনকৈ স্থাপন কৰিবলৈ প্ৰস্তাৱ কৰা ১০ টা উন্নয়ণ খণ্ডৰ বাবে প্ৰচলিত নিয়োগ নীতিৰ মতে প্ৰয়োজনীয় ২২০ টা নতুন পদবীৰ সৃষ্টি কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে। এই নতুন পদপীকাৰী সকলৰ দৰমহাৰ বাবদ হব লগা খৰচ চলিত বছৰৰ বাজেটত প্ৰস্তাৱিত ধনৰ পৰা কৰা হব।

ৰাজ্যিক পৰিকল্পনাৰ অন্তৰ্ভূক্ত আঁচনিৰ বাব্লে নিৰ্দ্ধাৰণ কৰা ধণৰ পৰিমাণ (পৰিকল্পনা বহিৰ্ভূত খৰছৰ হিচাব সহ) তলত দিয়া হ'ল। (কেন্দ্ৰীয় চৰকাৰে আগবঢ়োৱা আৰু কেন্দ্ৰীয় খণ্ডৰ আঁচনি সমূহকে ধৰি) ঃ

| | | |
|---|---|---|
| (১) ৰাজ্যিক পৰিকল্পনাৰ অন্তৰ্ভূক্ত আঁচনিত | ঃ | ১৪৩১.০০ লাখ |
| পৰিকল্পা বহিভূত আঁচনিত | ঃ | ২০.৩৫ লাখ |
| (২) কেন্দ্ৰীয় চৰকাৰে পোষকতা কৰা আঁচনিত | ঃ | ১৪১৭.৫০ লাখ |
| (৩) কেন্দ্ৰীয় খণ্ডৰ আঁচনিত | ঃ | ১২৯২.০০ লাখ |
| সৰ্বমুঠ | | ৪১৬১.৮৫ লাখ |

উপৰোক্ত হিচাবৰ পৰা দেখা যায় যে বাজেটত প্ৰয়োগ কৰা সৰ্বমুঠ ৪১৬১.৮৫ লাখ টকাৰ ভিতৰত ৰাজ্য চৰকাৰৰ অংশ হ্‌ব ১৪৫২.৩৫ লাখ টকা। অৰ্থাৎ বিভিন্ন গ্ৰামোন্নয়ণ আঁচনিৰ বাবে ৰাজ্য চৰকাৰৰ খৰচ ৩৪.৮৯% ভাগৰ বিপৰীতে কেন্দ্ৰীয় চৰকাৰৰ খৰচ হ্‌ব ৬৫.১০% ভাগ। অসমৰ সৰ্বাংগীন উন্নতিৰ প্ৰতি লক্ষ্য ৰাখি কেন্দ্ৰীয় চৰকাৰৰ ৬৫.১০% ভাগ বৰঙণিৰ বিপৰীতে ৰাজ্য চৰকাৰৰ ভাগত পৰা ৩৪.৮৯% বৰঙণি সম্পূৰ্ণ ন্যায়সংগত হৈছে।

গ্ৰামোন্নয়ণ বিভাগৰ কামৰ লগত ৰাইজ জৰিত আৰু এই ব্যৱস্থাটোত বিকেন্দ্ৰীকৰণ অধিক মাত্ৰাত আছে। ব্লক পৰ্য্যায়ত সমন্নয় সংৰক্ষণ কমিতি (B.L.C.C) আছে আৰু প্ৰত্যক B.L.C.Cত স্থানীয় বিধায়কে নেতৃত্ব দিছে। B.L.C.C এ বিভিন্ন আঁচনি যুগুত কৰে।

জিলা পৰ্য্যায়ত D.R.D.Aত উপাযুক্তৰ নেতৃত্বাধীন গভাৰণিং বডি আছে। সকলো MLA আৰু MP এই গভাৰণিং বডিৰ সদশ্য। আঁচনি ৰূপায়ণ মঞ্জুৰী, আৰু তত্বাবধানৰ আটাইবোৰ ক্ষমতা তেওঁলোকৰ হাতত আছে। কেন্দ্ৰীয় চৰকাৰে অকল R.L.E.G.P আঁছনি অনুমোদন কৰে আৰু R.L.E.G.Pৰ সৰহ ভাগ প্ৰস্তাৱ B.L.C.Cৰ যোগেদি আহি থাকে।

জিলা বা ব্লক পৰ্য্যায়ত কিবা আসোৱাহ থকা হ'লে মাননীয় বিধায়ক সকলে B.L.C.Cৰ সভাপতি হিচাবে চাব পাৰে আৰু গভাৰণিং বডিৰ সদস্য হিছাবে তেওঁলোকে যথাবিহিত নিৰ্দেশ দিব পাৰে আৰু কাম বন্ধ কৰা আদি বিহিত ব্যৱস্থা লব পাৰে। সম্ভৱত ৰাজ্য চৰকাৰৰ অধীনত আন কোনো বিভাগ নাই যত অনাচৰকাৰী প্ৰতিনিধি সকলৰ ওপৰত ইমান দায়িত্ব দিয়া হৈছে। মাজে সময়ে সদনত মাননীয় বিধায়ক সকলৰ মাজৰ পৰা স্থানীয় ভাবে টিং পাত, বিলাতী মাতি আৰু M. S. Rod ইত্যাদি কিনাৰ বাবে অনুৰোধ আহিছে। ১৯৮৭-৮৮ চনত ২২০ মেট্ৰিকটণ টিন পাত যাৰ মুল্য ৩৩৩ লাখ টকা বিভিন্ন D.R.D.Aলৈ যোগাণ ধৰা হৈছে। উল্লেখযোগ্য যে তেতিয়া বজাৰত টিন পাট যোগাণৰ ক্ষেত্ৰত নাতনি আছিল। অৱশ্যে সময় মতে যোগান ধৰা সম্ভৱ হোৱা নাই, কাৰণ সেই সময়ত যোগান ব্যৱস্থা এই বিভাগৰ আয়ত্বাধীন নাছিল। তথাপি এই বিভাগে S.A.I.L. আৰু T.I.S.C.Oৰ পৰা ২২২০ মেট্ৰিক টণ টিণ পাট, ১৬৩ মেট্ৰিক টণ RIBBED BAR কিনিবলৈ সমৰ্থ হয়। যেতিয়া এই দুয়োতা প্ৰতিস্থাণে যোগান ধৰিব পৰা নাই, তেতিয়া এই বিভাগে ৯০০ মেট্ৰিকটণ M.S. Rod স্থানীয় ভাৱে কিনিবলৈ

বাধ্য হয়। ঠিক সেইদৰেই যেতিয়া বিলাতী মাৰ্টিৰ নাটনিয়ে দেখা দিয়ে তেতিয়া D.R.D.A. বোৰক Non-Levy বিলাতী মাৰ্টিৰ যোগান ধৰা হয়। এই বিভাগে ১৯৮৭-৮৮ চনত ১১০২ মেট্ৰিকটণ Levy Cement D.R.D.A বিলাকক যোগান ধৰে।

আঁচনি বিলাক ৰূপায়ণৰ ক্ষেত্ৰত বিশেষকৈ স্কুল গৃহ নিৰ্মাণৰ ক্ষেত্ৰত কমিটি বিলাকক যুক্ত বা জৰিত কৰা হৈছে। নিয়ম অনুযায়ী বিভাগীয় ক্ষমতা বিভিন্ন স্তৰত প্ৰদান কৰা হৈছে। কাৰিকৰী ক্ষেত্ৰত শৃংখলা কৰিবৰ বাবে প্ৰত্যেক D.R.D.Aত একোজনকৈ কাৰ্য্যবাহী অভিয়ন্তাৰ নিযুক্তি দিয়া হৈছে। বিভাগীয় প্ৰচেষ্টা থকা তেওঁ সকলো বিলাক ব্যৱস্থা সম্পূৰ্ণ আসোয়াহ যুক্ত হোৱা নাই। এই কামত নিযুক্ত থকা বিষয়া সকলৰ গুণগত মান আৰু ৰাইজৰ সহায় সহাৰি আৰু অন্যান্য কাৰণৰ ওপৰত এই কাৰ্য্য সূচীৰ ৰূপায়ণত নিৰ্ভৰ কৰে।

পঞ্চায়ত ৰাজৰ নতুন তিনি খলপীয়া ব্যৱস্থাত আঞ্চলিক পঞ্চায়ত গঠন হোৱাৰ পিছত এই বিভাগৰ কাৰ্য্যসূচী সাধাৰণ মানুহে আৰু যোগ দিয়াৰ সুবিধা পাব। আশাকৰা গৈছে ব্লক পৰ্য্যায়ত পঞ্চায়ত গঠন হোৱাৰ পাছত এই বিলাক সমস্যাৰ সমাধানৰ সুবিধা হব। আজিৰ সদনত গছপুলি ৰোৱা বিষয়টোৰ ওপৰত আলোচনাই অধিক গুৰুত্বপূৰ্ণ ঠাই পাইছে। এই কথাটো মই সদনত নুই নকৰো। কাৰণ মই নিজেও কিছুমান ঠাইত দেখি আহিছো যে যত ২৫০০ গছ পুলি ৰুব লাগে তাত ২০০ গছ পুলি ৰোৱা হৈছে আৰু নাকি ধপাত গছৰ পুলিও ৰোৱা দেখা পাইছো। গতিকে মই ভাবো যে ৰাইজৰ কাম কৰিবলৈ হ'লে এটা সেৱাৰ মনোভাবেৰে কৰিব লাগিব। কোনো টেবলেট বা ঔষধ খুৱাই ৰাইজৰ সেৱা কৰাব পৰা নাযায়। আচলতে এই বেমাৰটো পুৰণি হৈ গ'ল। এতিয়া এনেকুৱা দেখা গৈছে যে আগৰ যি সকল ব্লকৰ বিষয়া আছিল সেই সকলৰ ছাল আমাৰ প্ৰতীক গড়ৰ চালৰ দৰে টান হৈ গৈছে। মই সময় পালেই গৈ ২/৪ টা ব্লক চাইছো। সেই বিলাক চাই মোৰ এইটো ধাৰণা হৈছে। আচলতে গছ পুলি ৰোৱাৰ কাৰণে যিটো টকা সেই টকা কেন্দ্ৰীয় চৰকাৰৰ। আৰু ইয়াত যি বিলাক অসোৱাহৰ কথা কৈছে সেই বিলাক মুকলি মনলৈ গঠন মূলক দৃষ্টিভংগীৰে আলোচনা কৰিলে আমি নিশ্চয় সফল হব পাৰোঁ। কেইবাজনো বিশেষকৈ চৰকাৰী পক্ষৰ সদস্যই এটা অভিযোগ কৰিছে যে যি বিলাক ঘৰ সজাৰ বস্তু অনা হয় সেই বিলাক কাৰ স্বাৰ্থত অনা হয়? মই কওঁ যে এই ঘৰ সজা বস্তু বিলাক জন সাধাৰণৰ স্বাৰ্থতে অনা হয়। আমি

যি বিলাক টিনপাত যোগান ধৰিছো সেই বিলাক মুকলি বজাৰত কিনিবলৈ পোৱা নাযায়। বিভাগটোৰ উদ্দেশ্য হ'ল দৰিদ্ৰ জনসাধাৰণৰ যাতে কাম হয়। বস্তু বিলাকৰ মানদণ্ড ভাল হোৱাটো কামনা কৰো। ইটা, বালি বা কাঠৰ কাম স্থানীয় ভাৱে খণ্ড উন্নয়ণৰ কাৰ্য্যালয়ত কৰে। তাৰ চেয়াৰমেন সকল যদি সক্ৰিয় হয়, তেন্তে নিশ্চয় মানদণ্ড উন্নত হ'ব। সামাজিক বনানিকৰণ বিষয়টো ৰাষ্ট্ৰীয় নীতিত পৰে। মাননীয় সদস্যসকলে বি.এল.চি. চিৰ সভাপতি হিচাপে, বি. এল. চি. চিৰ জড়িয়তে কাম খিনি কৰোৱাৰ ব্যৱস্থা কৰিব পাৰে। গাঁৱৰ ওচৰৰ নিৰ্দিষ্ট গৰীৱ লোক সকলে এই আঁচনি ৰূপায়িত কৰিব পাৰে। গ্ৰামোন্নয়ণৰ আলি-বাট বন্ধাৰ কাম ৰাইজৰ শ্ৰমদানত হৈছে। এই কাম গড়কাপ্তানি বিভাগৰ মানদণ্ডতকৈ উন্নত হৈছে। বনানিকৰণ আঁচনি অসম চৰকাৰে এবলিচ কৰিব নোৱাৰে। মাননীয় সদস্য শ্ৰীওচমানিয়ে কৈছে যে কেন্দ্ৰীয় মন্ত্ৰী এই বিষয়ত শিথিল হব। যোৱাবাৰৰ এফ. ডি. আৰৰ টকা মাৰ্চ মাহত দিব পাৰিছো। অসমত মনচুন আগতে আৰম্ভ হয়। কেন্দ্ৰীয় মন্ত্ৰীকো কৈছো যে অসমৰ বাবে টকাখিনি জানুৱাৰী মাহত দিব লাগে, মাৰ্চত দিলে বাৰিষা আৰম্ভ হয়, কাম কৰিব নোৱাৰো। কিন্তু সেইটো হোৱা নাই। গ্ৰামোন্নয়ণ বিভাগটো যদি উন্নত কৰিব নোৱাৰো তেন্তে গাৱঁৰ ৰাইজৰ উন্নতি সাধন কৰিব নোৱাৰিম। গাৱঁৰ উন্নতি হলেহে সামগ্ৰীক ভাৱে অসমৰ উন্নতি হৈছে বুলি কব পাৰি। মাননীয় সদস্যসকলে মূল্যবান পৰামৰ্শ আগবঢ়োৱাৰ বাবে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। সদনৰ ভিতৰত আৰু বাহিৰত গঠন মূলক পৰামৰ্শৰ আশা কৰিলো মোৰ ব্যক্তিগত অভিজ্ঞতা হৈছে যিটো সমষ্টিৰ মাননীয় বিধায়কে ঘূৰি পকি কাম খিনিৰ তদাৰক কৰিছে তাত সচাকৈ ভাল কাম হৈছে। এজন মাননীয় বিধায়কক জুনিয়ৰ ইঞ্জিনিয়াৰ কাৰ্য্যবাহী অভিযন্তাই কেতিয়াও দিফাই কৰিব নোৱাৰে। বিধায়ক সকলে যিখিনি সময় পায়, সেই খিনি সময়ত কামবিলাকৰ নিশ্চয় তদাৰক কৰিব বুলি আশা কৰি কৰ্তন প্ৰস্তাৱটো উঠাই লবৰ বাবে অনুৰোধ জনালো।

**Mr. Speaker :** Now, Mr. Aminul Islam. Will you withdraw your cut motion?

**Shri Aminul Islam :** Yes, Sir.

**Mr. Speaker :** Is it the pleasure of the House to grant leave to withdraw the cut motion ?

(voices, yes, yes).

The cut motion stands withdraw, with the leave of the House.

Now, Shri B.K. Basumatary. He is absent. I put the motion.

The motion is "That the total provision of Rs. 41,61,85,00 under Grant No. 57 in respect of 'Rural Development' at pages 38-67 of Volume II, part XX of the Budget be reduced to Rs. 1.00 i.e. the amount of the whole grant of Rs. 41,61,85,000, do stand reduced to Rs. 1/–. (The cut motion is lost by voice vote and it stands withdrawn).

Now. Shri Mosiruddin Sheikh will you withdraw the cut motion ?

* **শ্ৰীমচিৰুদ্দিন শ্বেখ ঃ** মন্ত্ৰী মহোদয়ৰ পৰা আশ্বাস বিচাৰিছো যে বনানিকৰণত শতকৰা ২৫ ভাগ ইয়াৰ মাৰ্ক কৰা থাকে। সামাজিক বনানিকৰণত কোনো কাম নহয়। এই আঁচনিত বেকাৰ সকলক ব্যৱহাৰ কৰিব নোৱাৰে। সেয়ে সামাজিক বনানিকৰণ আঁচনিটো এবলিচ কৰিবনে ?

* **শ্ৰীচন্দ্ৰ আৰন্ধৰা (মন্ত্ৰী) ঃ** এইটো কেন্দ্ৰীয় চৰকাৰৰ আঁচনি। শতকৰা ২৫ ভাগ বনানিকৰণৰ বাবে ধাৰ্য্য কৰা থাকে। কেন্দ্ৰীয় চৰকাৰৰ অনুমতি নোলোৱাকৈ এবলিচ কৰিম বুলি কেনেকৈ আশ্বাস দিম।

* **শ্ৰীহেমেন দাস ঃ** দিল্লীলৈ যাব লগা হলে যাব পাৰো। কেন্দ্ৰীয় চৰকাৰক অসমৰ পৰিস্থিতিৰ বিষয়ে বুজাব লাগিব।

* **শ্ৰীজয় নাথ শৰ্মা ঃ** এই বিষয়টো গুৰুত্ব সহকাৰে বিবেচনা কৰিব লাগিব। কেন্দ্ৰীয় চৰকাৰে সামাজিক বনানিকৰণ কৰে, কিন্তু অসমৰ পৰিৱেশত এই বনানিকৰণ কৰিলে অপচয় হয়। এই কথাটোৰ বিষয়ে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিব লাগে। পইচা নিদিলে অন্যান্য ষ্ট্ৰেটেজি লম। সামাজিক বনানিকৰণৰ অপচয় হোৱাটো সচা। ৰাষ্ট্ৰীয় ঘাই পথৰ কাষত এখন স্কুলত

*/ Speech not corrected

গছ ৰুইছে, কিন্তু গছ পুলি এটাও নাই, পইচাও শেষ হৈছে। এই অপচয় বন্ধ কৰাৰ কাৰণে গোটেই হাউচ একমত হৈছে।

**শ্ৰীচন্দ্ৰ আৰন্ধৰা ঃ** (মন্ত্ৰী) ঃ সামাজিক বনানিকৰণ নকৰো বুলি কলে কেন্দ্ৰীয় চৰকাৰে এই শিতানৰ টকাটো কাটি ৰাখিব।

**শ্ৰীহেমেন দাস ঃ** অসমৰ স্বাৰ্থত গোটেই সদন এটা সিদ্ধান্তলৈ আহিছে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়ে কৈছে এই বিষয়টো লৈ যোগাযোগ কৰিব।

**শ্ৰীচন্দ্ৰ আৰন্ধৰা (মন্ত্ৰী) ঃ** মই বাৰে বাৰে কৈছো এই কথাটো নিশ্চয় বিবেচনা কৰিম।

* **শ্ৰীমচিৰুদ্দিন শ্বেখ ঃ** এই টকাবিলাক অপচয় কৰাটো নিবিচাৰো। বনানিকৰণৰ বাবে বাহবিলাক গৈছে। কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিব বুলি কোৱাত মই কৰ্তন প্ৰস্তাৱটো উঠাই লৈছো।

**Mr. speaker :** Is it the pleasure of the House to grant leave to withdraw the cut motion ?

(voices - yes, yes)

With the leave of the House, the cut motion is withdrawn.

Now I put it to Hon. Member, Shri Maziruddin Ahmed;– Will you withdraw your cut motion ?

* **শ্ৰীমাজিৰুদ্দিন আহমেদ ঃ** মন্ত্ৰী মহোদয়ে গোৱালপাৰাত অফিচাৰ মাতি আনি মন্তব্য কৰিছিল যে টকা খৰচ হোৱা দেখিছো, কিন্তু কাম একো দেখা নাই। ইমান দিনে একোটা কথাই হৈ আছে। এই দোষী অফিছাৰৰ বিৰুদ্ধে কিবা ব্যৱস্থা লোৱাৰ আশা কৰিব পাৰোনে ?

**শ্ৰীচন্দ্ৰ অৰন্ধৰা (মন্ত্ৰী) ঃ** বিভাগীয় তদন্ত কৰি দোষী পালে ব্যৱস্থা লয়। তেখেতে কোৱা কথাটোত দোষী প্ৰমাণিত হলে ব্যৱস্থা লোৱা হব।

**শ্ৰীমাজিৰুদ্দিন আহমেদ ঃ** আশ্বাস পোৱাৰ পৰিপ্ৰেক্ষিতত কৰ্তন প্ৰস্তাৱ উঠাই লৈছো।

**Mr. Speaker :** Is it the pleasure of the House to grant leave to withdraw his cut motion ?

---

***/ Speech not corrected**

(voices - yes, yes)

With the leave of the House, the cut motion stand withdrawn. I now ask the Hon. Member, Shri Amrit Lal Basumatary : will you withdraw your cut motion ?

* **শ্রীঅমৃত লাল বসুমতাৰী ঃ** এই গ্ৰামোন্নয়ণ বিভাগটো মৰি যোৱাৰ নিচিনা হৈছে। গতিকে ইয়াক সজীৱ কৰিবৰ কাৰণে আশ্বাস দিবনে ? স্কুল, ঘৰ বিলাকৰ আকাৰ বৰ্দ্ধিত ল'ৰা-ছোৱালীৰ সংখ্যালৈ চাই দীঘল ৮০ ফুট আৰু বহল ১৮ ফুট কৰিবনে ?

* **শ্রীচন্দ্র আৰন্ধৰা (মন্ত্রী) ঃ** এইটো কাৰিকৰী দিশত চাই আঁচনি লয়, গতিকে আশ্বাস নিদিলেও হ'ব।

* **শ্রীঅমৃত লাল বসুমতাৰী ঃ** আশ্বাস দিয়া নাই যদিও হ'ব বুলি আশা ৰাখি কৰ্তন প্ৰস্তাবটো উঠাই ললো।

**Mr. Speaker :** Is it the pleasure of the House to grant leave to withdraw the cut motion ?

(voices – yes, yes)

With the leave of the House, this cut motion is withdrawn. Now I put it to Hon. Member, Shri Hemen Das : Will you withdraw your cut motion ?

* **শ্রীহেমেন দাস ঃ** মন্ত্ৰী মহোদয়ৰ দীঘলীয়া বক্তৃতাত মোৰ এটা প্ৰশ্নৰ উত্তৰ নাপালো আচল গণ্ডগোলটো হৈছে গ্ৰামোন্নয়ণ আৰু ব্লকৰ কাম সম্পৰ্কত। ব্লকৰ পৰা বিল পঠালে গ্ৰামোন্নয়ণ অফিচত টকা মঞ্জুৰ কৰে। শ্রীবিনয় খুংগুৰ বসুমতাৰী ডাঙৰীয়াই কৈছে মাত্ৰ ২৯ হাজাৰ টকা ৰিলিজ কৰিছে।

চৰকাৰে ব্লক আৰু গ্ৰামোন্নয়ণৰ কাম সম্পৰ্কত বিভাজনৰ এটা সুনিৰ্দ্দিষ্ট নীতি গ্ৰহণ কৰি ভৱিষ্যতে ঠিকা বিল পদ্ধতিৰোধ কৰাৰ ব্যৱস্থা কৰিবনে ?

* **শ্রীচন্দ্র আৰন্ধৰা (মন্ত্রী) ঃ** গ্ৰামোন্নয়ণৰ আঁচনি সম্পৰ্কত ঠিকাৰ ব্যৱস্থা নাই। গাৱঁৰ এজন গ্ৰুপ লিডাৰৰ দ্বাৰা কাম কৰা হয়। চৰকাৰৰ পঞ্জীভূক্ত জনক ঠিকাদাৰ বুলি কোৱা হয়। কোনোবাই অস্থায়ী ভাৱে কামটো কৰিলে ঠিকাদাৰৰ সুত্ৰত নপৰে। যদি পঞ্জীভূক্ত কোনো ঠিকাদাৰে তেনে কাম কৰিছে

---

*/ Speech not corrected

সেইটো প্ৰমাণিত হলে নিশ্চয় ব্যৱস্থা লম।

* **শ্ৰীহেমেন দাস ঃ** মই এটা উদাহৰণ দিওঁ। এজন ট্ৰাইবেল লৰাই মোক কলে মই অলপ কাৰবাৰ কৰিছো, ফাইনেল পেমেণ্ট হোৱা নাই। ইঞ্জিনিয়াৰক পাচশ টকা ভেটি দিব লাগে। মই কলো মনে মনে সোধা, যদি টকা নিদিয়ে বেলেগ ব্যৱস্থা কৰিম। কালভাৰ্ট তৈয়াৰ কৰিব লাগে, পইচা কেইটা কোনে দিব? বি. ডি. অই. দিবনে গ্ৰামোন্নয়ণে দিব? বি. ডি. অই. পইচা নিদিয়ে, কাৰ্য্যবাহী অভিযন্তাই বিলখন পাচ কৰি দিব লাগিব। তেওঁৰ অংশটো নাপালে পইচা নিদিয়ে। গতিকে কামবিলাক বি. ডি. অৰ দ্বাৰা কৰা হৈছে নে প্ৰজেক্ট ডিৰেক্টৰৰ দ্বাৰা কৰা হৈছে?

* **শ্ৰীচন্দ্ৰ আৰন্ধৰা (মন্ত্ৰী) ঃ** এনেকুৱাখতিয়ান খণ্ড উন্নয়ণত অহা নাই। টকা পইচা দিয়াৰ দায়িত্ব বি. দি. অৰ। গ্ৰামোন্নয়ণৰ কামবিলাক চিনিয়ৰ বি.দি. অৰ. দ্বাৰা কৰা হয়। যদি বেলেগ কিবা হৈছে চাম।

* **শ্ৰীহেমেন দাস ঃ** কৰ্তন প্ৰস্তাৱটো উঠাই লৈছো।

**Mr. Speaker :** Is it the pleasure of the House to grant him leave to withdraw the cut motion "

(Voices - yes, yes)

With the leave of the House, the cut motion is withdrawn. Now I put the main motion before the House. The motion is that a sum of Rs. 31,21,38,000 be granted to the Minister In-charge to complete the sum of Rs. 41,61,85,00 necessary to defray the charges which will come in course of payment during the year ending the 31st March 1989 for the adminstration of Rural Development.

(The motion was passed by voice vote. The Grant No. 57 was passed) Now Grant No. 6 - Land Revenue and Land Ceilling. Honb'le Revenue Minister, Shri Thaneswar Boro, to move the Motion.

---

***/ Speech not corrected**

*** Shri Thaneswar Boro (Minister) :** Sir, on the recommendation of the Governor of Assam, I beg, Sir to move that a sum of Rs. 14,72,64,000 be granted to the Minister-in-charge to complete the sum of Rs. 19,63,53,000 necessary to defray the charge which will come in course of payment during the year ending the 31st March, 1989 for the administration of "Land Revenue and Land Ceiling".

*** Shri Abdul Muqtadir Choudhury :** Sir, next grant natural calamities. This may also be included in this grant.

**Mr. Speaker :** One by one Natural Calamities - it is grant no. 41. Now, cut motion is to be moved by Honb'le Member Shri Aminul Islam.

*** Shri Aminul Islam :** Sir, I beg to move that the total provision on of Rs. 19,63,53,000 under the Grant No. 6 in respect of "Land Revenue and Land Ceiling" at pages 39-62 of Volume II, Part-I be reduced to Re. 1.00 i.e. the amount of the whole grant of Rs. 19,63,53,000 do stand reduced to Re. 1.00.

**Mr. Speaker :** Now Hon'ble Member, Shri B.K. Basumatari. Absent. Now, Hon'ble Member, Shri Swaroop Upadhaya.

**Shri Swarup Upadhaya :** Hon'ble Speaker, Sir, I beg to move that the total provision of Rs. 19,63,53,000, under Grant No. 6 in respect of "Land Revenue & Land Ceiling" at pages 39-62 of Volume II, Part I of the Budget be reduced by Rs. 100.00 i.e., the amount of the whole grant of Rs. 19,63,53,000, do stand reduced

---

*/ Speech not corrected

by Rs. 100.00

**Mr. Speaker :** Hon'ble Member, Shri Santi Ranjan Das Gupta

* **Shri Santi Ranjan Das Gupta :** Sir, I beg to move that the total provision of Rs. 19,63,53,000 under Grant No. 6 in respect of "Land Revenue & Land Ceiling" at pages 39-62 of Volume II, Part I of the Budget be reduced by Rs. 100.00 i.e., the amount of the whole grant of Rs. 19,63,53,000, do stand reduced by Rs. 100.00.

**Mr. Speaker :** Now, Hon'ble Member, Shri Amrit Lal Basumatari.

* **শ্ৰীঅমৃত লাল বসুমতাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৮-৮৯ চনৰ বাজেট মঞ্জুৰীৰ দাবীৰ দ্বিতীয় খণ্ডৰ প্ৰথম অংশৰ ৩৯-৬২ পৃষ্ঠাত থকা ৰাজহ আৰু ভূমি সীমিতকৰণ শিতানৰ ৬ নং মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা দাবীৰ ১৯,৬৩,৫৩,০০০ টকা এশ টকাৰ হ্ৰাস কৰা হওঁক অৰ্থাৎ সমুদায় মঞ্জুৰীৰ ১৯,৬৩,৫৩,০০০ টকা এশ টকাৰে হ্ৰাস কৰা হওঁক।

**Mr. Speaker :** Now, Hon'ble Member Shri Charan Narzary.

* **Shri Charan Narzary :** Sir, I beg to move that the total provision of Rs. 19,63,53.000, under Grant No. 6 in respect of "Land Revenue and Land Ceiling" at pages 39–62 of Volume II, Part I, of the Budget be reduced to Rs. 1.00 i.e., the amount of the whole grant of Rs. 19,63,53.000, do stand reduced to Rs. 1.00.

**Mr. Speaker :** Now, Hon'ble Member Shri Ramendra De.

* **Shri Ramendra De :** Sir, I beg to move that the total provision of Rs. 19,63,53,000 under Grant No. 6 in respect of "Land Revenue and Land Ceiling" at pages

---

***/ Speech not corrected**

39-62 of Volume II, Part I of the Budget, be reduced by Rs. 100.000 i.e. the amount of the whole grant of Rs. 19,63,53,000 do stand reduced by Rs. 100.00

**Mr. Speaker :** Now, Hon'ble Member, Shri Aminul Islam.

(At 12.57 P.M. Mr, Speaker vacated the chair and Shri. Deba Bora occupied the chair as Chairman.)

* **শ্ৰীআমিনুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰি কেইআষাৰমান কবলৈ আগবাঢ়িছো। আজি অসমত তাহানিৰ বৃটিছে তৈয়াৰ কৰি থৈ যোৱা ভূমি নীতি চলি আছে। শ শ বছৰৰ পুৰণি সাম্ৰাজ্যবাদী ভূমি নীতিৰ দ্বাৰা স্বাধীন ভাৰতৰ খেতিয়ক ৰাইজ কেতিয়াও উপকৃত হব নোৱাৰে। এই ভূমি নীতিৰ আমূল পৰিবৰ্তন কৰাৰ প্ৰয়োজন হৈছে যাতে খেতিয়ক ৰাইজৰ অৰ্থনৈতিক অৱস্থা উন্নতি সাধন কৰিব পৰা যায়। স্বাধীন দেশৰ চৰকাৰৰ বিশেষকৈ অসম চৰকাৰে ভূমি সম্পৰ্কে বিশেষ একো ব্যৱস্থা গ্ৰহণ কৰা দেখা নাযায়। খেতিয়ক ৰাইজৰ সহায় হোৱাকৈ স্পষ্ট নিদেৰ্শ গ্ৰহণ কৰা উচিত।

মাননীয় অধ্যক্ষ মহোদয়, অতি পুৰণি নীতি সমূহৰ বাবে আজি আমাৰ দুখীয়া খেতিয়ক ৰাইজে অসুবিধা ভূগি থাকিব লগীয়া হৈছে। আমাৰ জমিদাৰী এক্ট, চিলিং এক্ট আৰু ভূমি বন্দোৱস্তি এক্ট বিলাক বগা কাগজৰ ওপৰতে আৱদ্ধ থাকিব, কাৰ্য্যকৰী কৰা নহ'ল। এই এক্ট বিলাক যদি কাৰ্য্যকৰী কৰা হ'লহেঁতেন তেতিয়াহলে দুখীয়া ৰাইজৰ অৰ্থনৈতিক অৱস্থাৰ যথেষ্ট পৰিবৰ্তন হ'লহেঁতেন। আগৰ চৰকাৰে যেনেকৈ আইন বিলাক প্ৰণয়ন কৰি বহি থাকিব, ভাল নীতি গ্ৰহণ নকৰিলে, বৰ্তমান চৰকাৰেও যদি সেইদৰে বহি থাকে তেনেহলে কৃষক ৰাইজৰ উন্নতি কেতিয়াও নহব। সেয়েহে নতুন চৰকাৰে এই ক্ষেত্ৰত দৃঢ় পদক্ষেপ সোনকালে লব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, আন্তঃ ৰাজ্যিক সীমান্ত অঞ্চলত যুগ যুগ ধৰি বসবাস কৰি থকা আমাৰ অসমীয়া মানুহবোৰক উচ্ছেদ কৰা হল। অৰ্থাৎ অসম অৰুনাচল, অসম মেঘালয়, অসম নগালেণ্ড সীমান্ত অঞ্চল সমূহত বসবাস কৰি থকা স্থায়ী মানুহ খিনিক উচ্ছেদ কৰা হ'ল। চৰকাৰৰ এই অস্পষ্ট

---

***/ Speech not corrected**

নীতিৰ কাৰণে আজি সীমান্ত অঞ্চলত মানুহে অবৈধভাৱে বসবাস কৰিবলৈ সুবিধা পাইছে আৰু লগে লগে উচ্ছেদ কাৰ্য্য হাতত লব লগা হৈছে। এই আইন কানুন, নীতি নিয়ম যদি থাকিলেহেঁতেন, বা এই মানুহ বিলাকক যদি উচ্ছেদ নকৰিলেহেঁতেন তেনেহলে এই কৰ্তন প্ৰস্তাৱ উত্থাপন কৰিব লগীয়া নহ'লহেঁতেন। আজি অসমৰ ভিতৰুৱা অঞ্চল সমুহত নগালেণ্ডৰ মানুহে বেদখল কৰিছে, গছ-গছনি কাটি শেষ কৰিছে। সেইবিলাক সমস্যাই আজি আমাক চিন্তিত কৰি তুলিছে, এইটো কথা ঠিক যে পূৰ্বৰ চৰকাৰৰ অস্পষ্ট নীতিৰ বাবেই এই বিলাক ঘটিবলৈ পাইছে। সেইকাৰণে সম্পূৰ্ণ ভূমি নীতি পৰিবৰ্তন কৰাটো সময়োচিত হৈছে, দৰকাৰ হৈছে। এই সীমান্ত অঞ্চল সমূহৰ বাবে এটি বিশেষ ধৰণৰ ভূমি নীতি প্ৰৱৰ্তন কৰিব লাগে বুলি মই ভাবো।

মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰৰ অস্পষ্ট নীতিৰ কাৰণে এই সমস্যা বিলাকৰ সৃষ্টি হৈ আছে। বৃটিছৰ দিনতে যি বিলাক নীতি চলি আছিল, এতিয়াও সেই নীতি বিলাকেই চলি আছে। গতিকে এই ভূমি নীতি অচিৰেই পৰিবৰ্তন কৰা দৰকাৰ। বিশেষকৈ সীমান্ত অঞ্চলৰ কাৰণে বিশেষ ভূমি নীতি উদ্ভাৱন কৰা নিতান্তই দৰকাৰ। আন্তৰ্জাতিক সীমাত আকৌ আমাৰ মানুহ বসবাস কৰাৰ ব্যৱস্থা হওঁক। খেতি বাতিৰ কাৰণে ব্যৱস্থা লওঁক। খেতিয়ক সকলক তাৰ কাৰণে প্ৰয়োজনীয় মাটি দিয়ক। এই বিলাক ব্যৱস্থা কৰিব পাৰিলে আন আন দেশৰ মানুহে আমাৰ সা সম্পতি লুট কৰিব নোৱাৰিব। আমাৰ ৰাজ্য তথা দেশৰ মাটি আন ৰাজ্যই বা আন বিদেশী ৰাষ্ট্ৰই দখল কৰিব নোৱাৰিব। কিন্তু তাৰ বিপৰীতে এনেধৰণৰ আন্তৰ্জাতিক সীমাৰেখাৰ ওচৰত বস বাস কৰা আমাৰ ৰাইজক যদি উচ্ছেদহে কৰা হয় তেতিয়াহলে, তাৰ দ্বাৰা আন এটা সমস্যাৰহে সৃষ্টি কৰা হব। গতিকেই মই দাবী কৰিছো যে, আন্তৰ্জাতিক সীমা অঞ্চলৰ কাৰণে চৰকাৰৰ এটা স্পষ্ট ভূমি নীতি থাকিব লাগিব।

মাননীয় অধ্যক্ষ মহোদয়, ৰাজহ বিভাগৰ বিভিন্ন সমস্যা বিলাকৰ ভিতৰত আৰু এটা ডাঙৰ সমস্যা হৈছে যে, আমাৰ ৰাইজৰ মাজত জিলাৰ উপাযুক্ত, এছ, ডি, চি আদি কৰি বিষয়া সকল ভগৱানৰ নিছিনা হৈ পৰিছো। এই ৰাজহ বিভাগৰ বিষয়া সকলে যি কয় তাকেই সচাঁ বুলি সকলোৱে মানি লয়। তেওঁলোকৰ ওপৰত চৰকাৰৰ কোনো কণ্ট্ৰল নাই। তেওঁলোকৰ দ্বাৰা নীতি নিয়ম একো নমনা অৱস্থা হৈছে। তেওঁলোকৰ অনেক ক্ষমতা। কম মাটি বেছি কৰিব পাৰে। বেছি মাটি কম কৰিব পাৰে ইত্যাদি। আনকি আইনৰ

দ্বাৰাও এই বিষয়া সকলৰ বিৰোধে কোনো ব্যৱস্থা লব পৰা নেযায়। মণ্ডল-কানণগু সকলে যি ৰাজত্ব চলাই আছে তাৰটো সীমাই নাই। যি মাননি ঠিক মতে দিব পাৰিছে তেওঁলোকৰ সকলোকেই সিদ্ধি। কিন্তু যি মাননি ফেৰা দিব পৰা নাই তেওঁলোক চাৰ্ভে কৰোতে হওঁক বা আন ক্ষেত্ৰতেই হওঁক পিছে পিছে ঘূৰি ফুৰিলেও কোনো কামত নাহে। এই যে ব্যৱস্থা বিলাক চলি আছে এই বিলাক এদিনতে গা কৰি উঠা নাই। এই বিলাক মানধাতা যুগৰে পৰাই চলি আহিছে। গতিকে অধ্যক্ষ মহোদয়, আবহমানকালৰ পৰা চলি অহা এই পুৰণা ৰীতি নীতি বিলাক পৰিবৰ্তন কৰি মাটিৰ নতুন 'ক্লাছিফিকেশ্বন' কৰিব লাগে আৰু এই ক্ষেত্ৰত খাজনাৰ নিৰিখো বান্ধি দিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, প্ৰকৃত খেতিয়ক সকলে মাটি পোৱাৰ ব্যৱস্থা কৰিব লাগে। আধিয়াৰ আইনৰ দ্বাৰা পাব লগীয়া ৰক্ষণা বেক্ষণ আমাৰ খেতিয়ক সকলে পোৱা নাই। এইটো পোৱাৰ ব্যৱস্থা কৰিব লাগে। বান পানীয়ে খেতি নষ্ট কৰা খেতিয়ক সকলৰ পৰা খাজনা লব নেলাগে। তৌজী বাহী আৰু ম্যাদি পতা দিয়াৰ নিয়ম পৰিবৰ্তন কৰিব লাগে। মাটিৰ ক্ষেত্ৰত পতা একেই হোৱা উচিত বুলি আমি ভাৱো। ইয়াৰ বাহিৰেও নিজে খেতি বাতি কৰা সকলক চিলিঙৰ ডদ্ধৃত্ত মাটিৰ পৰা কম পক্ষেও ১০ বিঘা মানকৈ দিয়াৰ ব্যৱস্থা কৰিব লাগে। যি সকলৰ থাকিবলৈকে ঘৰ নাই সেই সকলক ঘৰ বান্ধিবৰ কাৰণে ভেটিৰ মাটি দিয়াৰ ব্যৱস্থা কৰক। সমবায় কৰি হলেও নিবনুৱা সমস্যাৰ আংশিক সমাধান হলেও ৰবাৰ প্লেনটেশ্বন ইত্যাদিৰ কাৰণে মাটি দিয়াৰ ব্যৱস্থা কৰক।

মাননীয় অধ্যক্ষ মহোদয়, গোটেই ভূমি নীতিটো পৰ্য্যালোচনা কৰি প্ৰকৃতাৰ্থত সংশোধন কৰাৰ অনুৰোধ জনাই মই মোৰ বক্তৃতা ইমানতে সামৰণি মাৰিলো।

* **শ্ৰীস্বৰূপ উপাধ্যায় ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ নিছিনা কৃষি প্ৰধান ৰাজ্য এখনৰ কাৰণে সথিক ভূমি নীতি নিৰ্দ্ধাৰণ আৰু ভূমিৰ আবণ্টনৰ তথা ভূমি ব্যৱস্থা সথিক ভাৱে অবলম্বন কৰিব লাগে। ই গোটেই ৰাজ্য খনৰ আৰ্থিক বিকাশৰ কাৰণে অপৰিহাৰ্য্য। সদনত এই বিষয়ে গুৰুত্বপূৰ্ণ মতাদৰ্শ ভাঙি ধৰিব নোৱাৰিব পাৰো কিন্তু হলেও নিজা অভিমত যিমান দূৰ পাৰি ব্যক্ত কৰিবলৈ মই চেষ্টা কৰিম।

---

***/ Speech not corrected**

মাননীয় অধ্যক্ষ মহোদয়, ভূমী নীতিৰ গুৰুত্ব নিশ্চয় আমাৰ মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই উপলব্ধি কৰিব পাৰিছে।

মাননীয় অধ্যক্ষ মহোদয়, ভাৰত বৰ্ষই স্বাধীনতা লাভ কৰাৰ পিছত অসম ৰাজ্যখনৰ ভূমী নীতিৰ বিশেষ কোনো সালসলনি কৰা হোৱা নাছিল। কিন্তু ৬০/৭০ দশকতহে অসম ৰাজ্য খনৰ ভূমিনীতিৰ প্ৰগতিশীল ব্যৱস্থা হাতত লবলৈ প্ৰয়াস কৰা দেখা যায়। সেইকাৰণেই ইয়াৰ ফলশ্ৰুতি হিচাবে চিলিং আইন, আধিয়াৰ প্ৰটেকশ্বন এক্ট, টেম্পৰেটি চেটেলড্ এৰিয়াজ টেনেন্সি এক্ট ইত্যাদি আইন বিলাক খেতিয়ক ৰাইজৰ উপকাৰৰ কাৰণে প্ৰবৰ্তন কৰা দেখা যায়। এই বিলাক আইন প্ৰণয়ণ কৰা হৈছিল জমিদাৰ সকলৰ পৰা প্ৰকৃত খেতিয়ক সকলক উদ্ধাৰ কৰাৰ কাৰণে। কিন্তু প্ৰশাসন যন্ত্ৰৰ দুৰ্বলতাৰ কাৰণেই এই আইন বিলাক বাস্তৱত ৰূপায়িত কৰিব পৰা নহল বা হোৱা নাই। চেয়াৰমেন মহোদয়, আজি অসম চৰকাৰে ভূমি নীতি নিৰ্দ্ধাৰণ কৰোতে এই পট ভূমিৰ ওপৰত চিন্তা কৰি কৰিব লাগে। অসমত যি দলৰ চৰকাৰেই শাসনত নাথাকক কিয় ৰাজ্য খনৰ সকলো কৃষকৰ কথা চৰকাৰে চিন্তা কৰিব লাগে, সুস্থিৰ ভূমি নীতি চৰকাৰে গ্ৰহণ কৰিব নোৱাৰিলে দুখীয়া লোক সকলৰ হাহাকাৰ হব, জনসাধাৰণ আহুকালত পৰিব। চেয়াৰমেন মহোদয়, আজি মই এটা কথা লক্ষ্য কৰিছো সেইটো হৈছে— ভূমি সম্পৰ্কে যিবোৰ আইন কানুন আছে সেইবোৰ সকলোৱে সঠিক ভাবে পালন কৰাৰ পৰিবেৰ্তে এই চৰকাৰ অহাৰ পিচত, অইনবোৰ অবমাননা কৰাহে চকুত পৰিছে। অইন অমান্য কৰা আৰু, ভঙ্গ কৰাহে চকুত পৰিছে। বিশেষকৈ চাহ বাগান আৰু অনান্য অঞ্চলৰ যিবোৰ চিলিং চাৰপ্লাচ মাটি, ডদ্ধৃত্ত মাটি আছিল সেইবোৰ মালিক সকলে পুণৰ দখল কৰি বহিছে। যিবোৰ বাগানৰ মাটি মাটিহীনৰ মাজত বিতৰণ কৰা হৈছিল সেইবোৰ মাটিও বাগানৰ মালিক সকলে পট্টন পোৱা লোক সকলক সামান্য দাম দি পুণৰ কিনি লৈ দখল কৰিছে। বৰ্তমান চৰকাৰ ক্ষমতালৈ অহাৰ পিচত এনে কাৰ্য্য বৃদ্ধি পাইছে। অথচ আইন মতে পট্টন দিয়া এনে মাটি মালিকে ঘূৰাই লব নোৱাৰে। কাঢ়ি আনিব নোৱাৰে। সৈয়ে চেয়াৰমেন মহোদয়, মই কবলৈ বিচাৰিছো যে যি সকলৰ কাৰণে, যি সকলৰ উপকাৰৰ কাৰণে এই ভূমি আইন কৰা হৈছে, তাৰ পৰা তেওঁলোক উপকৃত হোৱাটো নায়েই বৰঞ্চ তাৰ বিপৰীতহে হৈছে। এনেবোৰ কাৰ্য্য কলাপ চৰকাৰে সোনকালে বন্ধ কৰিব লাগে, আইন ভঙ্গকাৰী সকলৰ ওপৰত ব্যৱস্থা লব লাগে। মাননীয়

সদস্য শ্ৰীপদ্ম নাথ কৈৰী ডাঙৰীযাই অলপ আগতে উল্লেখ কৰিছে যে চাহ বাগানৰ মজদুৰ সকলৰ এচপৰাও মাটি নাই। সচা কথা। চৰকাৰে বাগানৰ বনুৱা সকলক ঘৰ সজাৰ কাৰণে একুটুকুৰা মাটি দিয়াৰ কাৰণে চিন্তা কৰিব লাগে ৰাজহ বিভাগে আন্তৰিকতাৰে, গুৰুত্ব সহকাৰে এই বিষয়টোৰ ওপৰত চিন্তা কৰিব বুলি মই আশা কৰিলো। কিয়নো কেৱল সমবেদনাই তেওঁলোকক উপকৃত নকৰে

চেয়াৰমেন মহোদয়, দ্বিতীয় কথা হৈছে চৰকাৰে যেতিয়া কোনো অঞ্চলত উচ্ছেদ কাৰ্য্য চলাবলৈ যায় তেতিয়া উচ্ছেদিত লোক সকলৰ কথা আগতেই চিন্তা কৰিব লাগে। সেই দুখীয়া, ভূমিহীন জনতাজীয় বা অন্যান্য লোক সকল উচ্ছেদৰ পিচত কলৈ যাব, কেনেকৈ জীবিকা নিৰ্বাহ কৰিব - এই বিষয়ে চৰকাৰে আগতেই চিন্তা কৰিব লাগে। কল্যানকামী ৰাষ্ট্ৰৰ এইটো এটা পালনীয় দায়িত্ব। নহলে উচ্ছেদিত লোক সকলে খাবলৈ নেপায়, থাকিবলৈ নেপায় অসত্ পথ অবলম্বন কৰিব আৰু চৰকাৰৰ কাৰণে ইও এক সমস্যা হব। আজি গুৱাহাটী চহৰৰ ৰাষ্টা বহলোৱা হৈছে দোকান - পোহাৰ উচ্ছেদ কৰি, ভাঙি দি-ৰাষ্টা বহল হব লাগে এইটো ভাল কথা কিন্তু যি সকল দোকানীয়ে দোকান দিয়েই পৰিয়ালৰ ভৰণ-পোষণ কৰিছিল তেওঁলোক এতিয়া কেনেকৈ চলিব ? উচ্ছেদ কৰাৰ আগতেই চৰকাৰে তেওঁলোকক আন ঠাইত দোকান আদি দিবলৈ সুবিধা কৰি দিব লাগিছিল। কাৰণ তেওঁলোকৰ জীৱন নিৰ্বাহৰ পথ চৰকাৰে বন্ধ কৰি দিলে নাইবা তেওঁলোকক যথেষ্ট সময়ৰ আগতে নোটিচ দিব লাগিছিল - বেলেগ ব্যৱস্থা কৰি লবৰ কাৰণে। চেয়াৰমেন মহোদয়, আৰু এটা কথা এইখিনিতে মই উল্লেখ কৰিব খুজিছো এইটো হৈছে - শদিয়াৰ এটা ট্ৰাইবেল বেল্টৰ পৰা কিছুমান হিন্দী ভাষী লোকক উচ্ছেদ কৰা হৈছে। সেই লোক সকল তাত বহু দিনৰ পৰাই বহি আছে। তেওঁলোকে এই কথা মুখ্যমন্ত্ৰী আৰু ৰাজহ মন্ত্ৰীক জনাইছে। যিটো অঞ্চলৰ পৰা তেওঁলোকক উচ্ছেদ কৰা হ'ল তাত আন কাকো বহিবলৈ দিয়া নহব বুলি কোৱা হৈছিল। কিন্তু পিচত দেখা গ'ল যে উচ্ছেদৰ পিচতেই সেই অঞ্চলটো কিছুমান অ-জনজাতীয় লোকে বেদখল কৰি বহিল। এইবোৰ দেখি শুনি ভাব হৈছে চৰকাৰে সঠিক ভাবে ভূমি নীতি গ্ৰহণ কৰিব পৰা নাই। (সময় সংকেত)। সৈয়ে মই মাননীয় ৰাজহ মন্ত্ৰী আৰু মুখ্যমন্ত্ৰী তথা ৰাজহ বিভাগক অনুৰোধ কৰো যাতে চৰকাৰে এটা স্পষ্ট, সঠিক ভূমিনীতি অনতি পলমে গ্ৰহণ কৰে। কাৰণ ইয়াৰ ওপৰতেই

ৰাজ্য খনৰ সৰ্বাঙ্গীন উন্নতি আৰু বিকাশ বহু অংশে নিৰ্ভৰ কৰে। এনে এক ব্যৱস্থা চৰকাৰে লবলৈ প্ৰচেষ্টা কৰিলে আমি বিৰোধী দলে সকলো প্ৰকাৰে সহায়, সহযোগ আৰু পৰামৰ্শ আগ বঢ়াম।

চেয়াৰমেন মহোদয়, আৰু এটা কথালৈ মই ৰাজহ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো- সেইটো হৈছে এম, এন, পি আঁচনিৰ অধীনত কিছুমান এচ, চি, এচ, টি, অ', বি, চি লোকক চৰকাৰে মাটি দিয়াৰ ব্যৱস্থা কৰিছে এইটো ভাল কথা হৈছে। কিন্তু দেখিবলৈ পাইছো যি সকলে এনে আঁচনিৰ যোগেদি আগতে মাটি পাইছিল এতিয়া তেওঁলোকৰ পৰা সেই মাটিবোৰ কাঢ়ি লোৱা হৈছে। এ, জি, পি চৰকাৰৰ দিনত দুখীয়া কৃষকতকৈ ধনী ব্যৱসায়ী আৰু জমিদাৰ সকলহে বেছি উপকৃত হোৱা দেখা গৈছে। তেওঁলোকৰ স্বাৰ্থহে পূৰণ হোৱা পৰিলক্ষিত হৈছে। আজি ধনী লোক সকলেও চিলিং আইন, আধিয়াৰ আইন এইবোৰ গন্য নকৰা হৈছে। (সময় সংকেত)। চেয়াৰমেন মহোদয়, আজি এই আইনবোৰ অধিক কাৰ্য্যক্ষম কৰি তুলিব লাগে। জনসাধাৰণৰ উপকাৰত অহাকৈ প্ৰয়োজন হলে টেনেসি এক্ট, আধিয়াৰ আইন, চিলিং আইন সংশোধনৰ ব্যৱস্থা চৰকাৰে হাতত লব লাগে- এনে প্ৰচেষ্টাত আমি চৰকাৰক সকলো প্ৰকাৰে সহায় সহযোগ কৰিম। ৰাজ্য খনৰ কৃষক ৰাইজৰ অৰ্থনৈতিক বিকাশৰ অবিহনে আমি উন্নতিৰ দিশত আগবাঢ়িব নোৱাৰিম। ইয়াৰ কাৰণে চৰকাৰে আন্তৰিক প্ৰচেষ্টা হাতত লব লাগে। ইয়াকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো।

**শ্ৰীশান্তি ৰঞ্জন দাসগুপ্ত ঃ** চেয়াৰম্যান মহোদয়, আমি বেশী কিছু বলবো না। শুধু সৰকারের ভূমিনীতি সম্পর্কে সংক্ষেপে কিছু আলোচনা করে আমার বক্তব্য শেষ করবো।

স্যার, বর্তমানে আসামে যে ভূমিনীতির মাধ্যমে পাট্টা দেওয়ার ব্যবস্থা আছে তা যদি সহজ ভাবে বিতরনের ব্যবস্থা করা না হয় তাহলে আমাদের রাজ্যে যে সব বেকার যুবক রয়েছে, কৃষিজীবি মানুষ রয়েছে তাঁরা কোন অবস্থাতেই নিজেকে অর্থনৈতিক উন্নতির দিকে এগিয়ে নিয়ে যেতে পারবে না। এই যে নীতি তা দীর্ঘদিন যাবত আমাদের রাজ্যে প্রচলিত। অতীতে যাদের নামো মাটির পাট্টা ছিল তারা অনেকেই তাদের মাটি-জমি বিক্রি করে অন্যত্র চলে গিয়েছে কিন্তু এই পাট্টা বদলানো আজও হয়নি। যার ফলে আজ একই পাট্টায় অনেকগুলি দাগ নং থাকছে। এগুলি আলাদা করার কোনা নীতি

